# নগঁছিয়ান



১৯৯৮-১৯৯৯ বৰ্ষ

সম্পাদিকা ঃ অৰ্চনা বৰা

# সূচীপত্ৰ


* নগ'চিয়ান উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী
* সম্পাদনা সমিতি, কৃতজ্ঞতা স্বীকাৰ
* শ্ৰদ্ধাঞ্জলি
* কলেজ উদ্বোধনী উৎসৱৰ সমবেত সংগীত
* শুভেচ্ছাবাণী
* সম্পাদকীয়
* কৰ্তব্যৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়

**চিন্তাশিল্প ঃ-**

১.যুগল দাসৰ "বায়নৰ খোল" ............ ড° ভৃগু মোহন গোস্বামী ১-৩
২.বিপ্লৱী কাজী নজৰুল ইছলামৰ জন্মশতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি ....... শ্ৰী মনীষা ভট্টাচাৰ্য্য ৪-৬
৩. বিজ্ঞানীৰ মানৱ সমাজলৈ সকিয়নি ............ শ্ৰী হৃদয়ানন্দ শৰ্মা বৰুৱা ৭-১০
৪. "শিক্ষা সংস্কাৰ" আৰু "হিন্দুত্ব" ............ শ্ৰী দীপাংকৰ ভট্টাচাৰ্য্য ১১-১২
৫. নিউক্লীয় শক্তি আৰু পৰিবেশ প্ৰদূষণ ............ শ্ৰী নিপন চাংকাকতি ১৩-১৫
৬. ড্ৰাগছ ............ শ্ৰী অৰ্চনা বৰা ১৬-১৮
৭. ৰহস্যময়ী মংগল গ্ৰহ ............ শ্ৰী চানক্য দাস ১৯-২০
৮. অসমীয়া সমাজত প্ৰচলিত সাজপাৰ আৰু অলংকাৰ ....... শ্ৰী বিজয়া কলিতা ২১-২৩
৯. প্ৰাচ্য সাহিত্যিক ড° সতেন্দ্ৰ নাথ শৰ্মাৰ জীৱনী ........... শ্ৰী প্ৰতিভা কলিতা ২৪

**কথাশিল্প ঃ-**

১. বিদায় ............ ড° দুৰ্গেশ্বৰ শৰ্মা ২৫-২৭
২. এজনী নতুন ছোৱালী ............ শ্ৰী নীলাক্ষি বৰুৱা ২৮-২৯
৩. অব্যক্ত বেদনা ............ শ্ৰী সমীন বেজবৰুৱা ৩০-৩৩
৪. ৰাজনীতিৰ নিচা ............ শ্ৰী গিৰিন্দ্ৰ নাথ ৩৪-৩৬
৫. বিৱৰ্তন ............ শ্ৰী মলয়া বৰা ৩৭-৩৮
৬. প্ৰতিশ্ৰুতি ............ শ্ৰী জিন্তী বৰুৱা ৩৮-৩৯
৭. অসীমৰ সীমা বিচাৰি ............ শ্ৰী বিৰাজ কুমাৰ বৰা ৪০-৪৪
৮. মঞ্জৰী ............ শ্ৰী ৰঞ্জন হাজৰীকা ৪৫-৪৬

**কবি শিল্প ঃ-**

১. শীতৰ বতৰ ............ শ্ৰী সমীন বেজবৰুৱা ৪৭
২. মৰমৰ 'মা' লৈ ............ শ্ৰী ৰাজশ্ৰী কলিতা ৪৭
৩. জীৱনৰ পাপৰি ............ শ্ৰী বণিতা বড়ো ৪৭
৪. মোৰ জীৱন............দুখবোধৰ মৰীচিকা .......... শ্ৰী শৰৎ দাস ৪৮
৫. গৰুৰ আত্মকথা ............ শ্ৰী মনজুন বড়ো ৪৮

৬. কবিতাৰ গৰ্ভত কেচা সপোন ........................ শ্ৰী ৰাজীৱ বৰুৱা ৪৯
৭. এমুঠি সাঁথৰ ........................ শ্ৰী নীলাক্ষি বৰুৱা ৪৯
৮. নিবনুৱা ........................ শ্ৰী নিতু শইকীয়া ৫০
৯. কাৰ বাবে কবিতা ........................ শ্ৰী অৰ্চনা বৰা ৫১
১০. শীতৰ বতৰ ........................ শ্ৰী চন্দামিতা শৰ্মা ৫১
১১. দুঃ সময় ........................ শ্ৰী মনজুন বড়ো ৫২
১২. বঙিলী লুইত ........................ শ্ৰী বপ্লিত দাস ৫২
১৩. শীতৰ বতৰ ........................ শ্ৰী লিপিকা শৰ্মা ৫৩
১৪. জাগ্ৰত জনতা ........................ শ্ৰী কমলানন্দ বৰুৱা ৫৩
১৫. কল্পনাৰ আশ্ৰিত দুটি নয়ন ........................ শ্ৰী অঞ্জন দাস ৫৪
১৬. প্ৰেম পূজাৰী ........................ শ্ৰী গীতুমনি দাস ৫৪
১৭. বসন্তৰ আগমনে ........................ শ্ৰী নিভা দাস ৫৫
১৮. সোৰৱণ ........................ শ্ৰী নৰকিশোৰ নাথ ৫৫
১৯. জীৱন মানে সংগ্ৰাম ........................ শ্ৰী দীপিকা ৰায় মেধী ৫৬
২০. হে কাৰ্গিলৰ বীৰ জোৱান সকল ........................ শ্ৰী দিপ্তী দাস ৫৬
২১. অতীত ........................ শ্ৰী গনেশ নাথ ৫৭
২২. কবিতা ........................ শ্ৰী নিপন চাংকাকতী ৫৭

**খেমেলীয়া দুফাঁকিমান ঃ** ৫৮-৬৩

**মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ** ৬৪-৭১


**ENGLISH SECTION :**

Contents :


1. About Euro ........................ Prof. Bhairab Ch. Sarmah 72-73
2. The Dress and Ornaments of the "Nishi Tribe" of Arunachal Pradesh. ......... Binita Singha 74-76
3. Problem of Insurgency in India ........... Archana Borah 77-79
4. On Learning English ........................ Prof. K.P. Ganguly 80-84
5. One Day in the 21st Century ............ Tarpan Lekharu 85-86
Poem : Yet, I do Dream ........................ Jewellers Bania 84
Executive Body of the Union 1998 - 99 .. 87
Editorial Board 1998 - 99 ........................ 88
Glimpses of our College 1998 - 99 .......... 89-90
Secretarial Report ........................ 91-92
North Guwahati College Teaching and Non-Teaching staff. 93-94






# নগ'চিয়ান

## উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী


দ্বাদশ সংখ্যা

১৯৯৮-৯৯



সম্পাদিকা

শ্ৰীঅৰ্চনা বৰা (মিলি)

## : সম্পাদনা সমিতি :

সভাপতি : শ্ৰীযুত ধীৰেন্দ্ৰ নাথ কলিতা
উপসভাপতি : অধ্যাপক শ্ৰীমৃগেন্দ্ৰ নাথ ডেকা

### তত্বাবধায়ক :

অধ্যাপক শ্ৰীযতীন্দ্ৰ চৌধুৰী
অধ্যাপক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ কাকতি
অধ্যাপক শ্ৰীভৃগু মোহন গোস্বামী
শ্ৰীঅৰ্চনা বৰা (আলোচনী সম্পাদিকা)

### সদস্য :

অধ্যাপক শ্ৰীভূপেশ দাস
অধ্যাপক শ্ৰীপৰেশ বৰা
অধ্যাপিকা শ্ৰীৰুণুমী দেৱী
অধ্যাপিকা শ্ৰীদীপ্তিৰাণী শইকীয়া
শ্ৰীধৰ্মেন্দ্ৰ বৰুৱা (সাধাৰণ সম্পাদক)
শ্ৰীৰাজীৱ বৰুৱা (উপসভাপতি উ.গু.ম.ছা.এ.সভা)
শ্ৰীনৰ কিশোৰ নাথ
শ্ৰীডেইজী ৰাণী বৈশ্য

### : বেটুপাত :

শ্ৰীপ্ৰহ্লাদ বৰুৱা

### : আলোকচিত্ৰ :

দিগন্ত বৰদলৈ

### : মুদ্ৰণ :

কমাৰ্চিয়েল চাৰ্ভিচেচ
জি.এছ. ৰোড. ছয়মাইল, গুৱাহাটী-২২
ফোন-৩৩০৪৯১

### : কৃতজ্ঞতা স্বীকাৰ :

ভাবপ্ৰাপ্ত অধ্যক্ষ
শ্ৰীধীৰেন্দ্ৰ নাথ কলিতা
অধ্যাপক শ্ৰীভৃগু মোহন গোস্বামী
অধ্যাপক শ্ৰীঅনুপম ঠাকুৰীয়া
অধ্যাপক শ্ৰীতাৰিণীকান্ত হালৈ
অধ্যাপিকা শ্ৰীপ্ৰতিমা বৰুৱা
ড. দুৰ্গেশ্বৰ শৰ্মা
অধ্যাপিকা শ্ৰীসন্ধ্যা দাস

ধৰ্মেন্দ্ৰ, সৌৰভ, প্ৰাঞ্জল, বাদল, দীপাঙ্কৰ ভট্ট, নিপন, বিকাশ, দীপাংকৰ, নৰ, অঞ্জনা, বিতুপন, নিতু, ক্ষীৰদা, লোকেন্দ্ৰ, মেঘজ্যোতি, গিৰীন্দ্ৰ, বিকি, ৰাজু, হৃদয়ানন্দ, ডেইজী, চন্দনা, ববিতা, দুলু, পূৰ্ণিমা, ৰাজীৱ, শৰৎ, কমলেশ্বৰ আৰু গীতুলৈ।





# শ্ৰদ্ধাঞ্জলী



আমাৰ দেশৰ বাবে কাৰ্গিলত শত্ৰু সৈন্যৰ লগত যুঁজ দি প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ লগতে সমাজ, শিক্ষা-সংস্কৃতি আৰু অস্তিত্ব ৰক্ষাৰ বাবে যি সকলে বহুমূলীয়া অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা চিৰ দিনৰ বাবে আতৰি গ'ল সেইসকল বীৰ শ্বহীদৰ পূণ্য স্মৃতিত আমাৰ কৃতজ্ঞ প্ৰাণৰ শ্ৰদ্ধাঞ্জলী যাচিছোঁ।

"হে অমৰ সেনানী
তুমি ভাৰতৰ গৌৰৱ
তোমাৰ প্ৰতিটোপাল তেজত পালো
নিভাঁজ দেশ প্ৰেমৰ চৰম নিদৰ্শন
কাৰ্গিলৰ শিখৰে শিখৰে উকৰাইছো
তোমাৰ বীৰত্বৰ নিচান
হে বীৰ জোৱান
তুমি ভাৰতী আইৰ
যোগ্য সন্তান।"

"মৃত্যুঞ্জয়ী আমি অসমীয়া মহাজাতি
নোৱাৰে ৰুধিব এই দুৰ্বাৰ গতি
শত শ্বহীদৰ ৰক্ত তিলক পিন্ধি
আগুৱাও সৃষ্টিৰ দুষ্কৃতি নাশি
আমি প্ৰগতিৰ পথে হও অগ্ৰগামী।"

## কলেজ উদ্বোধনী উৎসৱৰ সমবেত সংগীত

ইং-১৯৬২

বচনা : মনীন্দ্র কুমাৰ বৰুৱা
( প্ৰাক্তন অধ্যক্ষ )

আজি লুইতৰ বুকু উজলিল
আজি নিবাশাৰ ডাৱৰ গুচিল,

বিজুলীৰ চমকে আজি সুৰুজে মাৰিলে হাঁহি
জেউতিৰ বসুধা ভৰিল
অগনন নৰ-নাৰী যুগৰ ডাৱৰ ফালিল
সুন্দৰ জাগ্ৰত প্ৰাণ,
আজি এই পাৰতে আশাৰ চাকিটি জ্বলে
বাজি উঠে মিলনৰ গান,
মহা মহা জীৱনৰ মহান আশীস বাণী
বৰষিছে আজি ঘনে ঘনে
জ্ঞানৰ প্ৰদীপ জ্বলি দশোদিশে পোহৰাই
বসুধাত তোলে আলোড়ন।
প্ৰলয়ৰ ঝংকাৰ নাই আৰু হাহাকাৰ
সুশোভিত নন্দ কানন
কানাইৰ বাঁহীৰ ধ্বনি শুনো আজি বিণি বিণি
সুৰমগ্ন হ'ব গিৰিবন।
বজাৰ দুৱাৰ আজি উলাহতে মেল খালে
বজা ঘৰে টোপনি ভাগিলে,
বংমহলত আজি, বঙৰ নিজৰা বয়
শৰাইঘাটেও সাৰ পালে।
প্ৰাগজ্যোতিষপুৰ জ্ঞানৰ আকাৰ তুমি
ইতিহাসে ক'ব বিঙিয়াই
পঞ্চতীৰ্থ ভূমি সুশোভিত হ'ল আজি
থাপনাৰ বন্তি জ্বলাই।

*****





## শুভেচ্ছা বাণী

গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী - ৭৮১০১৪

ড° হীৰালাল দুৱৰা,
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়
দিনাংক : ২৬/১১/৯৯

প্ৰিয় সম্পাদিকা,

জাতি-গঠনৰ প্ৰক্ৰিয়াত কলা-কৃষ্টিলৈ আগবঢ়োৱা আৱদানে সদায়ে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰত্যেক ব্যক্তি, অনুষ্ঠান আৰু সমাজৰ বিভিন্ন চিন্তাধাৰা প্ৰকাশ কৰি সবল জনমত গঢ় দিয়াত আলোচনী সমূহৰ দায়িত্ব গুৰুত্বপূৰ্ণ। এনে মহৎ প্ৰচেষ্টা ফলৱতী কৰাত সম্পাদক সকলৰ গুৰু দায়িত্ব অনস্বীকাৰ্য। সমাজ আৰু দেশৰ প্ৰগতিত আলোচনী সমূহে সদায়ে বলিষ্ঠ নেতৃত্ব দি যাওক তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

( হীৰালাল দুৱৰা)

# সম্পাদকীয়

আমাৰ চিন্তাবোৰ.....................

বৃহৎ স্বাৰ্থত মানুহৰ চিন্তাধাৰাই কেতিয়াবা সক সক সমস্যাক আওকান কৰিব লগীয়া হয়। কিন্তু এনেবোৰ সমস্যাইও মানুহক কেতিয়াবা হতাশা আনি দিয়ে। সমস্যাবোৰ যদি উচ্চ চিন্তাৰ প্ৰতিবন্ধক হয় তেতিয়া যি কোনো মানুহ বিপাঙত পৰে। কিবা এটা স্বাৰ্থত এজন মানুহে যেতিয়া নিজকে নিয়োগ কৰে, এনে সময়ত যদি তেওঁক আৰম্ভণিতেই সক সক কথাৰ আঁত বিচাৰি সমস্যাত পেলাবলৈ চেষ্টা কৰা হয় তেতিয়া সেইজন মানুহৰ যিকোনো স্বাৰ্থৰ প্ৰতি অনুপ্ৰেৰণাৰ অভাৱে থিয় দিয়ে। প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীৰ বাবে এনেবোৰ কথা বৰ ভয়ংকৰ হয়। কলি অৱস্থাতেই তেওঁলোকৰ প্ৰতিভাকলৈ কৰা সমালোচনা, তাচ্ছিল্য, অনুৎসাহ আনি দিয়ে। ঘৰুৱা পৰিবেশ, শৈক্ষিক বাতাবৰণ, পথ-পদৰ্শন এই কথা কেইটাৰ ওপৰত একোজন লোকৰ চিন্তা-নীতি, কাৰ্যকলাপৰ ধাৰা বহুপৰিমাণে নিৰ্ভৰ কৰে। উচ্চ-চিন্তা সম্পন্ন অথচ অভিজ্ঞতাৰ অভাৱ সম্পন্ন লোকৰ সংখ্যা আমাৰ কম নহয়। দায়বদ্ধতাক ভেঁটি কৰি সমাজত বহুলোকৰ চিন্তানীতি আদৰ্শ গঢ় লৈ উঠে। এনে সময়ত উচ্চ চিন্তা, আদৰ্শ সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ কাৰ্যকলাপত, দৃষ্টিভংগীত আৰম্ভণি অৱস্থাত কোনো ভুল হৈ যাব পাৰে -ই স্বাভাৱিক। সেই কাৰণে এনে লোকক সমালোচনাৰ গৰাহলৈ ঠেলি নিদি তাক সজাই পৰাই লাগতিয়াল খিনি গ্ৰহণ কৰি ভুলখিনি গঠনমূলক উপদেশেৰে ব্যক্তিজনক (ছাত্ৰ) উৎসাহিত কৰাটো নিতান্তই প্ৰয়োজনীয়। অন্যথাই আমাৰ সমাজত উচ্চ চিন্তাসম্পন্ন ছাত্ৰৰ অভাৱে পিছ নেৰিব।

গনতান্ত্ৰিক দেশ ভাৰতবৰ্ষত প্ৰতিজন ব্যক্তিৰে মুকলি মুৰীয়াকৈ চিন্তা, সমালোচনা, গঠনমূলক আৰু আগবঢ়াব পৰা ব্যক্তি স্বাধীনতা আছে। সাম্প্ৰতিক অসমত সাম্প্ৰদায়িক সংঘৰ্ষ, সন্ত্ৰাসবাদ, বিভাজন, স্বকীয় অস্তিত্ব বিনাশ আদি নীতিগত ভাৱে গঢ় লৈ উঠা সমস্যাবোৰ ব্যক্তি স্বাধীনতাৰ কু-ফল। অৰ্থনৈতিক, ৰাজনৈতিক, লাভালাভৰ বাবে কেতবোৰ মুখাপিন্ধা নেতাৰ প্ৰকোপে আমাৰ গাঁৱলীয়া সহজ সৰল মানুহখিনিৰ স্বাধীনতাক হৰণ কৰি নিছে। সময়ৰ বিহুগুটি, গনতন্ত্ৰৰ ভেকোভাওনা পতা বৰ্তমান সমাজৰ উচ্চ আসন প্ৰাপ্ত এই দুৰ্নীতি গ্ৰস্ত শোষণকাৰী নেতাসকলে ৰাইজৰ স্বাধীনতাক হৰণ কৰিবলৈ বিভিন্ন ৰূপ লৈ আগমন হয়। তেওঁলোকৰ চিন্তাধাৰা, কাৰ্যকলাপক আজিৰ সমাজে চকু দিবৰ সময় হ'ল।

সময়ৰ দুৰ্বাৰ গতিয়ে সৃষ্টি কৰা ভিন্ন উদ্দেশ্যধৰ্মী যুৱ সংগঠনবোৰে অসমৰ ৰাজনৈতিক, আৰ্থ-সামাজিক দিশটোৰ কথা চিন্তা কৰাৰ লগতে সমাজত বুদ্ধিজীৱি, উচ্চ চিন্তা সম্পন্ন, সাহিত্যানুৰাগী, গীতিকাৰ, শিল্পীৰ জন্ম দিয়াৰ কথাও চিন্তা কৰিবৰ হ'ল। দিনে দিনে হ্ৰাস হৈ যাব ধৰা নৈতিকতাৰ কথা আজিৰ যুৱ সমাজে চিন্তা কৰাৰ সময় আহিল। খেতিয়ক ৰাইজৰ দৃঢ় মনোবল, ছাত্ৰ-ছাত্ৰী সকলৰ উচ্চাকাংখী মনোবৃত্তি, সুস্থ মানসিকতা, সুস্থ নৈতিকতাৰ... অন্যথাই অসমৰ ৰাইজ অসমৰ মাটিতেই ভগনীয়া হ'ব ইয়াৰ বিকল্প নাই।

ক্ষমতাক লৈ হেঁতা-ওপৰা, কেৱল ৰাজনীতিৰে পৰিচালিত কৰিব বিচৰা এইসকল (কি অ গ প, কি কংগ্ৰেছ, কি ৰাষ্ট্ৰীয় মৰ্চা) মুখাফুটা নেতাৰ প্ৰকোপে আমাৰ মানুহৰ জীৱনটোক বিকলাঙ্গ কৰি পেলাব। ক্ষমতাৰ প্ৰলোভনত মানুহৰ মাজত ধৰ্মীয় সাম্প্ৰদায়িক, জাতিবৰ্ণৰ বিভাজনৰ কু-চক্ৰান্ত কেৱল আজি ৰাজনৈতিক নেতা সকলৰেই কাৰবাৰ। আমাৰ জীৱনটোও যেন আজি ৰাজনৈতিক নেতাৰ






ওপৰতহে নিৰ্ভৰ কৰিছে। আমাৰ সমস্যাবোৰ যেন কাৰোবাৰ ধনৰ টোপোলা-মৃত্যু এটা হাঁহি মাথোন। কেৱল কান্ধত নাঙল লৈ পথাৰলৈ যোৱাৰ চিন্তা থকা সহজ সৰল মানুহক ৰাজনীতিৰ বিষেৰে হৰণ কৰিব খোজা নেতা খিনিক আমি এতিয়া চিনি ল'বৰ হ'ল।

শিক্ষানুষ্ঠানৰ শৈক্ষিক বাতাবৰণৰ প্ৰতিবন্ধকতাৰ বাবে সৃষ্ট বিভিন্ন সমস্যাৰ সন্মুখীনৰ হেতুকে মোৰ কাৰ্য্যালয়ৰ কোনোবা খিনিত ভুল হৈ যাব পাৰে; তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

পৰৱৰ্তী সম্পাদক সকল, ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ বিশেষ অনুৰোধ -আপোনালোক প্ৰতিজনেই নিজে জানে আমি কিমান অসুবিধা ভোগ কৰি আছো। যদি আপোনালোকে একতা বজাই ৰাখি একেমুখে চিঞৰে নিশ্চয় সফল হ'ব বুলি মোৰ ধাৰণা; কিন্তু যদি ছাত্ৰী -জিৱনি কোঠাৰ কামবোৰ অকল ছাত্ৰী-জিৱনী কোঠাৰ সম্পাদিকাৰ বা ল'ৰাৰ জিৱনী কোঠাৰ কামখিনি ল'ৰাৰ জিৱনীকোঠাৰ সম্পাদকৰহে, আমাৰ নহয় বুলি যদি গা এৰাদি ফুৰে তেতিয়া হ'লে আপোনালোক কেতিয়াও সফল হ'ব নোৱাৰিব। কাৰণ সকলো কাম অকল সাধাৰণ সম্পাদক বা আন কোনো সম্পাদকে অকলে কৰিব নোৱাৰে। যদি আমাৰ মাজত একতা থাকে আমি নিশ্চয় সফল হ'ম। আমাৰ প্ৰাপ্য খিনি পোৱাৰ বাবে আমি কাজিয়া বা আন্দোলন কৰিব নালাগে; কৰিব লাগিব ঐক্যবদ্ধভাৱে দাবী আৰু আদায়ৰ বাবে বিকল্প পথ।

আলোচনী এখন সম্পাদনা কৰাটো বৰ সহজ নহয়। তাতে আকৌ যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে আৰু কঠিন হৈ পৰে। ময়ো সেইদৰে অনভিজ্ঞ। তথাপিও এখন পূৰ্ণাংগ আৰু উন্নত মানৰ আলোচনী প্ৰকাশৰ বাবে যত্ন আৰু চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু মাত্ৰ ২২ পেজাৰ টকাৰে এখন মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ কৰাটো আজিৰ যুগত সম্ভৱপৰ নহয়। এই কথাটো কৰ্তৃপক্ষই মন দিয়া উচিৎ। তথাপিও এখন পূৰ্ণাংগ আলোচনী প্ৰকাশ কৰাত কিমান সফল হৈছো নাজানো; যদিও অসফল হব লগা হৈছে তাৰ একমাত্ৰ কাৰণ কৰ্তৃপক্ষৰ অমনোযোগিতা, অৱহেলা আৰু আওকণীয়া মনোভাৱৰ বাবে। কৰ্তৃপক্ষৰ উদাৰ মনোভাৱ অবিহনে পূৰ্ণাংগ আলোচনী ও শিক্ষানুষ্ঠানৰ উন্নতিৰ চেষ্টা অসাধ্য।

ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ এটা অনুৰোধ -শিক্ষানুষ্ঠানৰ চৌহদত শালীনতা তথা সৌজন্যতা ৰক্ষা কৰি নিজকে এজন উপযুক্ত ছাত্ৰ-ছাত্ৰী বুলি পৰিচয় দিয়াটো আমাৰ কৰ্তব্য। মিটিং বা আন্দোলন বা অনুষ্ঠান আদি কাৰ্য্যসূচীত ব্যৱস্থাৰ অনুৰোধ কৰি মাতি আনিব লগীয়া ছাত্ৰ-ছাত্ৰী বৃন্দলৈ অনুৰোধ -আপোনালোকে ""দায়িত্ব"" কথাষাৰৰ প্ৰতি লক্ষ্য ৰাখে যেন।

ভুলৰ ক্ষমা বিচাৰাতকৈ ভুলৰ পুনৰাবৃত্তি নকৰাৰ অংগীকাৰতহে অধিক গুৰুত্ব দিও। গতিকে যি খিনি ভুল ভ্ৰান্তি, কুৰুচিপূৰ্ণ তাৰ দায়িত্ব এই সম্পাদিকায়েই বহন কৰিব লাগিব আৰু সাহিত্যৰ দিশত নিজৰ অনাভিজ্ঞতাৰ বাবে মাৰ্জনা বিচাৰি এই মহাবিদ্যালয় লসচা অৰ্থত উৎকৰ্যতাৰ কেন্দ্ৰ হওক তাৰে কামনা কৰো।

সদৌ শেষত আমাৰ শিক্ষানুষ্ঠানৰ ভৱিষ্যত উন্নতি কামনাৰে আৰু শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, কৰ্তৃপক্ষ আৰু কৰ্মচাৰী সকললৈ মোৰ শুভেচ্ছা আৰু শুভ কামনাৰে সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে-
শ্ৰীঅৰ্চনা বৰা
আলোচনী সম্পাদিকা



কৰ্তব্যৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়



উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

# যুগল দাসৰ "বায়নৰ খোল"

ড.ভৃগুমোহন গোস্বামী

শিল্প ভাস্কৰ যুগল দাসৰ "বায়নৰ খোল" নতুন কলা কৌশল খটুৱাই লিখা এখন সামাজিক নাটক। নাটকখন পৰম্পৰাই সমাজত সৃষ্টি কৰা সংঘাতৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। ভাওনাৰ ঠাইত যেতিয়া থিয়েটাৰে ঠাই লৈছিল, নাৰী চৰিত্ৰৰ ঠাইত যেতিয়া থিয়েটাৰে ঠাই লৈছিল, নাৰী চৰিত্ৰৰ ঠাইত ভাৰত পুৰুষে নাৰীৰ ভাও আৰু নাৰী চৰিত্ৰৰ ঠাইত যেতিয়া পুৰুষে ভাও লোৱাৰ যি সংগ্ৰাম চলিছিল এই সংকটকে লৈ নাট্যকাৰে কাহিনীটো যুগুত কৰিছে।

নাট্যকাৰে যে পৰম্পৰাৰ প্ৰতি অন্ধ নহয় সেই কথা 'নাট্যকাৰৰ এষাৰ'টো কৈছে, "দেশৰ পৰম্পৰাগত কলা সংস্কৃতিয়েই একোখন দেশৰ পৰিচয় পত্ৰ। পৰম্পৰা গোড়ামি নহয়। পৰম্পৰা স্থিতিশীল নহয়, ই বোঁৱতী সুঁতি। ই সময়ৰ ধাৰ কাটি আগুৱাই যায়।"

'বায়নৰ খোল'ত নাৰী চৰিত্ৰ কেৱল তগৰ। তাৰ বাহিৰে এই সকল পুৰুষ চৰিত্ৰ আছে- বায়ন, গায়ন, মেধি, পাঠক, গাঠলু, সাতোলা, জয়ৰাম, বৰকত গাওঁবুঢ়া, ইছলাম, কন্দুৰা, খগেন, মাষ্টৰ ইত্যাদি।

একোখন আদৰ্শ গাঁৱৰ নামঘৰত গুৰুসকলৰ তিথিত ভাওনা এখন পতা এটা পৰম্পৰা আছিল। বায়ন, গায়নে এই ক্ষেত্ৰত আগ স্থান লৈছিল। "মাতৰলী গায়ন, বহুৰলী বায়ন " বুলি প্ৰবাদ আছে। নাট মেলা আৰু নাট সামৰা এটা প্ৰথা আছিল। কিন্তু পাশ্চাত্যৰ আৰ্হিত যেতিয়া থিয়েটাৰ আমাৰ সমাজত সোমাল তেতিয়া আধুনিক শিক্ষাৰে শিক্ষিত হোৱা যুৱক-যুৱতী সকলৰ থিয়েটাৰৰ প্ৰতি ধাউতি বাঢ়িল। চহৰত আবিৰ্ভাৱ হোৱা থিয়েটাৰ গাঁৱবোৰতো সোমাল। নতুন চাম যুৱক-যুৱতীৰ ভাওনাৰ প্ৰতি অনুৰাগ কমি আহিব ধৰিলে। এই সময়ত বয়সে ভাটি দিয়া বায়ন, গায়ন, মেধি, পাঠক, সাতোলা এই সকলৰ মনৰ গতি বুজা যুৱক-যুৱতীৰ অভাৱ হ'ল। তাৰ ফলত সচেতন বয়সীয়াল সকলৰ মনত সংঘাতে আহি দেখা দিলে। গাঁৱৰ নামঘৰ কাটি হৈ পৰিলেও তাৰ খবৰ লোৱা নতুন পুৰুষৰ অভাৱ হ'ল। নামঘৰৰ সলনি গাঁৱে গাঁৱে নতুনকৈ স্কুলঘৰ বোৰ ঠন ধৰি উঠিল। থিয়েটাৰৰ আখৰা নাম ঘৰৰ সলনি স্কুল ঘৰতে হ'বলৈ ধৰিলে। এনেবোৰ ঘটনাৰ সংমিশ্ৰণত যুগল দাসৰ 'বায়নৰ খোল' নাটকৰ কাহিনী জীপ লৈ উঠিছে।

নাটকখনৰ কাহিনীমতে আনবোৰ গাঁৱত থিয়েটাৰ হলেও সোনালীপাম গাঁৱত থিয়েটাৰ সোমোৱা নাছিল-বছৰেকীয়া তিথিত ভাওনাহে হৈছিল। বায়নে সূত্ৰধাৰীৰ ভংগীত; ৰামবিজয় নাটকৰ শ্লোক এটি গাই নৃত্য কৰি নাটকৰ কাহিনী উপস্থাপন কৰে। বায়নে খোলত চাপৰ দিবলৈ ললে গাত হুঁচ নোহোৱা হয়। গাত কিবা কালিকা চৰে। সেয়ে বায়নৰ জীয়েক তগৰক তেওঁ কয়, "আমি খোল বজাবলৈ ললে আৰু খোলৰ সতে কথা পাতো। তঁহতে তাৰ ৰহস্য কিটো পাবি।" বায়নে অকলে খোল বজায়; লগত কোনো নাই। জীয়েক তগৰক ধৰিবলৈ চহৰত কিছু পশ্চিমীয়া শিক্ষা লৈ ঘূৰি অহা অৰ্দ্ধশিক্ষিত জয়ৰাম আছে। জয়ৰামৰ আগত বায়নৰ জীয়েক তগৰে দেউতাক বায়নৰ বিষয়ে কয়, "ভাওনা হওকেই বা নহওকেই তিথিৰ দিন চমু চাপি অহাৰ লগে লগে আৰু সময় অসময় নোহোৱাকৈ খোল চপৰিয়ায়ে থাকিব।"

ভাওনা কৰা মানুহৰ সংখ্যা দিনে দিনে কমি আহিব ধৰিলে; কিন্তু ডেকাসকলে ভাওনা পতাৰ উমঘাম নেদেখি থিয়েটাৰ পাতিবলৈ ওলায়। বায়নৰ জীয়েক তগৰক এই থিয়েটাৰত কৰিবলৈ লোৱা "সীতা সয়ম্বৰ" নাটকত সীতাৰ বচন লবলৈ জয়ৰামে

তাইৰ অনুমতি বিচাৰি বায়নৰ ঘৰ পায়। ভাওনাৰ কথা দূৰৈৰ কথা থিয়েটাৰটো ছোৱালীয়ে বচন লোৱা এটা সময়ত ভাবিব নোৱাৰা কথা আছিল। তাতে আকৌ বায়নৰ জীয়েকে থিয়েটাৰত বচন লব! ই অতি আচৰিত কথা। সেয়ে জয়ৰামক তগৰে জনালে "ছোৱালীয়ে থিয়েটাৰত বচন লব লাগিব? তাকো ল'ৰাখনৰ লগত? আও মই নোৱাৰো পাই। বাপ জনমত নকৰা কাম। পিতায়ে শুনিলে চোঁচৰাই নি নামদাঙৰ হাবিত এৰি দি আহিবগৈ।" সহ-অভিনয় কৰা এটা সময়ত আচৰিত কথা আছিল। থিয়েটাৰ কৰা ছোৱালীক বেয়া চকুৰে চাইছিল।

জয়ৰামে বায়নৰ জীয়েক তগৰক "সীতা সয়ম্বৰ" নাটকত সীতাৰ ভাও লবলৈ সম্মত কৰায়। কিন্তু তগৰে পিতাকৰ পৰা থিয়েটাৰত বচন লবলৈ সম্মতি বিচৰাত কৈ উঠিল,"তই থিয়েটাৰ কৰিবি- বায়নৰ জীয়েকে, তাকে আকৌ বছৰেকীয়া তিথিত - হয়নে?

ন-হ-ৰ । "সোনালীপাম গাঁৱত থিয়েট্ৰৰ সোমাব নালাগে। মোৰ জীৱন্ত কালত এই অপকৰ্ম হবলৈ মই দিব নোৱাৰোঁ।" বায়নে আকৌ কৈ উঠিছিল, "মই থিয়েট্ৰৰ পাতিব নিদিম, মই ভাওনা পাতিম, মোৰ সাতামপুৰুষীয়া ভাওনা........।"

নাটকৰ দ্বিতীয় খণ্ডত বাইজৰ মেল। নামঘৰৰ অৱস্থা দিনক দিনে শোচনীয় হৈ পৰিল । মাষ্টৰে মেলত সেয়েহে কৈছিল, 'আমি এতিয়া গাঁৱৰ আৰু এটা অতি দৰকাৰী কথালৈ আহোঁ । আমাৰ কাটি হৈ থকা বৰ নামঘৰটোৰ কিবা এটা দিহা কৰিব লাগে ।'

ৰবকত গাঁৱৰ গাওঁবুঢ়া । ৰবকতে নামঘৰৰ আলোচনাত থাকিলে কোনোবাই বেয়া পাব পাৰে বুলি মেলৰ পৰা উঠি যাবলৈ ওলোৱাত মাষ্টৰে তেওঁৰ কিবা অসুবিধা হব নেকি বোলাত ৰবকতে ঠিকেই কৈছিল,'বাইজে অসুবিধা নাপালে, মোৰ একো অসুবিধা নহয়, মাষ্টৰ । মছজিদো গাঁৱৰ, নামঘৰো গাঁৱৰ ।'

ৰবকতক মাষ্টৰে নামঘৰত কিবা এপদ বস্তু আগবঢ়াবলৈ বোলা প্ৰশ্নৰ উত্তৰত কৈছিল, ".....বাইজে গ্ৰহণ কৰিলে আগবঢ়াবলৈ মই বৰ আনন্দ পাম । ইয়াৰ কাৰণো আছে, কিয়নো গাঁৱৰ মছজিদ সাজোতে তিতাৰাম ঠিকাদাৰে এক নম্বৰী ইটা এক লৰি দান দিছিল।"এইদৰে হিন্দু মুছলমানৰ মাজত থকা সম্প্ৰীতিও নাট্যকাৰে ফুটাই তুলিছে। ৰবকতে তেওঁৰ বাৰীৰ এশ ভলুকা আৰু এশডাল জাতি বাহঁ নামঘৰলৈ আগবঢ়ালে। মেধিয়ে উলুখেৰ আঠো হাজাৰ দিবলৈ ওলাল। পাঠকে নামঘৰৰ চটি মাৰলিৰ বাবে যি কাঠ লাগে তাকে দিবলৈ ওলাল। সাতোলাই আধানাও ইকৰাৰ দাম দিবলৈ বিচাৰিলে। নিজৰ মাটি এক চমকা নোহোৱা গাঠলুৱে এক পলা টঙাল দিবলৈ ওলাল। গাঠলুৰ বচনত হাস্যৰসো ফুটি ওলায়। নামঘৰটো হোৱাৰ পথত। মেধিয়ে "তিথি পূৰ্বাপৰ পতাৰ দৰে নীতি নিয়ম সহকাৰে পাতিব লাগিব " বুলি জনালে। পাঠকে "অষ্ট প্ৰহৰে যেতিয়া যিটো কৰা নিয়ম তাক কৰি যাব লাগিব" বুলি মন্তব্য আগবঢ়ালে আৰু জনালে,"তোমাৰ ভাওনা খন, নাট মেলাৰ পৰা নাট সামৰালৈকে ক'তো কিঞ্চিত মানো উনৈছ-বিছ হব নোৱাৰিব।"

বাইজৰ মেলত বায়ন বহুত সময় নিমাত হৈয়ে আছিল। গায়নে তেওঁ নিমাত হৈ থকাৰ কাৰণ সোধাত জনাইছিল,"মোৰ মতে বাইজ, এতিয়ালৈকে সকলো কথা চিজিল মতেই আলোচনা হৈছে। ল'ৰা বুঢ়াৰ এনে যুথ দেখি সন্তোষ পাইছোঁ।" গাওঁ এখনৰ বৈশিষ্ট্য নাট্যকাৰে বায়নৰ মুখেৰে এনেকৈ প্ৰকাশ কৰিছে, "আমাৰ গাওঁ বুলিলে মান সন্মানৰ থলি হ'ল এই তোমাৰ গাঁৱৰ ইচকুলখন, বৰ নামঘৰটো, বৰ মছজিদটো,আৰু তোমাৰ গাঁৱৰ তিথি মহেশ্বৰ, ভাওনা সবাহ, বিয়া-বিহু। গাঁৱৰ আৰু গৌৰৱৰ থলি হ'ল আমাৰ গাঁৱৰ সেউজীয়া পথাৰবোৰ আৰু ঘৰে ঘৰে খট্ খটাই থকা তাঁত শালবোৰ।"

মাষ্টৰে বয়োজেষ্ঠ সকলৰ মনৰ ভাৱ বুজি উঠি ডেকাসকলৰ মনৰ কথা জানিবলৈ বিচাৰে।কন্দুৱা হঁতে "দাৰি-গোফ খুৰুৱাই ভাওনাত মাইকী ভাও লব নোৱাৰো।" বুলি কৈ উঠিল। আনহাতে জিলাত (চহৰত) আজিকালি ভাল-ভদ্ৰ মানুহে ভাওনা নাপাতে নাই। আমাৰ গাঁৱৰ বাইজেহে অতকাল ভাওনা পাতি আহিছে।





কন্দুৱাহঁতৰ ভাওনা পাতিবলৈ লাজ লগা হ'ল। গাঁৱে গাঁৱে থিয়েটাৰ পতাৰ দৰে সোনালীপাম গাঁৱতো ভাওনাৰ ঠাইত থিয়েটাৰ পাতিবলৈ ওলাল। ইছলামো তাৰে এজন সমৰ্থক। তাৰ গাতো ডেকা ধনি চৰিছে। গায়ন,বায়ন, মেধি, ৰবকত এই বৃদ্ধ সকল ভাওনাৰ সপক্ষে আৰু ডেকাৰ দলটো ভাওনাৰ বিপক্ষে। বায়নে কয়," আমি মৰাৰ পিচত, কোনোবাই থিয়েটাৰ পাতে, বায়স্কোপ পাতে পাতি থাকিব।" বায়নে বিদ্ৰোহৰ ভাৱ লয়। মাষ্টৰে মধ্যস্থতা কৰিছে। মাষ্টৰে নিজেই কৈছে, তেওঁ দুমোজাৰ মানুহ।

মাষ্টৰৰ ওপৰত ভাৰ পৰে গায়ন বায়নৰ মন কোমলোৱাৰ। এফালে ডেকাদলৰ থিয়েটাৰৰ আখৰা আৰু আনফালে বৃদ্ধসকলৰ নামঘৰত ভাওনাৰ আখৰা জয়ৰামহঁতে ভাওনা হোৱাৰ আশা নেদেখিহে তিথিৰ দিনাই থিয়েটাৰ পতাৰ স্থিৰ কৰিলে। মাষ্টৰে জয়ৰামহঁতক সোধে, বাইজৰ ভাওনা চোৱাত মত নে থিয়েটাৰ চোৱাত মত। বাইজৰো সৰহভাগৰ থিয়েটাৰ চোৱাতে মত। অকল ডেকা গাভৰুৰে কথা নহয়, দুই একৰ বাদে বয়সস্থ সকলেও থিয়েটাৰ চাবলৈ মন মেলিছে। এই কথা শুনি মাষ্টৰে গায়নৰ মন কোমলাব পাৰিলে বায়নৰো মন কোমলিব বুলি গায়নক কলে," তুমি ধুকপ জানিবা, ল'ৰাহঁতে বেয়া কাম কৰিলে,-মই ত তা নাই। তোমাক বিশ্বাসমতেহে কৈছোঁ, তিথিত ভাওনাখন পাতক, কিন্তু থিয়েটাৰ খনো হওক ।" জয়ৰামেও গায়নৰ সন্মতি বিচাৰি কলে,"থিয়েটাৰ খন সুকলমে পাতিবলৈ বুঢ়াসকলে আমাক খোলা অন্তৰে আইগা দিব লাগে।"

গায়নে শেষত এই সিদ্ধান্ত ললে,"ভাওনাখন নাম নাচকৈ নমো নমো কৈ হলেও পাতিব লাগিব। ..... দ্বিতীয়তে তিথিৰ দিনাখন ভাওনাহে হব- থিয়েট্ৰৰ পাতিব নালাগে।" গায়ন পুৰণি কলীয়া হলেও এই কথা বুজি পায়, "সময় সলনি হৈছে, দা- দস্তুৰ সলনি হৈছে।...........নিজৰ ৰীতি-নীতি দা- দস্তুৰ সোপাকে জলাঞ্জলি দিলে, আমি ভুচুংপন্থ হব লাগিব। অঁ ক'ৰবাত এৰিবও লাগিব, ক'ৰবাত ধৰিবও লাগিব।"

বায়নে তিথিৰ দিনা ভাওনা পাতিব নোৱাৰি উত্ৰাৱল হৈ পৰে-গাত হুচ নোহোৱা হয়। তগৰে পিতাকৰ অৱস্থা দেখি- থিয়েটাৰ নকৰো বুলি কয়। জয়ৰামেও বায়নৰ আগত কয়,"আমি আৰু গাঁৱত থিয়েটাৰ নাপাতো দেদাই।"

বায়নে শেষত জয়ৰামক এই সিদ্ধান্ত দিছিল,"থিয়েট্ৰৰ কিয় নাপাতিবি? মোৰ কথাতে নাপাতিবানে? থিয়েট্ৰৰ কালিদাসেও পাতিছিল। সেই সুৰীয়া থিয়েটাৰ পাতিবি। কিন্তু গুৰুজনাৰ বছৰেকীয়া তিথিত তহঁতে ভাওনা এখন যেনে তেনে পাতিবি।" জয়ৰামহঁতেও বায়নৰ এই সন্মতি পাই কৈ উঠিছিল,"আমি আগলৈ তিথিত ভাওনহে পাতিম।" জয়ৰামহঁতৰ মুখত এই কথা শুনি বায়নে উচিত মন্তব্যকে দিছিল,"অঁ পাতিবি ভাওনা এখন যেনে তেনে পাতিবি। ভাওনা আমাৰ বাপতি সাহোন, গুৰুজনাই দি থৈ যোৱা বস্তু। ইয়াৰ পৰম্পৰা আছে, মাটিৰ গোন্ধ আছে। লাগিলে ধূলি-মাকতি গুচুৱাই ধুই পখালি লবি।" এইদৰে কাহিনী সমাপ্তিৰ ফালে আগ বাঢ়ে।

'বায়নৰ খোল' নাটকত বায়নে নাটকৰ আৰম্ভনিৰ পৰা শেষলৈ কাহিনীৰ গতি দিছে। গতিকে এই কাহিনীৰ নায়ক বায়ন। উপকাহিনীত জয়ৰাম আৰু নাটকৰ একমাত্ৰ নাৰী তগৰে আগস্থান লৈছে।

যুগল দাসৰ 'বায়নৰ খোল' নাটকত ভাওনাৰ পাচত থিয়েটাৰ সমাজত প্ৰৱেশ কৰোতে সমাজত কিদৰে প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল তাৰ মনোৰম চিত্ৰ এখনি ফুটাই তুলিবলৈ সমৰ্থ হৈছে।

◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈

# বিপ্লৱী কবি কাজী নজৰুল ইছলামৰ জন্ম শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি

শ্ৰীমনীষা ভট্টাচাৰ্য
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

জন্ম শতবাৰ্ষিকীত স্মৰণ কৰিবলৈ লৈছো এজন মহান শিল্পী কাজী নজৰুল ইছলামক। এইজনা মহান ব্যক্তি আছিল একেধাৰে কৱি, গীতিকাৰ, গায়ক, সুৰকাৰ, গল্পকাৰ, প্ৰৱন্ধকাৰ, সৈনিক, সাংবাদিক আৰু ৰাজনীতিবিদ। অবিভক্ত বঙ্গৰ বৰ্দ্ধমান জিলাৰ চুৰুলিয়া গাৱত ১৮৯৯ চনৰ ২৪ মে'ত নজৰুলৰ জন্ম হৈছিল। পিতৃৰ নাম আছিল কাজী ফকিৰ আহমেদ আৰু মাকৰ নাম আছিল জাহেদা খাতুন। পিতৃ কাজী ফকিৰ আহমেদৰ আৰ্থিক অৱস্থা আছিল অত্যন্ত শোচনীয়। সেই পিতৃকো নজৰুলে হেৰুৱাব লগীয়া হৈছিল তেওঁৰ শিশু অৱস্থাতে। ফলত পিতৃহাৰা শিশু নজৰুলে অত্যন্ত দুখ আৰু কষ্টত বাল্য জীৱন কটাব লগীয়া হৈছিল। যিটো বয়সত এজন শিশু পঢ়াশালীলৈ যায় - লিখা পঢ়া শিকিবলৈ সেইটো বয়সত নজৰুল যাব লগীয়া হৈছিল সংস্থাপনৰ আশাত কেতিয়াবা ৰেইলৱেৰ গাৰ্ড চাহাবৰ বাসভৱনলৈ, কেতিয়াবা ৰুটিৰ দোকানলৈ। আনকি ঘৰে ঘৰে তেওঁ বাবুটিৰ কামও কৰিছিল।

ইমান বাধাৰ মাজতো পঢ়াৰ প্ৰতি আছিল নজৰুলৰ প্ৰৱীল ধাউতি। নিজ গাৱঁৰ বিদ্যালয়তে তেওঁ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। তেওঁৰ মেধা শক্তি আছিল অত্যন্ত প্ৰখৰ। ৰুটিৰ দোকানত চাকৰি কৰি থাকোতেই নজৰুলৰ মেধা শক্তিৰ পৰিচয় পাই এজন পুলিচ বিষয়াই তেওঁক লৈ গৈ নিজ জিলাৰ দৰিৰামপুৰ হাইস্কুলত নাম ভৰ্ত্তি কৰি দিয়ে। তাৰ পিছত নজৰুলে ৰাথৰুণ হাইস্কুলত পঢ়িবলৈ যায়। সৰ্বশেষত নজৰুলে অধিক সা-সুবিধা আশা কৰি শিয়াৰ সোলৰাজ হাইস্কুললৈ পঢ়িবলৈ যায়। ইয়াত প্ৰথম অৱস্থাত তেওঁ আশা কৰা মতে একো সুবিধা পোৱা নাছিল যদিওঁ পিছলৈ তেওঁৰ তীক্ষ্ণ বুদ্ধিৰ উমান পাই স্কুল কৰ্ত্তৃপক্ষই বিনা মাচুলে পঢ়াৰ সুযোগ দিলে, হোষ্টেলৰ খৰছো ৰেহাই দিলে আৰু মাহে সাত টকাকৈ বৃত্তি পোৱাৰো ব্যৱস্থা কৰি দিলে। ইয়াত তেওঁ সপ্তম মানৰ পৰা নৱম মানলৈ ডবল প্ৰমোচন পায়। ইয়াতে নজৰুলৰ পঢ়া জীৱনৰ সামৰণি পৰে।

নজৰুল আছিল এজন মহান দেশপ্ৰেমিক। বৃটিছে ভাৰতত বঙালীসকলক সৈন্যবাহিনীত ভৰ্ত্তি কৰোৱা নাছিল। কিন্তু প্ৰথম মহাযুদ্ধৰ কাল ছোৱাত, ১৯১৭ চনত এটা বঙালী ৰেজিমেন্ট খুলিবলৈ বৃটিছ সকলক পৰিস্থিতিয়ে বাধ্য কৰালে। ইয়াত যোগ দিবলৈ দেশনেতা সকলে যুৱক সকলৰ প্ৰতি আহ্বান জনাইছিল। এই ব্যৱস্থা যদিওঁ সাম্ৰাজ্যবাদী বৃটিছৰ অনুকুলেই গৈছিল, তথাপি কিশোৰ নজৰুল ইয়াক দেশপ্ৰেম মূলক কাৰ্য্য হিচাবে ধৰি লৈছিল আৰু দেশৰ মঙ্গলৰ কথা ভাবিয়েই সৈন্যবাহিনীত ভৰ্ত্তি হৈছিল। সৈন্যবাহিনীত নজৰুলে নিজৰ কৰ্ম-পটুতাৰ গুণত প্ৰভূত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু পদোন্নতিও লাভ কৰিছিল। কিন্তু এই বেঙ্গল ৰেজিমেন্ট ১৯২০ চনত বন্ধ হৈ গৈছিল। ইয়াৰ পিছত নজৰুল কলিকতালৈ আহে আৰু ইয়াত তেওঁ সাহিত্য সেৱাত নিজকে ব্ৰতী কৰিলে।

কলিকতাত নজৰুলে বঙ্গৰ শ্ৰেষ্ঠ সাহিত্যিক সকলৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছিল। এই সান্নিধ্যই কাজী নজৰুলক যথেষ্ঠ প্ৰভাৱান্বিত কৰিছিল। নজৰুল আছিল আ-জন্ম কবি। সৈন্য বাহিনীৰ গধুৰ দায়িত্বত থকা দিনৰে পৰা তেওঁ সাহিত্য চৰ্চা কৰিছিল।



উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

তেওঁৰ প্ৰথম কবিতা 'মুক্তি' প্ৰকাশ পায় ১৯১৯ চনত কলিকতাৰ পৰা প্ৰকাশিত বঙ্গীয় মুছলমান সাহিত্য পত্ৰিকাত। এই কাকততে তেওঁৰ 'হেনা' আৰু 'ব্যথাৰ দান' নামৰ গল্প দুটাও প্ৰকাশ পায়। মহান শিল্পী নজৰুলে তেওঁৰ সুন্দৰ লিখনী,সুন্দৰ কবিতাৰে সৰ্ব স্তৰৰ মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ এই জনপ্ৰিয়তাৰ অন্য এটা কাৰণও আছিল। সেইটো হ'ল -নজৰুল আছিল প্ৰাণস্পৰ্শী গায়ক। অন্তৰৰ সকলো দৰদ ঢালি তেওঁ গীত গাইছিল। তেওঁৰ কবিতাত ৰাজনীতি, সমাজনীতি, দেশপ্ৰেম আৰু সমাজবাদৰ তীব্ৰ আভাস পোৱা যায়। বিদ্ৰোহী, কাণ্ডাৰী, হুচিয়াৰ, সৰ্বহাৰা, সাম্যবাদী, হিন্দু-মুছলিম যুদ্ধ,আমাৰ কৈফিয়ৎ আদি কবিৰ উৎকৃষ্ট ৰচনা। বিশেষ বিশেষ উপলক্ষ্যত কবিয়ে বিশেষ বিশেষ কবিতা ৰচনা কৰিছিল। বঙ্গীয় প্ৰাদেশিক কংগ্ৰেছ সন্মিলনৰ বাবে কবিয়ে ৰচনা কৰিছিল 'কাণ্ডাৰী হুচিয়াৰ'। স্বাধীনতাৰ পূৰ্বে দেশত জাত পাত ধৰ্মক লৈ যি বিভেদৰ প্ৰাচীৰ প্ৰতিষ্ঠিত আছিল, ইয়াৰ বিৰুদ্ধে নজৰুলে অসংখ্য প্ৰবন্ধ, কবিতা, গান লিখি সমাজৰ ভেটিটোক জোকাৰি দিছিল। তেওঁ কৈছিল- 'হিন্দু হৈ থাকক, মুছলমান হৈ থাকক, মাথোন এই মহাগগনৰ তলৰ সীমাহীন মুক্তিত থিয় হৈ- মানৱ! তোমাৰ কন্ঠত সেই সৃষ্টিৰ আদিম বাণী উচ্চাৰণ কৰাচোন, কোৱাচোন 'মোৰ মনুষ্য ধৰ্ম', মানৱতাৰ এই মহাযুগত মাথোন এবাৰ গণ্ডী ভাঙি ওলাই আহি কোৱা যে তুমি ব্ৰাহ্মণ নোহোৱা, শূদ্ৰ নোহোৱা, হিন্দু নোহোৱা, মুছলমান নোহোৱা, তুমি মানুহ, তুমি সত্য।

'কাণ্ডাৰী হুচিয়াৰ' কবিতাত তেওঁ লিখিছিল -

"জাতেৰ নামে বজ্জাতি সব জাত জালিয়াৎ খেলছ
জুয়া ছুলেই তাৰ জাত যাবে, জাত ছোলৰ হতেৰ নয়ত মোয়া।"

বলতে পাৰিম বিশ্বধাতা ভগৱানেৰ কোন জাত কোন
ছেলেৰ তাঁৰ লগেলে ছোঁয়া অশুচি হয় জগন্নাথ?
নাৰায়নেৰ জতে যদি নাই,
তাদেৰ কেন জাতেৰ বালাই।"

বিপ্লৱী কবি নজৰুলে বিচাৰিছিল সমাজৰ সামগ্ৰীক পৰিবৰ্ত্তন। পাপ পঙ্কিলতাৰে পূৰ্ণ সমাজখন ভাঙি চিঙি চুৰমাৰ কৰিব খোজে কবিয়ে। সেয়ে তেওঁ "বিদ্ৰোহী" কবিতাত লিখিছে-

"আমি চিৰ দুৰ্দম দুৰ্বিনীত নৃশংস,
মহাপ্ৰলয়েৰ আমি নটৰাজ -
আমি চাইক্লোন, আমি ধবংস
আমি মহাভয় : আমি অভিশাপ পৃথিৱীৰ,
আমি দুৰ্বাৰ
আমি ভেভে কৰি সব চুৰমাৰ।"

নজৰুলৰ সাহিত্যত নাৰী মুক্তিৰ আহ্বান পৰিলক্ষিত হয়। তেওঁ ধৰ্মৰ অনুশাসনেৰে শৃঙ্খলিত নাৰীসকলক মুক্তি আন্দোলনলৈ আগবাঢ়ি আহিবলৈ অনুপ্ৰাণিত কৰিছিল। তেখেতে "নাৰী" কবিতাত কৈছিল - "নাৰীসকলক মই বিদ্ৰোহিনী হবলৈ কওঁ। তেওঁলোকে ভিতৰৰ পৰা দুৱাৰ ধৰি ৰাখি কৈছে, আমি বন্দিনী। দুৱাৰ খুলিবলৈ দুঃসাহসিকা আমি ক'ত?"

এইদৰে নজৰুলে অজস্ৰ কবিতা ৰচনা কৰিচিল। তেওঁৰ কবিতা সমূহ অগ্নিবালা, দোলনচাপা, ছায়ানট, সৰ্বহাৰা, ঝিঙেফুল, সন্ধ্যা, বুলবুল আদি কবিতা পুথিত সংগৃহীত হৈছে।

কবিতাৰ দৰে নজৰুলে গীতো ৰচনা কৰিছিল অজস্ৰ। প্ৰায় ৩০০০ ৰো অধিক গীত লিখি তেওঁ অভিলেখ স্থাপন কৰি গৈছে। প্ৰায়বোৰ গীত "নজৰুল গীতি মালঞ্চ" আৰু "নজৰুল গীতি গুচ্ছ" নামৰ গীতৰ পুথিত সন্নিবিষ্ট হৈছে। তেওঁৰ "অগ্ৰপথিক" গীতটো বৰ্ত্তমান বাংলাদেশৰ সেনাবাহিনীৰ কুচ কাৱাজ গীত।

ছাত্ৰ সন্মিলনৰ উদ্বোধনী গীত হিচাবে তেওঁ ৰচনা কৰা গীতটোৱে এতিয়াও ছাত্ৰশক্তিক অনুপ্ৰেৰনা যোগাই আছে। তেওঁ লিখিছে -

"আমাৰা শক্তি আমাৰা বল

আমাৰা ছাত্ৰ দল।
মোদেৰ পায়েৰ তলায় সৰ্চ্চে তুফান,
উৰ্দ্ধে বিমান ঝড় বাদল,
আমাৰা ছাত্ৰ দল।

নজৰুল কেৱল কবি আৰু গীতিকাৰেই নাছিল, তেওঁ আছিল এজন সুৰকাৰো। বেছিভাগ গীতৰ সুৰ তেওঁ নিজেই দিছে। এইবাবেই তেওঁৰ গীতবোৰ অতিকৈ প্ৰাণস্পৰ্শী। নেতাজীয়ে সেই বাবেই কৈছিল - "আমি যেতিয়া যুদ্ধক্ষেত্ৰলৈ যাম তেতিয়া তাত নজৰুলৰ গীত গোৱা হ'ব। আমি যেতিয়া কাৰাগাৰলৈ যাম, তেতিয়াও তেখেতৰ গীত গাম।"

নজৰুলে অকল লেখিয়ে ক্ষান্ত থকা নাছিল। তেওঁ আছিল এজন প্ৰগতিশীল সাংবাদিক আৰু সাম্যবাদী ভাৱধাৰাৰে পুষ্ট ৰাজনীতিবিদ। তেওঁৰ সম্পাদনাত প্ৰকাশ পোৱা "ধূমকেতু" সংবাদ পত্ৰতেই তেওঁ প্ৰথম ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ কথা উল্লেখ কৰে। ইয়াৰ আগতে নেতাসকলে কেৱল স্বৰাজৰ কথাহে কৈছিল। শান্তিপূৰ্ণ পথৰ বিপৰীতে সশস্ৰ সংগ্ৰামৰ পথেৰে যিসকলে স্বাধীনতা অৰ্জনৰ কথা ভাবিছিল, নজৰুলে তেওঁলোকৰ সমৰ্থনতেই প্ৰাণৱন্ত গান, কবিতা আদি লিখিছিল। নজৰুলৰ বিপ্লৱী জয়গানে বৃটিছ ৰাজশক্তিক কপাই তুলিছিল। সেয়ে তেওঁৰ কাব্যগ্ৰন্থ সমূহ বাজেয়াপ্ত কৰা হৈছিল। ১৯২২ চনত "ধূমকেতু" ত প্ৰকাশিত তেওঁৰ "আনন্দময়ীৰ আগমন" কবিতাৰ বাবে চৰকাৰে দেশদ্ৰোহী বুলি তেওঁক এবছৰ সশ্ৰম কাৰাদণ্ড বিহে। স্বাধীনতা সংগ্ৰামী নজৰুল ইছলামে পৃথিৱীত দলিত শোষিত, আৰু নিপীড়িত মানুহৰ মুক্তিৰ হকেও সংগ্ৰাম কৰিছিল।

নজৰুল ইছলামে তেখেতৰ ব্যক্তিগত জীৱনত, কাব্যত, সংগীতত, ৰাজনৈতিক সংগ্ৰামত বলিষ্ঠ পাৰ্থিৱ মানৱতাবাদী দৃষ্টিভংগীকেই তুলি ধৰিছিল। তেওঁ সদায়ে হিন্দু-মুছলমানৰ প্ৰীতিৰ হকে কাম কৰিছিল। নিজৰ ব্যক্তিগত জীৱনতো হিন্দুৰ ব্ৰাহ্মণ জীয়াৰী প্ৰমিলা দেৱীক বিয়া কৰাই ইয়াৰ প্ৰমাণ ৰাখি গৈছে। স্বাধীনতাৰ পিছতো নজৰুল ইচলাম ভাৰততে থাকিল হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ চানেকী হিচাবে।

এইজনা মহান দেশপ্ৰেমিকৰ জীৱনৰ শ্ৰেষ্ঠ কালছোৱা আছিল অত্যন্ত কৰুণ। স্নায়বিক ৰোগত ভূগি তেওঁ দীৰ্ঘ দিন ধৰি বাকৰুদ্ধ জঠৰ অৱস্থাত আছিল। বাংলাদেশ স্বাধীন হোৱাৰ পিচত সম্পূৰ্ণ বাকৰুদ্ধ অৱস্থাতে নজৰুলক বাংলাদেশ চৰকাৰে এক বিশেষ বিমানেৰে ঢাকালৈ লৈ যায় আৰু বাংলাদেশৰ জাতীয় কবি হিচাবে স্বীকৃতি দিয়ে। বাংলাদেশ চৰকাৰ আৰু জনসাধাৰণে নজৰুলক বিপুল ভাবে সম্বৰ্দ্ধনা জনায়। তাতেই ১৯৭৫ চনৰ ২৯ আগষ্টত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈





# বিজ্ঞানীৰ মানৱ সমাজলৈ সকিয়নি

শ্ৰীহৃদয়ানন্দ শৰ্ম্মা বৰুৱা
স্নাতক-তৃতীয় বৰ্ষ (বিজ্ঞান)

কোটি কোটি বছৰ আগতে মানৱ গোষ্ঠীয়ে বিবৰ্তনৰ পথেদি হমোচেপিয়েন্স হিচাপে পৃথিৱীত বিস্তৃতি লভিছিল। প্ৰকৃততে মানুহ লাখ লাখ বছৰ ধৰি আদিম স্তৰতে গুহাবাসী হৈ প্ৰকৃতিৰ লগত সংগ্ৰাম হৈ দুৰ্যোগময় জীৱন আৰম্ভ কৰিছিল। মাথো দুশ বছৰৰ ভিতৰতে এই মানৱ সভ্যতা পৃথিৱীৰ পৰা লোপ পাব বুলি কোনো কোনো বিজ্ঞানীয়ে সকিয়াইছিল।

১০,০০০ বছৰ আগতেহে কৃষি সভ্যতাৰ আৰম্ভনিৰ লগে লগে মানুহৰ স্থায়ী বসবাস আৰম্ভ হৈ কৃষিভিত্তিক সভ্যতাৰ পাতনি মেলিলে । এইদৰেই পৃথিৱীত বিভিন্ন দেশত কৃষি ভিত্তিক সভ্যতাৰ আধাৰত মানৱ প্ৰগতি বিকাশ ঘটি থকা অৱস্থাটো বিজ্ঞান আৰু সুকুমাৰ কলাৰ প্ৰগতি হৈছিল । মানুহে তাম, লোহা, সোণ, ৰূপ আদি ধাতু ব্যৱহাৰ কৰি সভ্যতা আৰু সংস্কৃতিক আগুৱাই লৈ গৈছিল । ইয়াৰ পিছত সপ্তবিংশ শতিকাৰ আৰম্ভণিত ইউৰোপত এক নতুন সভ্যতাৰ সূত্ৰপাত হ'ল । মানুহে বাষ্পচালিত যন্ত্ৰৰ আৱিস্কাৰৰ লগে লগে ঔদ্যোগিক সভ্যতাই মানুহৰ উপভোগ্য সামগ্ৰীৰ সীমা নোহোৱা কৰিলে । খনিজ ইন্ধনৰ ব্যৱহাৰৰ ফলত প্ৰাকৃতিক ভাৰসাম্যত বিজুতি ঘটিবলৈ ধৰিলে। বিশেষকৈ খনিজতেল বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড উদ্ভিদ জগতে ব্যৱহাৰ কৰি বায়ুমণ্ডলত অক্সিজেন এৰি দি বায়ুমণ্ডলত অক্সিজেন এৰি দি বায়ুমণ্ডলৰ উপাদান জীৱজগত অনুকুল কৰি ৰাখে। এতিয়া উদ্যোগ সমূহত ব্যৱহাৰ কৰা ইন্ধন, লাখ লাখ মটৰ গাড়ীয়ে ব্যৱহাৰ কৰা পেট্ৰল আৰু ডিজেল, বন্ধনত ব্যৱহাৰ কৰা কেৰাছিন, উৰাজাহাজৰ ইন্ধন সকলোৱে বায়ু প্ৰদূষণত ইন্ধন যোগাই আহিছে। ইয়াৰ বাহিৰেও কয়লা ব্যৱহাৰ কৰা উদ্যোগ সমূহৰ পৰাও বায়ু প্ৰদূষণ হৈছে। খনিজতেল, কয়লা,প্ৰাকৃতিক গেছৰ বাহিৰেও বিভিন্ন কল কাৰখানা, ৰাসায়নিক উদ্যোগৰপৰা ওলোৱা পেলনীয়া সামগ্ৰীয়ে পৃথিৱীৰ বহুতো ঠাই জীৱ জন্তু বসবাসৰ অনুপযোগী কৰি তুলিছে। ধাতু আৰু খনিজ তেল আহৰণ, কয়লা আহৰণ, বনাঞ্চল ধ্বংস কৰা আদি মানুহৰ দৈনন্দিন কাৰ্য্যসমূহে পৃথিৱীখনক ক্ৰমে জীৱ জন্তুৰ বসবাসৰ অনুপযোগী কৰি তুলিছে। এতিয়া মানুহ নিজেই হৈছে পৃথিৱীত প্ৰদূষণৰ একমাত্ৰ কেন্দ্ৰ। আধুনিক কৃষি পদ্ধতিত উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰয়োগ কৰা ৰাসায়নিক সাৰ, কীটনাশক দৰৱ আদিয়ে মাটি আৰু পানী প্ৰদূষিত কৰিছে। পৃথিৱীত এতিয়া অধিকাংশ মানুহৰ বাবে খোৱা পানীৰ অভাৱ । ৰাসায়নিক উদ্যোগসমূহৰ প্ৰতিষ্ঠাৰ ফলত নদীসমূহৰ পানী যথেষ্ঠ দূষিত হৈছে। মুঠতে জল, স্থল, বায়ুমণ্ডল সকলোতেই মানুহৰ আতিশয্যই মানৱজাতিক চৰম দুৰ্য্যোগৰ মাজলৈ ঠেলি নিছে।

পৃথিৱীৰ বায়ুমণ্ডলক আৱৰি থকা অ'জ'ন চামনি ক্ৰমে হ্ৰাস হৈ মেৰু অঞ্চলত হোৱা অ'জ'ন বিন্ধাৰ আৱৰণো প্ৰতি বছৰে বাঢ়ি আহিছে। ইয়াৰ ফলত জীৱজগত আলট্ৰা ভায়লেট ৰশ্মিৰদ্বাৰা আক্ৰান্ত হোৱাৰ প্ৰৱণতাই দেখা দিছে। আলট্ৰা ভায়লেট ৰশ্মিক বাধা দিবলৈ অ'জ'ন চামনি প্ৰস্তুত হোৱাৰ পাছতহে পৃথিৱীত সাগৰৰ পানীত অনুজীৱ সৃষ্টি হৈ সালোক সংশ্লেষণৰ সহায়ত সেউজীয়া উদ্ভিদে বায়ুমণ্ডলত অক্সিজেন এৰি দি পৃথিৱীৰ জীৱসমূহক অক্সিজেন যোগান ধৰোতা সম্ভৱপৰ কৰি তোলে। বৰ্ত্তমান আমেৰিকা যুক্তৰাষ্ট্ৰই উদ্যোগ আৰু জীৱন প্ৰণালীত ইমানকৈ অক্সিজেন খৰছ হোৱা যন্ত্ৰপাতি ব্যৱহাৰ

কৰিছে যে বায়ুমণ্ডলত অক্সিজেনৰ ঘাটি আৰম্ভ হৈছে। এনেকৈ যদি পৃথিৱীৰ সকলো ঠাইতে ঔদ্যোগিক সভ্যতাৰ প্ৰসাৰ বৃদ্ধি পায় তেন্তে বায়ুমণ্ডলত অক্সিজেনৰ ঘাটি হোৱাতো নিশ্চিত যাৰ ফলস্বৰূপে মানুহৰ কাৰণে লগা অক্সিজেনৰ দুৰ্ভিক্ষ হ'বগৈ। খাদ্যৰ অভাৱৰ বাবে আফ্ৰিকাৰ বহু অঞ্চলত মানুহৰ মৃত্যু হৈছে যিটো পৰিস্থিতিয়ে আমাৰ ভাৰতবৰ্ষতো লাহে লাহে দেখা দিছে। ইয়াৰ কাৰণ বুলিলে মাটিত প্ৰয়োগ কৰা ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধ সমূহকেই কব লাগিব যাৰ প্ৰয়োগৰ ফলত মাটিৰ উৰ্বৰতা শক্তি হ্ৰাস হৈ শস্যৰ উৎপাদন লাহে লাহে কমি আহিছে। ৰেফ্ৰিজাৰেটৰ আৰু স্প্ৰেত ব্যৱহাৰ কৰা ফ্ৰিঅনে অ'জ'ন স্তৰ ধ্বংশ কৰিছে। যাৰ ফলত বহু ঠাইত এছিড বৰষুণে আবাস গৃহ আৰু উদ্ভিদৰ ক্ষতি কৰিছে। আনহাতে কয়লা, কাঠ, আৰু খনিজ তেল পোৰাৰ ফলত বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড বৃদ্ধি হৈ পৃথিৱীৰ ওপৰিভাগত তাপমাত্ৰা বৃদ্ধি কৰে। কাৰ্বন-ডাই-অক্সাইডে বায়ুমণ্ডলত গ্ৰীণহাউচৰ গ্লাচৰ দৰে কাম কৰে। ই প্ৰতিফলিত ৰশ্মি ধৰি ৰাখে। ফলত 'গ্ৰীণহাউচ' বা কল্ডফ্ৰেমৰ ভিতৰৰ দৰেই বায়ু গৰম হয়। ইয়াকেই বিজ্ঞানৰ ভাষাত 'গ্ৰীণহাউচ এফেক্ট' বোলে। যিহেতু এতিয়া দ্ৰুতগতিত অৰণ্যবোৰ ধ্বংশ হ'বলৈ ধৰিছে এইদৰে অৰণ্যবোৰ ধ্বংশ হৈ গৈ থাকিলে এই গ্ৰীণহাউচ এফেক্টে আৰু ভয়ংকৰ ৰূপ লব।

কেইবছৰমান আগতে ৱাশ্বিংটন ডি.ছি.ৰ নেশ্যনেল জুলজিকেল পাৰ্কত এখন পৰিবেশ সংক্ৰান্ত আলোচনাচক্ৰত পৃথিৱীৰ ভিন ভিন দেশৰ পৰিবেশ বিজ্ঞানীয়ে গৱেষণাভিত্তিক তথ্যৰ সহায়ত তেওঁলোকৰ বক্তব্য ডাঙি ধৰিছিল। কম্পিউটাৰৰ সহায়ত সুদূৰ অতীত আৰু ভৱিষ্যতৰ অভিক্ষেপ কৰি এনেধৰণৰ তথ্য যুগুতোৱা হৈছিল: গ্ৰীণহাউচ এফেক্টৰ বাবে পৃথিৱীৰ উষ্ণতা বৃদ্ধিয়ে বনাঞ্চল স্থানান্তৰ কৰিব। দক্ষিণ কানাডাৰ পৰা ফ্ল'ৰিডালৈ মিছিছিপি নদীৰ কাষত থকা বিচ, ৱাৰ্ক, হেমলক আৰু ছুগাৰ মে'পল আদি গছবোৰ ৫০০ কি: মি: দূৰলৈ স্থানান্তৰিত হৈ নিউ ইংলেণ্ডৰ কাষত বাঢ়িবলৈ ধৰিব। বায়ুমণ্ডলত বেছিকৈ কাৰ্বন-ডাই-অক্সাইড জমা হ'লে বৃদ্ধি হোৱা উষ্ণতাত কিছুমান উদ্ভিদৰ আলোক সক্ৰিয়তা বৃদ্ধি পায়। ফলত এনেবোৰ উদ্ভিদৰ পৰিমাণ ভৱিষ্যতলৈ বাঢ়িব। বনাঞ্চল আতঁৰি গ'লে প্ৰাণী জগতো সলনি হ'ব। বহুতো প্ৰাণীয়ে ওখ ঠাই বিছাৰি প্ৰব্ৰজন কৰিব। পৃথিৱীৰ উষ্ণতা বাঢ়িলে পশ্চিম আমেৰিকাৰ বহুতো পখিলা আৰু চৰাইৰ বিলুপ্তি ঘটিব। ঘাইকৈ প্ৰব্ৰজন কৰিব নোৱাৰা প্ৰাণীবোৰ লোপ পাব।

পৃথিৱীৰ জলবায়ুৰ পৰিবৰ্তনে অকল স্তন্যপায়ী জন্তু বা ডাঙৰ ডাঙৰ গছ গছনিকে প্ৰভাৱিত নকৰে। গ্ৰীষ্মকালত দিন দীঘল হ'লে অধিক সূৰ্য্যৰ ৰশ্মি পৰে বাবে এলগি(Algae), বেক্টেৰিয়া আদি অনুজীৱৰ বৃদ্ধি বেছি হয়। মেৰু অঞ্চলত উষ্ণতা বাঢ়িলে এনে অনুজীৱৰ পানীলৈ বিয়পি পৰে। চিল, তিমি, মেৰু অঞ্চলৰ গাহৰি আদিৰ খাদ্য শৃংখলৰ লগত এনে অনুজীৱসমূহ জড়িত। পৃথিৱীৰ সামগ্ৰিক উষ্ণতা বাঢ়িলে মেৰু অঞ্চলৰ তাপ স্থায়ীভাৱে বেছি হোৱাত বৰফ গলা স্থায়ী হ'ব আৰু এই ঘটনাই অনুজীৱ নিৰ্ভৰ প্ৰাণী কুলক বিপদত পেলাব। চিলে বৰফতহে প্ৰজনন বঢ়ায় আৰু মেৰু অঞ্চলৰ গাহৰিয়ে বৰফ আবৃত অঞ্চলত থাকি চিকাৰ সংগ্ৰহ কৰে বাবে এই দুয়োবিধ প্ৰাণীৰে অস্তিত্ব বিপন্ন হ'ব।

উষ্ণতা বৃদ্ধিৰ ফলত বহুতো প্ৰাণীৰ বংশগত পৰিবৰ্তনো ঘটিব। অতি উষ্ণতা আৰু শুকান জলবায়ুৰ ফলত আফ্ৰিকাৰ হাতীসমূহে এতিয়া থকা অঞ্চলৰপৰা শীতল সেমেকা অঞ্চল বিচাৰি তালৈ প্ৰব্ৰজন কৰিব। আনহাতে ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ বাবে অতিৰিক্ত কৃষি পাম, পথঘাট, দোকান-বজাৰ, ঔদ্যোগিক পাৰ্ক, জনবসতি অঞ্চল আৰু নতুন নতুন চহৰ নিৰ্মাণৰ ফলত জন্তুৰ এনে প্ৰব্ৰজনৰত বাধা পৰিব। অধিক জনসংখ্যাৰ কাৰণে লগা উন্নত সংকৰ বিধানৰ শস্যৰ খেতি কৰিবলৈ অধিক পানী ব্যৱহাৰ কৰিবলগা হোৱাত



উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

পৃথিৱীৰ ব্যৱহাৰযোগ্য পানীৰ পৰিমাণ কমি আহিছে। পাম্প বহুৱাই পৃথিৱীৰ তলৰ স্তৰৰপৰা পানী উলিওৱাত এনে ভাণ্ডৰত জমা থকা পানী কমি গৈছে। এনে স্তৰত পুনৰ পানী জমা হোৱাৰ প্ৰক্ৰিয়াত বাধা পৰাত পৃথিৱীৰ আন এটা ভয়াবহ সমস্যা হৈছে, সেইটো হৈছে পানীৰ অভাৱ। পানী নোহোৱা বাবে বহুতো সেউজীয়া অঞ্চল খৰাং হৈ পৰিছে। মহাৰাষ্ট্ৰ, গুজৰাট, মধ্যপ্ৰদেশ আৰু ৰাজস্থানত এনে পৰিস্থিতিয়ে মানুহৰ জীৱন নিৰ্ব্বাহত ব্যাঘ্যাত জন্মাইছে।

ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিবৰ্তনৰ আন্তৰাষ্ট্ৰীয় পেনেলে ১৯৯০ চনত মানুহৰ কাৰ্যকলাপত বায়ুমণ্ডলত কাৰ্বণ-ডাই-অক্সাইড, নাইট্ৰাছ, অক্সাইড বৃদ্ধিৰ ওপৰত প্ৰতিবেদন দাখিল কৰিছিল। পৃথিৱীৰ ২৬ খন দেশৰ ২০০ জন বিজ্ঞানীয়ে ১৫ খন আন্তৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু কৰ্মশালাত পৃথিৱীৰ জলবায়ুৰ পৰিস্থিতি সম্পৰ্কে অধ্যয়ন কৰি বিভিন্ন পৰামৰ্শ আগবঢ়াইছে । এই প্ৰতিবেদন অনুসৰি বায়ুমণ্ডললে এৰি দিয়া গেছৰ পৰিমাণ ৬০% কাৰ্বন-ডাই-অক্সাইড বৃদ্ধি পাইছে তাৰ পৰিণতি স্বৰূপে বায়ুমণ্ডলৰ উষ্ণতা বাঢ়ি চিৰতুষাৰ ৰেখাৰ ওপৰত থকা বৰফ গলি সাগৰৰ উপস্থলী অঞ্চলত বসবাস কৰা এক তৃতীয়াংশ মানুহৰ বাসস্থান প্লাৱিত কৰাৰ অগজাননী দিয়া হৈছে । বায়ুমণ্ডলৰ সমুদ্ৰ আৰু জীৱজগতৰ মাজত বিনিময়ৰ ফলত কাৰ্বণ-ডাই-অক্সাইডৰ সমতা চক্ৰ চলি থাকে । প্ৰতিবছৰে জীৱৰ ক্ৰিয়াত ১,১০,০০০ টন কাৰ্বণ-ডাই-অক্সাইড হিচাপে বায়ুমণ্ডলত জমা হয়গৈ । ইয়ৰে বেছি অংশই আলোক সংশ্লেষণত উদ্ভিদ জগতে ব্যৱহাৰ কৰে । সাগৰত থকা বিশাল পানীভাগতো আলোক সংশ্লেষণে আৰু পানীত দ্ৰৱীভূত হোৱা কাৰ্বণ-ডাই-অক্সাইড কাৰ্বণেট হিচাপে সাগৰৰ তলিত হয়। মানুহৰ কাৰ্য্যকলাপে অৰ্থাৎ কয়লা আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰে ৫.৭০ কোটি টন কাৰ্বণ বায়ুমণ্ডললৈ পঠিয়ায় । মাটি আবাদীকৰণ, গছ-গছনি কাটি পেলোৱা, খেতি কৰিবৰ কাৰণে জুই লগাই হাবি-বননি পুৰি পেলোৱাৰ ফলত ২০০ কোটি টন কাৰ্বন বিণিময়ৰ মাধ্যমৰ অৱসান ঘটিছে । সেইবাবেই ৩৮০ কোটি টন কাৰ্বন বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড হিচাপে জমা হৈছে । বৰ্ত্তমান বিদ্যুৎ উৎপাদন আৰু যাতায়তৰ ব্যৱহাৰৰ পৰাই বায়ুমণ্ডলত ৪৫% কাৰ্বন জমা হয় । বনাঞ্চল ধ্বংশ কৰাত ২৫% অতিৰিক্ত কাৰ্বণ বায়ুমণ্ডলত থাকি যায়। গছ-গছনিৰ পৰিমাণ বৃদ্ধি পালে কাৰ্বণ-ডাই-অক্সাইডৰ সমতা বৃদ্ধি পায় । কিন্তু এতিয়া এনে অৱস্থা পাইছেগৈ যে অধিক গছ কলেও কাৰ্বণ-ডাই-অক্সাইডৰ পৰিমান কমোৱা সম্ভৱ নহয় । বৰ্ত্তমান কৰা হিচাপ অনুসৰি প্ৰতি দশকত বায়ুমণ্ডলৰ উষ্ণতা ১° কৈ বাঢ়ি গৈ আছে । এণ্টাকৰ্টিকাত ১২ কি:মি ডাঠ অংশত অজ'ন চামনি ৯৫% হ্ৰাস পইছে । সমগ্ৰ অজ'ন চামনিও ইতিমধ্যে ৫০% কমিছে। ৱাছিংটনত থকা পৃথিৱী পৰ্যবেক্ষণ প্ৰতিষ্ঠানে অলপতে পৃথিৱীৰ স্থিতি সম্পৰ্কে প্ৰকাশ কৰা সমীক্ষাই কৃষি আৰু ঔদ্যোগিক বিপ্লৱে পৃথিৱীত মানৱ জীৱনলৈ অনা আতংক সম্পৰ্কে সকিয়াই দিছে। এনে পৰিস্থিতি চলি থাকিলে সচাঁকৈয়েই ভৱিষ্যতলৈ পৃথিৱী জনসমাজৰ সম্পুৰ্ণ অনুপযোগী হৈ পৰিব ।

২৫৬ পৃষ্ঠা জোৰা এই প্ৰতিবেদনত প্ৰতিকাৰ হিচাপে অনতিপলমে জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ সলাই সৌৰ শক্তিৰ ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে । যানবাহনৰ ব্যৱহাৰত বিকল্প পদ্ধতি ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে । নগৰ মহানগৰ সমূহ এনেধৰনে পৰিকল্পনা কৰিবলৈ কোৱা হৈছে যাতে স্বয়ংচালিত যানবাহনৰ সংখ্যা কমকৈ ব্যৱহাৰ কৰিব পাৰি । তাৰোপৰি সন্তান উৎপাদন, মানৱ মূল্যবোধ আৰু জীৱন ধাৰাৰ সম্পূৰ্ণ পৰিবৰ্তন ঘটাব লাগিব । সেয়ে এটা নতুন বিপ্লৱৰ অতিকৈ প্ৰয়েজন হৈছে আৰু যিটো বিপ্লৱে গঢ় লৈ উঠিব লাগিব "পৰিবেশ বিপ্লৱ" নামাকৰণেৰে । "ঔদ্যোগিক বিপ্লৱৰ" স্থান লব লাগিব "পৰিবেশ বিপ্লৱে" । ভৱিষ্যতৰ প্ৰযুক্তিবিদ্যা সম্পূৰ্ণ কাৰ্বণ-মুক্ত-ইন্ধনৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব । এই ক্ষেত্ৰত উন্নত ৰাষ্ট্ৰসমূহৰ দায়িত্ব বেছি হ'ব লাগিব।

পৃথিৱীৰ শতকৰা ৮৫% সম্পদৰ মাথোন ২৩% উন্নত ৰাষ্ট্ৰৰ অধিবাসী সমূহে ভোগ কৰে । পৃথিৱীৰ ১০০ কোটি মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত আছে, সেইগতিকে ঔদ্যোগিক দেশসমূহে তেওঁলোক ওপভোগ্য সম্পদৰ ব্যৱহাৰ সীমিত কৰিবলৈ আগবাঢ়ি আহিব লাগিব ।

২০ বছৰ মান ষ্টকহমত বহা আন্তৰাষ্ট্ৰীয় সন্মিলনত পৃথিৱীৰ প্ৰদূষণে যথেষ্ট গুৰুত্ব পাইছিল। কিন্তু তাৰ পৰিপেক্ষিতত এই সমস্যাই যথেষ্ট সহাৰি লাভ কৰা দেখা নগ'ল। তাৰ পিছত ব্ৰাজিলৰ ৰায়ডি জেনিৰত "আৰ্থ-ছামিট"ত পৃথিৱীৰ প্ৰায় সকলো দেশেই মানৱ জাতিৰ ভৱিষ্যত তথা প্ৰদূষণৰ বিভিন্ন দেশ সম্পৰ্কে আলোচনা কৰা হৈছিল। এই আলোচনাৰ ভিত্তিত নিৰ্দ্ধাৰণ কাৰ্য্য পন্থাই উন্নত দেশসমূহৰ আৰ্থিক সাহাৰ্য্যত উন্নয়ণশীল ৰাষ্ট্ৰৰ প্ৰদূষণ মুক্ত প্ৰযুক্তিবিদ্যাৰ আধাৰৰ প্ৰগতি সম্ভৱ কৰি তুলিব পাৰিলেহে পৃথিৱীত ভৱিষ্যত মানৱ সমাজৰ অস্তিত্ব সংকট মুক্ত হ'ব। এনে এটা সংকটৰ আগজাননী পাই উন্নয়ণশীল ৰাষ্ট্ৰসমূহতো কিছুমান কাৰ্য্যব্যৱস্থা এতিয়াৰ পৰা ল'ব পৰা যায়। যেনে:- মটৰ কাৰ, স্কুটাৰ, মটৰ চাইকেল আদি পেট্ৰল চালিত যানবাহনৰ ব্যৱহাৰ কমাই পেলাৱা। চীনৰ ৰাজধানী বেইজিংত অধিকাংশ মানুহেই চাইকেল ব্যৱহাৰ কৰে। সৰু স্বয়ং চালিত যানবাহন চলাত সেই দেশত বাধা আৰোপ কৰা হৈছে। অন্যৰ কথা বাদেই আমাৰ ইয়াত অৰ্থাত অসমৰ গুৱাহাটীতেই পথে ঘাটে যিমানবোৰ যানবাহন চলে তাৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। তাৰ লগতে মানুহে খোজ কাঢ়ি বা চাইকেলত আৰোহণ কৰি যাতায়ত কৰাত উৎসাহিত কৰাৰ প্ৰয়োজন। গুৱাহাটীৰ ঘাইপথ কেইটাতো কেৱল ছিটিবাছ, মিনিবাছ আদি ডিজেল চালিত যান চলাত সীমাবদ্ধ কৰিব লাগে। অসমত উন্নত ধৰণৰ জলবিদ্যুৎ প্ৰকল্পৰ আঁচনি তৈয়াৰ কৰি উচিত যাতে বিদ্যুৎ চালিত বাহনৰ সংখ্যা বঢ়াব পাৰি আৰু খনিজ তেল কয়লাৰ ব্যৱহাৰ যাতে ৬০% হ্ৰাস কৰাত কিছু সহায়ক হয়। এনে ধৰণৰ ব্যৱস্থা নলৈ অকল ভোগবিলাস আৰু সমৃদ্ধিৰ উপভোগ্য সমাজৰ ধাৰণাৰে জীৱনৰ মান উন্নত কৰাৰ ব্যৱস্থা চলি থাকিলে মানৱ জাতি নিশ্চিহ্ন হোৱাৰ পথ অধিক প্ৰশষ্ট হ'ব । ইংলেণ্ডৰ সেউজদলৰ "ছাৰা পাৰিলে" মানৱ অস্তিত্বৰ বাবেই জনসাধাৰণক নীৰৱতা এৰি সজাগ হ'বলৈ সকিয়াইছে । কিন্তু এতিয়াও পৃথিৱীৰ তিনিজন শিশুৰ এজন পৰিপুষ্টিহীনতাৰ বলি হৈ আছে। পৃথিৱীৰ ১২০ কোটি মানুহৰ খোৱা পানী নাই । প্ৰতি বছৰে ৩০ লাখ শিশুৰ প্ৰতিবেধক ব্যৱস্থাৰ অভাৱত মৃত্যু হয় । ১০ লাখ তিৰোতাৰ সন্তান প্ৰসৱৰ জটিলতাত মৃত্যু হয় ; আনকি ১০ কোটি শিশু প্ৰাথমিক শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত।

এতিয়া ওপৰৰ কথাখিনিৰ পৰা দৃষ্টিগোচৰ হয় যে অতীতৰ পৰা বৰ্ত্তমানলৈ ক্ৰমবৰ্দ্ধমানেৰে মানুহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি সাধি জীৱনধাৱনৰ পথ সুচল কৰিছে । ই সচাঁকৈয়েই গোটেই মানৱজাতিৰে গৌৰৱৰ বিষয় । কিন্তু মানুহ, প্ৰাণী আৰু প্ৰকৃতিৰ মাজত সুসমন্বয়ৰে ইটো সিটোৰ পৰস্পৰ নিৰ্ভৰতা আছে । ইয়াৰ হীনদেঢ়ি হোৱা অৰ্থই মানৱ জাতিৰ অধঃপতন । বিজ্ঞানী সকলেও মানৱজাতিক পৰিবেশ আৰু জীৱজগতৰ প্ৰতি সজাগ হৈ এইবোৰৰ ধ্বংশলীলা আৰু বিলুপ্তিৰপৰা আতৰি থাকিবলৈ অতীতৰেপৰা সকিয়াই আহিছে । এজোপা গছ কাটিলে, হাবি-জঙ্ঘল পৰিষ্কাৰ কৰি ঘৰ সাজা, উদ্যোগ প্ৰতিষ্ঠা কৰা, চহৰ নগৰ গঢ়ি তোলা, উপভোগ্য আৰু পেলনীয়া চৌপাশে উপচাই পেলোৱা আদি কাৰ্য্যৰদ্বাৰা পৃথিৱীৰ সৰ্বময়কৰ্তা হ'ব নোৱাৰে । গতিকে জীৱশ্ৰেষ্ঠ মানৱে নিজৰ ধ্বংশ যাতে নিজেই মাতি নানে সেয়ে নিজকে অত্মসংযম কৰি পৰিবেশ আৰু জীৱজগত ধ্বংশ নকৰিম বুলি দঢ় প্ৰতিজ্ঞ হোৱা উচিত, নহলে এই জীৱশ্ৰেষ্ঠ মানৱৰ পৃথিৱীৰ পৰা বিলুপ্তি ঘটাত বেছি সময় নালাগিব ।

◈◈◈◈◈◈◈◈◈◈◈◈◈◈◈





# 'শিক্ষা-সংস্কাৰ' আৰু 'হিন্দুত্ব'

শ্ৰী দীপাঙ্কৰ ভট্টাচাৰ্য্য
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

শিক্ষা এনেকুৱা এটা ব্যৱস্থা যাৰ দ্বাৰা এটা প্ৰাণীক নিজৰে প্ৰকৃত স্বৰূপ উপলব্ধি কৰাত সহায় কৰে । এইক্ষেত্ৰত প্ৰাণী বিধ মানুহো হব পাৰে, কুকুৰো হব পাৰে বা হাতীও হব পাৰে । সকলো প্ৰাণীৰে একোটা নিজস্ব ব্যক্তিত্ব আছে । আৰু মানুহে নিজৰে ব্যক্তিত্ব বিকাশ কৰাত শিক্ষাক এক প্ৰধান মাধ্যম হিচাপে ব্যৱহাৰ কৰি আহিছে, হয়তো ইয়াৰ ফলস্বৰূপেই মানুহ আজি 'প্ৰাণী শ্ৰেষ্ঠ' বা 'জীৱশ্ৰেষ্ঠ' । শিক্ষা গ্ৰহন কৰোতে কোনো এটা ভাষা ভালদৰে জনা আৰু ধাৰাপ্ৰবাহ ক'ব পৰাটো মানুহৰ ব্যক্তিত্ব বিকাশৰ এটা লক্ষণ বুলি কোৱা হয়। কিন্তু ইয়াক অৰ্জন কৰাৰ বাবে নিজৰ ভাষাক বিসৰ্জন দিয়াটো মুৰ্খতা বা অজ্ঞতা বুলিহে ক'ব লাগিব। প্ৰকৃততে আমি কোনো এটা ভাষাকে নহয় সম্পূৰ্ণ জীৱনটোকে গতিশীল অথবা ধাৰাপ্ৰবাহ কৰাটো প্ৰয়োজন। এটাক এৰি আন এটাক ধৰি ৰাখিলে নহয় বৰং এটাৰ লগত আনটোৰ যোগসূত্ৰ ৰাখিলেহে এই ধাৰা প্ৰবাহিত হৈ থাকিব পাৰে। আমাৰ পূৰ্বপুৰুষ সকলে অনুভৱৰ আধাৰত বয়স আৰু যুগৰ অনুকুলে সংস্কাৰ দিব পৰা ধাৰাপ্ৰবাহ জীৱনৰ ৰচনা কৰিছিল। জীৱণৰ প্ৰতিটো ক্ষেত্ৰত ধাৰাবাহিক চিন্তন কৰিছিল। শিক্ষাৰ ক্ষেত্ৰত হোৱা এই ধৰণৰ চিন্তনৰ ফলস্বৰূপে গুৰুৰূপে মাতৃক প্ৰথম স্থানত ৰাখি এই ধাৰাটো প্ৰবাহিত হৈছিল। ফলত মাতৃৰ মমতাভৰা আচৰণৰ আধাৰত স্নেহাধাৰিত আৰু ক্ৰিয়াধাৰিত শিক্ষা ব্যৱস্থাক গঢ় দিয়া হ'ল। ভাৰতৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থাটো কিছু ক্ষেত্ৰত ত্ৰুতিপূৰ্ণ। একবিংশ শতিকাৰ প্ৰাসংগিতাৰ ফালৰ পৰা এই শিক্ষা ব্যৱস্থা সচাঁকৈয়ে বহুত নিম্ন স্তৰত থকা যেন লাগে । বৰ্ত্তমান অৱস্থাত 'শিক্ষা' আৰু 'সংস্কাৰ'ৰ মাজত, এক যোগসূত্ৰ সৃষ্টিৰ আৱশ্যকতা আহি পৰিছে। (এই যোগসূত্ৰ হোৱা উচিত সত্য আৰু সুস্থ নৈতিক চৰিত্ৰৰ ওপৰত)। সংস্কৃতত এষাৰ কথা আছে -

"অভিবাদন শীলস্য নিত্যম বৃদ্ধোপসেৱিন ঃ
চত্বাৰি তস্য বৰ্দ্ধন্তে আয়ুবিদ্যাযশোবলম্ ।"

অভিবাদনশীল আৰু সেৱাভাৱি মনোভাৱৰ ব্যক্তি সকলৰ আয়ু, বিদ্যা, যশ আৰু বল বৃদ্ধি হয়। এই চাৰিটা গুণৰ অধিকাৰী এজন ব্যক্তিয়ে স্বাভাৱিকভাৱে সমাজৰে সমাদৰ পাই শ্ৰেষ্ঠত্ব লাভ কৰে আৰু সমাজৰ নেতৃত্ব কৰিব পাৰে । নিজৰ গুণৰ দ্বাৰা অথবা শুদ্ধ শিক্ষা তথা সংস্কাৰৰ দ্বাৰা সমাজতে সমাদৰ লাভ কৰা ব্যক্তিৰ বাবে নেতৃত্বৰ কাৰণে কোনো ধৰণৰ অভিষেকৰ প্ৰয়োজন নহয়। নিজৰ শিক্ষা আৰু সংস্কাৰৰ জৰিয়তে স্বপৰাক্ৰমেৰে অৰ্জন কৰা বিভিন্ন গুণৰ অধিকাৰী ব্যক্তিজনে তেনেদৰেই সমাজৰে নেতৃত্ব কৰিবলৈ সক্ষম হৈ যায়। এই ক্ষেত্ৰত "স্বামী বিবেকানন্দ" এক স্পষ্ট উদাহৰণ।

আজিৰে পৰা ১০৫ বছৰ আগতে স্বামী বিবেকানন্দই চিকাগোত আয়েজন কৰা সৰ্বধৰ্ম সন্মিলনত ভাৰতৰ প্ৰতিনিধি হিচাপে দিয়া ভাষণৰ প্ৰথম সম্বোধনতে সকলোৰে অন্তৰ জয় কৰিছিল ।

সকলোকে 'মোৰ ভাই-ভনী' বুলি সম্বোধন কৰাত পৃথিৱীৰ সকলোৱে অনুভৱ কৰিছিল যে এজন হিন্দুৱে নিজৰ পৰিয়ালৰ সীমা বঢ়াই "বসুধৈৱ কুটুম্বকম্"ৰ অনুভৱ কৰে । হিন্দুৰ এই উদাৰ চৰিত্ৰক এইদৰে কোৱা হৈছে যে "অয়ং

নিজপৰোৱেতি গননা লঘু চৈতসাম্ ॥ উদাৰ চৰিতানাম্ তু বসুধৈৱ কুটুম্বকম্ ।" সাধাৰণ লোকে এইটো মোৰ সেইটো তোমাৰ বুলি কয়, উদাৰ চৰিত্ৰৰ লোকৰ বাবে বিশ্বৰ সকলোৱেই আপোন ।

আমি এই উদাৰ চৰিত্ৰক সুৰক্ষিত কৰি ৰাখিব পৰা অৰ্থাৎ মানুহক সঁচা অৰ্থত জীৱ শ্ৰেষ্ঠ বুলি পৰিচয় দিয়াত সক্ষম কৰিব পৰা 'শিক্ষা আৰু সংস্কাৰ'ৰ এই ভাৰতীয় প্ৰক্ৰিয়াক বা হিন্দুত্ব চিন্তাধাৰাক বুজাতো দৰকাৰ । বৰ্ত্তমান পৰিস্থিতিত কিছুমান তথাকথিত চেকুলাৰবাদী ৰাজনৈতিক সংগঠনে হিন্দুত্বক বিকৃত ৰূপত জনসাধাৰণৰ মাজত প্ৰচাৰ চলায় দেশক অস্থিৰ কৰাৰ অপচেষ্টা চলাই আহিছে । বাৰু যিয়েই নহওক কিয় আমি হিন্দুত্বক উপলব্ধি কৰাৰ সময় আহি পৰিছো। কবি ইকবালে কৈছে যে 'কুছবাত হেয় কি হস্তী মিটতী নেহী হামাৰী' কিবা এটা কথা আছে যাৰ বাবে আমাৰ অস্তিত্ব বিনষ্ট নহয় । কবি ইকবালে যদিও এই 'ৰহস্য' মুকলি কৰিব পৰা নাই ভাৰতৰ জনসাধাৰণে কিন্তু এই 'ৰহস্য' জানে । আমি জানো যে, বিচ্ছেদ নহয় সংলগ্নতা, সংঘৰ্ষ নহয় সমন্বয়, খণ্ডিত নহয় অখণ্ডিত অৰ্থাৎ সনাতন আৰু একাত্ম মানৱ জীৱন - এয়াই ভাৰতীয় দৰ্শন অৰ্থাৎ হিন্দুত্ব চিন্তাধাৰা। এয়াই আমাৰ অস্তিত্ব ৰক্ষাৰ ৰহস্য। ক্ৰমান্বয়ে শিশু, বালক কিশোৰ, যুৱক আৰু বৃদ্ধ অৱস্থালৈ কৰা এই ধাৰাপ্ৰৱাহ চিন্তাৰ ফলতে মানুহে এই সংস্কাৰৰ মাজেদি আজীৱন শিক্ষা গ্ৰহণ কৰে। গতিকে হিন্দুত্বই প্ৰকৃতাৰ্থত শিক্ষা আৰু সংস্কাৰৰ মাজৰ যোগসুত্ৰ ।

হিন্দুত্ব এক সু-মন্ত্ৰ যিয়ে এজন ভাৰতীয়ক দেশপ্ৰেমী হোৱাত ইন্ধন যোগাই । হিন্দুত্ব কোনো এক ধৰ্মৰ আৱেষ্টনিত প্ৰতিস্থিত নহয় । যেনেকৈ ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ ঠিক তেনেকৈ হিন্দুত্ব এক (ধৰ্মনিৰপেক্ষ) সংস্কাৰ । হিন্দুত্ব সত্যৰ ওপৰত প্ৰতিস্থিত আৰু বিবেকৰ দ্বাৰা পৰিচালিত । আৰু ইয়াৰ চালিকা শক্তিৰ ইন্ধন যোগান ধৰে শিক্ষাই । হিন্দুত্বৰ প্ৰকৃত অৰ্থ হ'ল উদাৰতা, সৎচৰিত্ৰ আৰু সামাজিক ৰক্ষণশীলতা তথা দায়বদ্ধতা।

আজিৰ তাৰিখত এই কথাটো সকলোৱে পৰিলক্ষিত হৈছে যে জনসাধাৰণৰ মনত নৈতিক চৰিত্ৰৰ ভাৱ দিনক দিনে কমি আহিছে । শিক্ষা আৰু সংস্কাৰৰ মাজেদি ইয়াক উন্নিত কৰাৰ চেষ্টা চলাই অহা হৈছে যদিও এক যোগসুত্ৰৰ অভাৱে ইয়াক সফল হবলৈ দিয়া নাই। সেয়েহে হিন্দুত্ব নামৰ এই চিন্তাধাৰাক শিক্ষা আৰু সংস্কাৰৰ মাজৰ যোগসূত্ৰ হিচাবে লৈ মানৱ সমাজে একবিংশ শতিকাত প্ৰৱেশ কৰিব নোৱাৰিবনে?





# ঃ নিউক্লীয় শক্তি আৰু পৰিবেশ প্ৰদূষণঃ

**শ্ৰী নিপন চাংকাকতী**

**স্নাতক ২য় বৰ্ষ (বিজ্ঞান)**

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে যি দৰে পৃথিৱীখনে বিভিন্ন ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে ঠিক সেইদৰে তাৰফলত বিভিন্ন সমস্যাবো সন্মুখীন হ'বলগীয়া হৈছে, তাৰে ভিতৰত আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল বিভিন্ন ধৰণৰ প্ৰদূষণ। বৰ্তমান পৃথিৱীখনত বিভিন্ন কাৰণত প্ৰদূষণ হবলৈ ধৰিছে আৰু ইয়াৰ ভিতৰৰ অন্যতম কাৰণ হ'ল নিউক্লীয় শক্তিৰ পৰীক্ষণ আৰু ইয়াৰ প্ৰয়োগ।

১৯৪২ চনৰ ২ ডিচেম্বৰত আমেৰিকাৰ এন্‌ৰিকো ফাৰ্মিয়ে চিকাগোত বিশ্বৰ প্ৰথম নিউক্লীয় ৰিয়েক্টৰটো কাৰ্যক্ষম কৰি নিউক্লীয় শক্তি আহৰণত এক নতুন যুগৰ সুচনা কৰিলে। বৰ্তমান পৃথিৱীত দেখা দিয়া শক্তিৰ নাটনিৰ সমস্যাটোৰ সমাধান অধিকাংশ পূৰণ কৰিছে নিউক্লীয় শক্তিয়ে, নিউক্লীয় শক্তি আহৰণ কৰোতে নিউক্লীয় শক্তিকেন্দ্ৰৰ পৰা নিৰ্গত হোৱা গোটা, জুলীয়া, গেছীয়, তেজস্ত্ৰিয় পেলনীয়া পদাৰ্থৰ দ্বাৰা পৰিবেশ প্ৰদূষণৰ পৰিমানো বাঢ়িব লাগিছে। ইয়াৰ ওপৰিও বিশ্বৰ বিভিন্ন দেশে বায়ুমণ্ডল, ভূ-গৰ্ভ, সমুদ্ৰ আৰু মহাকাশত নিউক্লীয় বিস্ফোৰণৰ পৰীক্ষা কাৰ্য্য চলোৱাৰ বাবেও আমাৰ পৰিবেশ দূষিত হৈছে। এই প্ৰবন্ধটোৰ পৰা নিউক্লীয় শক্তিকেন্দ্ৰ আৰু নিউক্লীয় বিস্ফোৰণৰ পৰা কেনেদৰে মাটি, পানী আৰু বায়ুমণ্ডলৰ প্ৰদূষণ হৈছে সেই বিষয়ে আলোচনা কৰিবলৈ ওলাইছো।

নিউক্লীয় শক্তিকেন্দ্ৰৰ নিউক্লীয় ৰিয়েক্টৰত ইন্ধন হিচাপে ব্যৱহাৰ কৰা বিভিন্ন প্ৰকাৰৰ মৌলৰ শৃংখল বিক্ৰিয়াৰ ফলত কিছুমান বিখণ্ডন উৎপাদক আৰু ট্ৰেন্সইউৰেনিয়াম নামৰ মৌলিক পদাৰ্থৰ সৃষ্টি হয়। এইবোৰ গোটা, জুলীয়া আৰু গেছীয় অৱস্থাত ৰিয়েক্টৰৰ পৰা নিৰ্গত হয়। এইবোৰেই নিউক্লীয় শক্তিকেন্দ্ৰৰ তেজস্ক্ৰীয় পেলনীয়া পদাৰ্থ। ইয়াৰ ওপৰিও নিউক্লীয় শক্তিকেন্দ্ৰৰ তেজস্ক্ৰিয় ইন্ধন আৰু ইন্ধন দণ্ড বিশুদ্ধিকৰণ কাৰখানা, বিভিন্ন পাম্প, যন্ত্ৰপাতি, নলা, বিজ্ঞানাগাৰ, সাজ -পাৰ আৰু অনান্য সঁজুলী আদি চাফা কৰা অংশৰ পৰাও কিছুমান জুলীয়া তেজস্ক্ৰীয় পেলনীয়া পদাৰ্থ নিৰ্গত হয়। ইয়াৰ ফলত সমুদ্ৰ বা নদীৰ পানী দূষিত হৈ পৰে। এই সমুদ্ৰ বা নদীৰ পানী দূষিত হোৱাৰ ফলতেই কেইবাটাও প্ৰজাতিৰ সামুদ্ৰিক চৰাইৰ সংখ্যা কমি অহাৰ প্ৰমান পোৱা গৈছে। সমুদ্ৰ বা নদীৰ পানীত মিহলি হৈ পৰা বিষাক্ত তেজস্ক্ৰিয় পদাৰ্থবোৰ চৰাই, জলজ উদ্ভিদ আৰু প্ৰাণীৰ দেহত প্ৰৱেশ কৰে আৰু খাদ্য শৃংখলৰ যোগেদি এই পদাৰ্থবোৰ মানুহৰ দেহত প্ৰৱেশ কৰে। তদুপৰি এনে তেজস্ক্ৰিয় পদাৰ্থযুক্ত দূষিত পানী খেতি পথাৰৰ মাটিত ব্যৱহাৰ কৰিলে আৰু তেনে মাটিৰ শস্য, ঘাহঁ - বন বা অন্যান্য গছ-গছনি জীৱ জন্তুৱে খালে জীৱ জন্তুৰ দেহত তেজস্ক্ৰিয় পদাৰ্থবোৰ প্ৰৱেশ কৰে। আনহাতে নিউক্লীয় শক্তিকেন্দ্ৰবোৰৰ পৰিত্যক্ত পানীত দ্ৰৱীভূত হৈ থকা তেজস্ক্ৰিয় গেছবোৰ বায়ুমণ্ডললৈ গৈ বায়ুমণ্ডল দূষিত কৰি তোলে। আমেৰিকা যুক্তৰাজ্যৰ কলাম্বিয়া নদী, ৱাশ্বিংটন ৰাজ্যৰ নদীৰ পানী এইদৰে নিউক্লীয় শক্তিকেন্দ্ৰবোৰৰ পৰা নিৰ্গত হোৱা তেজস্ক্ৰিয় পদাৰ্থৰদ্বাৰা দূষিত হোৱা বুলি প্ৰমান পোৱা গৈছিল। নিউক্লীয় শক্তিকেন্দ্ৰৰ পৰা নিৰ্গত হোৱা উক্ত তেজস্ক্ৰিয়তা সম্পন্ন জুলীয়া পদাৰ্থবোৰ কিছুমান ডাঙৰ আয়তনৰ তীখাৰ আধাৰত ভৰাই ভূ-গৰ্ভৰ বা সমুদ্ৰৰ বহু গভীৰতাত পুতি থোৱা হয়। কেতিয়াবা এইদৰে পুতি থোৱা তেজস্ক্ৰিয় পেলনীয়া পদাৰ্থবোৰত প্ৰচুৰ পৰিমাণে তাপ আৰু চাপৰ সৃষ্টি হয়। ফলত এই তীখাৰ আধাৰৰ পৰা তেজস্ক্ৰিয় পদাৰ্থ ওলাই আহি মানুহ আৰু জীৱ জন্তুৰ জীৱন বিপদাপন্ন কৰি তুলিব পাৰে। কেতিয়াবা কিছুমান ডাঙৰ আকাৰৰ উল্কাপিণ্ডই ভূ-

পৃষ্ঠত আঘাত কৰাৰ ফলত বা ভূমিকম্পৰ ফলতো ভূ-গৰ্ভত পুতি থোৱা তেজস্ক্ৰিয় পদাৰ্থবোৰৰ আধাৰবোৰ ভূ- পৃষ্ঠৰ ওপৰলৈ উঠি আহিব পাৰে আৰু আধাৰবোৰৰ পৰা তেজস্ক্ৰিয় পদাৰ্থবোৰ নিৰ্গত হৈ জৈৱ মণ্ডলত অতি সহজে মিহলি হৈ যাব পাৰে আৰু এক অস্বাস্থ্যকৰ পৰিবেশৰ সৃষ্টি কৰিব পাৰে।

নিউক্লীয় ৰিয়েক্টৰৰ পৰা আলফা, বিটা, গামা তেজস্ক্ৰিয় ৰশ্মি আৰু নিউট্ৰণ কণা নিৰ্গত হয়। দীঘলীয়া সময়ৰ বাবে এনে তেজস্ক্ৰিয় ৰশ্মি আৰু নিউট্ৰণ কণাৰ দ্বাৰা আলোকিত হলে দেহৰ অনিষ্ট হয়। কেতিয়াবা নিউক্লীয় ৰিয়েক্টৰ আৰু নিউক্লীয় শক্তি সম্বন্ধীয় বিজ্ঞানাগাৰত দুৰ্ঘটনা ঘটি বায়ু আৰু মাটি দূষিত কৰে। নিউক্লীয় ৰিয়েক্টাৰৰ বাবে খনিৰ পৰা তেজস্ক্ৰিয় পদাৰ্থ আহৰণ কৰা ঠাই আৰু নিউক্লীয় মাৰণাস্ত্ৰ তৈয়াৰ কৰা কাৰখানাৰ পৰাও বায়ু, পানী আৰু মাটি দূষিত হয়।

বৰ্ত্তমানে পৃথিৱীৰ উন্নত আৰু উন্নয়ণশীল দেশবোৰে বায়ুমণ্ডল, ভূ-গৰ্ভ, সমুদ্ৰৰ গভীৰ অঞ্চল আৰু মহাকাশত পৰীক্ষামূলক ভাবে ঘটোৱা নিউক্লীয় বিস্ফোৰণৰ দ্বাৰাও যথেষ্ঠ পৰিমাণে বায়ু, পানী আৰু মাটি দূষিত হয়। এনে প্ৰদূষণৰ কু-প্ৰভাৱৰ ফল পৃথিৱীৰ জীৱ জগতৰ ওপৰত প্ৰতেক্ষ বা পৰোক্ষভাৱে হঁলেও পৰে। নিউক্লীয় বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা আটাইতকৈ মাৰাত্মক তেজস্ক্ৰিয় মৌলবোৰ হ'ল - ষ্ট্ৰনছিয়ম আয়'ডিণ, ছিঝিয়াম, কাৰ্বন আদিৰ আইছ'টপ আৰু হাইড্ৰজেন ৩ বা ট্ৰাইটিয়াম। বায়ুমণ্ডলত ঘটোৱা নিউক্লীয় বিস্ফোৰণৰ ফলত বায়ুমণ্ডলত প্ৰচণ্ড তাপ আৰু চাপৰ সৃষ্টি হয়। এনে তাপ আৰু চাপৰ বাবে বায়ুত থকা অক্সিজেন আৰু নাইট্ৰজেনৰ ৰাসায়নিক বিক্ৰিয়া ঘটি নাইট্ৰজেনৰ অক্সাইড সৃষ্টি হয়। এই নাইট্ৰজেনৰ অক্সাইডবোৰে সূৰ্য্যৰ উপস্থিতিত বায়ুমণ্ডলৰ ষ্টেটোস্ফিয়াৰত থকা অ'জ'ন গেছৰ স্তৰটোত বিয়োজন ঘটাই তাক অক্সিজেন অনুলৈ ৰূপান্তৰিত কৰে। উল্লেখযোগ্য যে, বায়ুমণ্ডলৰ ষ্টেটোস্ফিয়াৰত থকা অ'জ'ন গেছৰ স্তৰটোৱে সূৰ্য্যৰ পোহৰত থকা মাৰাত্মক অতি বেঙুনীয়া ৰশ্মিৰ শতকৰা ৯০ ভাগ শোষণ কৰি লোৱাৰ বাবে অধিকাংশ অতি বেঙুনীয়া ৰশ্মি আহি পৃথিৱীৰ ওপৰত নপৰে। সেয়েহে পৃথিৱীত উদ্ভিদ আৰু প্ৰাণী জীয়াই থাকিব পাৰিছে। বায়ুমণ্ডলৰ অ'জ'ন গেছৰ স্তৰটোৰ নিউক্লীয় বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা নাইট্ৰজেনৰ অক্সাইডবোৰৰ দ্বাৰা বিয়োজন ঘটাৰ ফলত পৃথিৱীৰ অতি বেঙুনীয়া ৰশ্মিৰ পৰিমান বৃদ্ধি পায়। ইয়াৰ বাবেই পৃথিৱীত বিভিন্ন ধৰনৰ ছালৰ বেমাৰ আৰু কৰ্কট ৰোগীৰ পৰিমান বৃদ্ধি পাইছে। ভূ-গৰ্ভত ঘটোৱা নিউক্লীয় বিস্ফোৰণৰ ফলত ভূ-গৰ্ভৰ পানীৰ লগতো তেজস্ক্ৰিয় পদাৰ্থবোৰ মিহলি হয়। বায়ুমণ্ডলত ঘটোৱা নিউক্লীয় বিস্ফোৰণৰ ফলত সুক্ষ্ম তেজস্ক্ৰিয় কণাবোৰ বায়ুমণ্ডলৰ পৰা বহু ওপৰলৈকে সিঁচৰিত হৈ পৰে আৰু বায়ুমণ্ডলৰ ধূলি কণিকা আৰু ডাৱৰৰ লগ লাগে। এই তেজস্ক্ৰিয় কণাবোৰ ধূলি কণিকা, বৰষুণ, নিয়ঁৰ আৰু বৰফৰ লগত ভূ-পৃষ্ঠৰ ওপৰিভাগত পৰেহি। ইয়াকে "তেজস্ক্ৰিয় পতন" বোলা হয়। বায়ুমণ্ডলত মিহলি হৈ পৰা তেজস্ক্ৰিয় কণাবোৰ ধূলি কণিকা আৰু ডাৱৰৰ লগত বয়ুমণ্ডলত বহুদিন থাকি যায় আৰু বতাহে এইবোৰ বিস্ফোৰণ ঘটোৱা ঠাইৰ পৰা বহু দূৰলৈকে উৰুৱাই লৈ যায়। এইদৰে তেজস্ক্ৰিয় কণাবোৰ এখন দেশৰ বায়ুমণ্ডলৰ পৰা আন এখন দেশৰ বায়ুমণ্ডললৈ সিঁচৰিত হৈ পৰে। নিউক্লীয় বিস্ফোৰণৰ দ্বাৰা সৃষ্টি হোৱা তেজস্ক্ৰিয় কণাবোৰ ভূ-পৃষ্ঠলৈ নামি আহি পানী, শাক পাছলি, জীৱ জন্তুৰ চৰণীয়া পথাৰৰ যোগেদি জীৱ জন্তুৰ মাংস গাখীৰ আৰু আন আন দুগ্ধজাত সামগ্ৰীত প্ৰবেশ কৰে আৰু অৱশেষত খাদ্য-শৃংখলৰ যোগেদি মানুহৰ দেহত প্ৰবেশ কৰে।

সমুদ্ৰ গৰ্ভত ঘটোৱা নিউক্লীয় বিস্ফোৰণৰ ফলত বহুতো সামুদ্ৰিক প্ৰাণী আৰু উদ্ভিদৰ বিনাশ হয় আৰু কিছুমান প্ৰাণী আৰু উদ্ভিদৰ বংশ চিৰদিনৰ বাবে লোপ পায়। বিস্ফোৰণৰ দ্বাৰা সৃষ্টি হোৱা তেজস্ক্ৰিয় আইছ'টপবোৰ সমুদ্ৰৰ পানীৰ লগত মিহলি হৈ বহু দূৰলৈকে বিয়পি হৰে। এই আইছ'টপবোৰ সামুদ্ৰিক প্ৰাণী আৰু উদ্ভিদৰ দেহৰ পৰা খাদ্য শৃঠখলৰ যোগেদি মানুহৰ দেহত প্ৰবেশ কৰে। এই তেজস্ক্ৰিয় আইছ'টপবোৰৰ পৰাই মানুহৰ দেহত হাড়ৰ কেন্সাৰ আৰু তেজৰ কেন্সাৰ ৰোগ সৃষ্টি কৰিব পাৰে। আন কিছুমান বিস্ফোৰণৰ ফলত তেজস্ক্ৰিয় আয়'ডিন সৃষ্টি হয়। এই তেজস্ক্ৰিয় আয়'ডিনে মানুহৰ দেহৰ যায়ৰয়ড





গ্ৰন্থিৰ অনিষ্ট কৰে। বিশেষকৈ দহ বছৰৰ তলৰ ৯০ ভাগ সৰু ল'ৰা চোৱালীৰ যাইৰয়ড গ্ৰন্থি তেজস্ক্ৰিয় আয়ডিনৰ দ্বাৰা বেছিকৈ আক্ৰান্ত হয়। সৰু ল'ৰা ছোৱালীৰ যাইৰয়ড গ্ৰন্থি তেজস্ক্ৰিয় আয়ডিনৰ দ্বাৰা আক্ৰান্ত হলে সিঁহতৰ দেহৰ গঠনত আৰু মানসিক বিকাশত বাধা জন্মে। আনহাতে কিছুমান তেজস্ক্ৰিয় আইছ'টপ মানুহৰ দেহত প্ৰবেশ কৰিলে মানুহৰ প্ৰজনন তন্ত্ৰৰ অনিষ্ট হয় আৰু ফলত প্ৰজনন ক্ষমতা চিৰদিনৰ বাবে নোহোৱা হয়। গৰ্ভৱতী তিৰোতা যদি তেজস্ক্ৰিয় পদাৰ্থৰ দ্বাৰা আক্ৰান্ত হয়, তেনেহলে তাৰ প্ৰভাৱ গৰ্ভস্থ সন্তানৰ ওপৰত পোনপটিয়াকৈ পৰে আৰু তাৰ ফলত বিকলাংগ বা দীৰ্ঘস্থায়ী ৰোগ থকা সন্তানৰ জন্ম হ'ব পাৰে। দেহত প্ৰবেশ কৰা তেজস্ক্ৰিয় পদাৰ্থৰ পৰা ওলোৱা তেজস্ক্ৰিয় ৰশ্মিয়ে চকুৰ অনিষ্ট কৰে, মস্তিষ্ক আৰু স্নায়ুতন্ত্ৰৰ অনিষ্ট কৰি মানুহৰ মানসিক ভাৰসাম্য নোহোৱা কৰে, দেহৰ পেশীবোৰৰ অনিষ্ট কৰি গোটেই দেহটোক দূৰ্বল কৰি তোলে, হাওঁফাওঁ আৰু যকৃতৰ কেন্সাৰ ৰোগ সৃষ্টি কৰে। ইয়াৰ ওপৰিও মানুহৰ দেহত প্ৰৱেশ কৰা তেজস্ক্ৰিয় পদাৰ্থবোৰৰ আক্ৰান্ত হোৱাৰ ফলত তেজৰ ৰঙা আৰু বগা ৰক্তকোষৰ পৰিমাণ লাহে লাহে কমি যোৱা, তেজৰ বহন ক্ষমতা কমি যোৱা, দেহৰ স্বাভাৱিক উত্তাপ বৃদ্ধি পোৱা, নাক, দাঁতৰ আলু আৰু পাকস্থলিৰ পৰা তেজ ওলোৱা, মূৰৰ চুলি আৰু গাৰ নোম সৰি যোৱা, বমি ভাৱ হোৱা, প্ৰস্বাৱত সৰহ পৰিমাণে এমিন' এছিড ওলোৱা আদি বহুতো আনুসঙ্গিক ৰোগৰ লক্ষণে দেখা দিয়ে। এইবোৰৰ ফলত মানুহৰ আয়ুস বহুখিনি কমি যায়। তেজস্ক্ৰিয় পদাৰ্থৰ দ্বাৰা আক্ৰান্ত হলে তাৰ প্ৰতিক্ৰিয়া লগে লগে নহৈ কেইবাবছৰ পাছতো হব পাৰে। তেজস্ক্ৰিয় পদাৰ্থৰ দ্বাৰা আক্ৰান্ত হোৱাৰ প্ৰতিক্ৰিয়া এটা বংশতে সিমীত হৈ নাথাকে। তেজস্ক্ৰিয় ৰশ্মিয়ে দেহৰ জিনৰ গঠণৰ পৰিবৰ্ত্তন ঘটোৱাৰ ফলতো ভৱিষ্যতৰ বংশতো মৃত বিকলাঙ্গ সন্তানৰ জন্ম হৈ থাকিব পাৰে।

১৯৪৫ চনৰ ৬ আগষ্ট তাৰিখে জাপানৰ হিৰোছিমাত 'লিটল বয়' আৰু ৯ আগষ্ট তাৰিখে নাগাছাকিত "ফেটমেন" নামৰ যি দুটা নিউক্লীয় বোমা আমেৰিকা যুক্তৰাষ্ট্ৰই নিক্ষেপ কৰিছিল তাৰ ফলত নগৰ দুখনৰ হাজাৰ হাজাৰ মানুহ তেজস্ক্ৰিয়তাৰ বলি হৈ মৃত্যু মুখত পৰিছিল। নগৰ দুখনৰ ওপৰিও ওচৰে পাজৰে থকা অঞ্চলৰ বায়ু, পানী, মাটি তেজস্ক্ৰিয় পদাৰ্থৰ দ্বাৰা দূষিত হৈ পৰিছিল। এই প্ৰদূষণৰ প্ৰভাৱে জীৱ জগতৰ ওপৰত অতি বেয়া ধৰণে পৰিছিল আৰু বহু বছৰ পিছলৈকে তেজস্ক্ৰিয় প্ৰদূষণৰ প্ৰতিক্ৰিয়া হিৰোছিমা আৰু নাগাছাকিত হৈয়ে আছিল।

তেজস্ক্ৰিয় প্ৰদূষণে সমগ্ৰ বিশ্বৰ দেশবোৰতে এটা ডাঙৰ সমস্যাৰ সৃষ্টি কৰিছে। নিউক্লীয় শক্তি কেন্দ্ৰ যিমানে বাঢ়িছে, তেজস্ক্ৰিয় পেলনীয়া পদাৰ্থবোৰে দিনক দিনে প্ৰদূষণৰ সমস্যা সিমানে বঢ়াই তুলিছে। এই পদাৰ্থবোৰে সকলো দেশতে নিউক্লীয় শক্তি আহৰণৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যাৰ সৃষ্টি কৰিছে। এনে প্ৰদূষণ কিদৰে ৰোধ কৰিব পৰা যায়, সেই বিষয়ে বিভিন্ন দেশৰ বিজ্ঞানীসকলে গৱেষণা চলাই আছে যদিও সম্পূৰ্ণ ৰূপে সফল হব নাই।

বৰ্ত্তমান পৃথিৱীত সৰহভাগ দেশেই প্ৰতিযোগিতামূলক ভাৱেৰে নিউক্লীয় শক্তিৰ বোমা, মাৰণাস্ত্ৰ বনাবলৈ লৈছে। যোৱাবছৰ ভাৰতবৰ্ষ আৰু পাকিস্থানেও পাঁচটা আৰু সাতটাকৈ পৰিক্ষণ চলায়। ফলত কিছু পৰিমাৰে হলেও এই দেশৰ জলবায়ুত ইয়াৰ প্ৰভাৱ পৰিছে। মন কৰিব লগা কথা যে, 'লিটল বয়' নামৰ নিউক্লীয় বোমাটোৰ দৰে ছয় নিযুতটা বোমাৰ শক্তি থকা এক বৃহত পৰিমানৰ নিউক্লীয় মাৰণাস্ত্ৰ আমাৰ বৰ্ত্তমানে পৃথিৱীত জমা আছে। এনে বৃহৎ পৰিমানৰ শক্তি থকা নিউক্লীয় মাৰণাস্ত্ৰই আমাৰ পৃথিৱীখন শত শত বাৰ ধ্বংশ কৰিব পাৰে। আজি যদি বিশ্বত এখন বৃহৎ নিউক্লীয় যুদ্ধৰ সৃষ্টি কৰে, তেনেহলে সেই যুদ্ধ চলিব মাত্ৰ কেইমিনিটৰ বাবেহে। তাৰ পিছতে সমগ্ৰ বিশ্বৰ মানুহ, উদ্ভিদ, জীৱ জন্তু ধ্বংশ হৈ যাব। ধোঁৱা আৰু ছাইৰ ঘন ডাৱৰেৰে পৃথিৱীৰ বায়ুমণ্ডল ভৰি পৰিব, বায়ুমণ্ডল একেবাৰে বিষাক্ত হৈ পৰিব আৰু সূৰ্য্যৰ পোহৰ আহি পৃথিৱীত নপৰিব। ইয়াৰ ফলত সমগ্ৰ উত্তৰ গোলাৰ্ধত সৃষ্টি হ'ব প্ৰচণ্ড "নিউক্লীয় শীতকাল আৰু দক্ষিণ গোলাৰ্ধত সৃষ্টি হব প্ৰচণ্ড "নিউক্লীয় গ্ৰীষ্ম কাল"। পৃথিৱীৰ মাটি, পানী আৰু বায়ু তেজস্ক্ৰিয় হৈ পৰিব। গতিকে এনে পৰিমাণৰ নিউক্লীয় মাৰণাস্ত্ৰ জমা ৰখাটো সমগ্ৰ বিশ্বৰ বাবে নিশ্চয় শুভ কাম নহয়।

# ড্ৰাগছ

শ্ৰীঅৰ্চনা বৰা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

বৰ্ত্তমান পৃথিৱীৰ মানৱ সমাজে এক ভয়ংকৰ সমস্যাৰ কবলত পৰিছে। যাক সমাধান কৰাটো কষ্টসাধ্য। এই সমস্যাটো হৈছে ড্ৰাগছৰ সমস্যা।

এই ড্ৰাগছনো কি বস্তু ? ড্ৰাগছ হ'ল প্ৰধানতঃ এবিধ ঔষধ। শৰীৰটো সুস্থ সবল কৰাত ব্যৱহাৰ কৰোতে এই ঔষধ বিধে দেহ মনবো ৰাগী লগায়। ফলত এই মাদক ঔষধৰ ঔষধী গুণটোক তল পেলাই ৰাগীটোৰ প্ৰতি অধিক আকৰ্ষিত কৰি অধিক মাত্ৰাত সেৱনকাৰীৰ দেহ মন অৰ্কমণ্য কৰি পেলায়।

ড্ৰাগছক কেইবাটাও ভাগত ভাগকৰা হৈছে। ডাক্তৰী ভাষাত (১) ষ্টিমুলেণ্ট (২) ডিপ্ৰেছেণ্ট (৩) নাৰকটিকচ হেলুছিন জেন (৪) কেলবিছ (৫) এনেলজেছিক; এই বিভিন্ন শ্ৰেণীৰ ঔষধ বোৰৰ ভিতৰত (ক) বেনজিন উইন, (খ) নিকটিন, (গ) এলকহ'ল, (ঘ) ছেকনেল (ঙ) নেমবুটাল, (চ) গাৰ্ডেনেল ভেলিয়াম (ছ) মেনড্ৰক্স, (জ) লিব্ৰিয়াম (ঝ) ডৰিডন, (ঞ) অপিয়াম (ট) কানি বা মৰফিন (ঠ) ক'ডেইন ( ড) হেৰ'ইন (ঢ) ব্ৰাউন চুগাৰ (ণ) মেথাচন, (ত) পেথিডাইন (থ) ভাং (দ) গাঞ্জা (ধ) ছাৰছ এল (ন) ছিলছাইবিন মেস্কেলাইন ইত্যাদিয়েই প্ৰধান।

ড্ৰাগছ সেৱন কৰাৰ পাছতেই সেৱনকাৰীৰ বহুতো পৰিবৰ্ত্তন হোৱা দেখা যায়। তেওঁলোক খেলা-ধূলা আৰু দৈনন্দিন অভ্যাসৰ ৰুচিবোৰ নাইকীয়া হয়। ওজন কমি অহা ভোক নলগা, শাৰীৰিক অস্থিৰতা, হাত ভৰি কপা, কথা কওতে বোবাবলৈ ধৰা, চকু ৰঙা ৰঙা হৈ উখহি থকা, ভালকৈ নেদেখা হোৱা এই বোৰ লক্ষণ ড্ৰাগছ সেৱনকাৰীৰ গাত দেখা পোৱা যায়। ড্ৰাগছ সেৱন কৰা মানুহৰ গাত আৰু কিছুমান লক্ষণ দেখা পোৱা যায়। যেনে:-(ক) ওকালি অহা, (খ) বমি, (গ) শৰীৰত অসহ্য বিষ, (ঘ) জলকা লাগি থকা, (ঙ) এলেহুৱা হোৱা, (চ) উদ্বিগ্ন আৰু বিষাদ মনা হোৱা, (ছ) মানসিক অৱস্থাৰ পৰিৱৰ্ত্তন, (জ) স্মৰণ শক্তি আৰু একাগ্ৰতাৰ অভাৱ হোৱা, (ঝ) খিং খিঙিয়া হোৱা (ঞ) জীৱনৰ প্ৰতি উদাসীনতা, (ট) নিসংগতা প্ৰিয় হোৱা ইত্যাদি।

পৃথিৱীৰ সমৃদ্ধিশীল দেশবোৰ যেনে :- আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স, স্পেইন, জাৰ্মানি, ইটালী আদিৰ দৰে আমাৰ ভাৰতবৰ্ষত এই ড্ৰাগছৰ কবলত পৰিছে। ভাৰতৰ মুম্বাই, দিল্লী, চেন্নাই(মাদ্ৰাজ) আৰু কলিকতা আদি মহানগৰ সমূহত বিদেশী পৰ্যটক তথা অন্যান্য পৰিবাহকৰ দ্বাৰা এই বে-আইনী ড্ৰাগছৰ ব্যৱহাৰ চলিবলৈ ধৰিছে। বৰ্ত্তমান অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ নগৰ-চহৰ, শ-শ পথ-ঘাট, দোকান-পোহাৰত এই ভয়াবহ মাদক দ্ৰব্যবিধৰ চোৰাং ব্যৱসায় প্ৰতিদিনে চলিব লাগিছে। এই ব্যৱসায়ৰ এজেন্টবোৰে নানা বেশেৰে যুৱ সম্প্ৰদায়ক বিপথে ধাবিত কৰিছে। ব্যৱসায়ৰ মুৰব্বীসকল আইন আদালতৰ স্পৰ্শাতীত, সমাজৰ ওপৰ মহলাত বিৰাজমান।

আমাৰ ভাৰতবৰ্ষত ব্ৰাউন চুগাৰ আৰু বাকী দেশবোৰত প্ৰধানতঃ কোকেইন অধিক হাৰত বিক্ৰী হয়। বৰ্ত্তমান বজাৰত ''ক্ৰেক'বক আদি কোৰেইন জাত ভয়াবহ নতুন নতুন ড্ৰাগছ বোৰে স্থান পাইছে। সাধাৰণতে মধ্য আৰু দক্ষিণ আমেৰিকাকে ধৰি বহুতো দেশৰ পৰা কোকেইনৰ স্মাগলিং হয়। পশ্চিম জাৰ্মানিতো আমেৰিকাৰ দৰেই "ক্ৰেক" আদি শক্তিশালী ড্ৰাগছৰ স্মাগলিং হোৱাৰ সম্ভাৱনা কৰা হৈছে। প্ৰতিবছৰে দেশ-বিদেশৰ লগতে আমাৰ দেশ ভাৰতবৰ্ষবো "এয়াৰ পৰ্ট' সমূহত আৰু মাজে মাজে মালবাহী ট্ৰাক কিছুমানতো কোটি কোটি টকাৰ ড্ৰাগছ ধৰা পৰিছে। "ইন্টাৰপল" বা আন্ত:ৰাষ্ট্ৰীয় আৰক্ষী বাহিনীয়ে ধৰা পেলোৱা ড্ৰাগছৰ ওপৰত ধাৰণা কৰা মতে প্ৰতিবছৰে ইটালীত ৬০ ভাগ হাৰত, পশ্চিম জাৰ্মনীত ৮৫ হাৰত আমেৰিকাত ৫৫ ভাগ হাৰত আৰু ভাৰতবৰ্ষত ৪০ ভাগ হাৰত ড্ৰাগছ সেৱনকাৰীৰ সংখ্যা





বাঢ়িছে। স্পেইনত বৰ্তমান ৯২ হাজাৰৰ পৰা ৯৮ হাজাৰ লোক কোকেইনৰ ভক্ত হৈ পৰিছে। স্পেইনত কোকেইনৰ প্ৰতি গ্ৰামৰ দাম ৬০ ষ্টালিং। বিশেষকৈ বিত্তবান আৰু উচ্চ মধ্যবিত্ত যুৱসমাজ কোকেইনৰ গ্ৰাসত পৰিছে। কোকেইন সেৱনকাৰীৰ সংখ্যা প্ৰতিবছৰে পাচগুণতকৈ বাঢ়িয়েই আছে। কোকেইনৰ পাচতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰধান ৪০ খন মহানগৰৰ যুৱ সমাজৰ প্ৰিয় ড্ৰাগছ হ'ল ক্ৰেক বা ৰক। প্ৰধানকৈ ১৮/২০ বছৰৰ পৰা ৩৫ বছৰ বয়সীয়া যুৱক - যুৱতী সকল ইয়াৰ কৱলত পৰিছে। কোকেইনতকৈ ক্ৰেক বা ৰকৰ দাম অতি সস্তা। ছয় বা সাত টুকুৰাৰ দাম ২০ ডলাৰ। কিন্তু কোকেইনৰ এক আউন্সৰ দাম বিশ হাজাৰ ডলাৰ। (২০,০০০ ডলাৰ) (আমাৰ দেশৰ ৭.৫০ পইচাৰ সমান আমেৰিকাৰ ১ ডলাৰ মুদ্ৰাৰ পৰিমাণ)।

আফিং, গাঞ্জা, হেছিছ, ব্ৰাউন চুগাৰ আদি মাদক দ্ৰব্যৰ তুলনাত কোকেইন আৰু ক্ৰেক বা ৰকৰ প্ৰতিক্ৰিয়া অসাধাৰণ। কোকেইন শ্বাসনলীত প্ৰৱেশ কৰাৰ লগে লগে সেৱনকাৰীৰ হাওঁফাওঁ আক্ৰান্ত হৈ পাছত দ্ৰুতগতিত হৃদপিণ্ড আৰু মস্তিষ্কৰ কাজ-কৰ্মত ব্যাঘাত জন্মায়। কোকেইন সেৱনকাৰী মহিলাই মানসিক প্ৰতিবন্ধী শিশু জন্ম দিয়ে। কোকেইন এবিধ অন্য জাতৰ ড্ৰাগছ। যাক নিউয়ৰ্কত ক্ৰেক আৰু লৰ্চ এঞ্জেলচ আৰু দক্ষিণৰ মহানগৰত "ৰক" নামাকৰণ কৰা হৈছে। ক্ৰেকৰ সৰু সৰু টুকুৰাবোৰ চিচাৰ পাইপত ভৰাই হোপাৰ লগে লগে ইয়াৰ ধোৱা চিধা চিধি হাওঁফাওঁ লৈ যায় আৰু তাৰপৰা ৰক্ত প্ৰবাহৰ লগত পৰিবাহিত হৈ দুই তিনি ছেকেণ্ড মানৰ ভিতৰতে মস্তিষ্কত খুন্দা মাৰে। ফলত চূড়ান্ত নিচাত নিচাখোৱাজন ঢলি পৰে আৰু বহু সময়লৈকে চূড়ান্ত অৱসাদ গ্ৰস্ততাত পৰি পুনৰ ৰক বা ৰক সেৱন কাৰীক এই মাদক দ্ৰব্যই দ্ৰুত মৃত্যুৰ পথলৈ আগবঢ়াই নিয়ে। ক্ৰেকৰ ধোৱাই ৰক্ত চাপ বৃদ্ধি কৰি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ কৰিব পাৰে। সেৱন কাৰীৰ কণ্ঠনলীত 'ঘা' ৰ সৃষ্টি কৰে আৰু মানসিকতাৰ সৃষ্টি হয়। ক্ৰেকৰ ভক্তই দ্ৰুতভাৱে শাৰীৰিক আৰু মানসিক ভাৰসাম্য হীনতাত ভোগীবলৈ ধৰে।

ভাৰতবৰ্ষৰ বাবেও ড্ৰাগছৰ সমস্যা এক জ্বলন্ত সমস্যা হৈ পৰিছে। বৰ্তমান আমাৰ অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ গোটেই কেইখন ৰাজ্যতে ড্ৰাগছৰ বাবে অতি ভয়ংকৰ সমস্যাৰ সৃষ্টি হৈছে। অসমৰ কেইখনমান ব্যস্ত মহানগৰত এই ড্ৰাগছ বা মাদকদ্ৰব্যবিধৰ চোৰাং কাৰবাৰ অবাধে প্ৰতিদিনে চলি আছে। এই মাদক দ্ৰব্যবিধৰ প্ৰতি আসক্ত হৈছে কিছুমান সম্ভ্ৰান্ত পৰিয়ালৰ ভদ্ৰ যুৱক। বৰ্তমান অসমত ড্ৰাগছৰ শিপা ইমান দূৰলৈ পোষাইছে যে তাক নিৰ্মূলকৰাতো আমাৰ সমাজৰ বাবে অতি কষ্টসাধ্য। একোটা পৰিয়ালৰ কোনো এজন সদস্য যেতিয়া ড্ৰাগছৰ দ্বাৰা আক্ৰান্ত হয় তেতিয়া পৰিয়ালৰ সাংসাৰিক পৰিস্থিতিত দুখে কুলাই পাচিয়ে নধৰা হয়। বৰ্তমান ভাৰতবৰ্ষৰ বহুতো শিক্ষিত, সম্ভ্ৰান্ত পৰিয়াল তথা বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ কিছুমান যুৱক-যুৱতী ব্ৰাউনচুগাৰ, হিৰোইন জাতীয় ড্ৰাগছৰ কৱাল গ্ৰাসত পৰিব ধৰিছে। আৰু ইয়াৰ ফলতেই এই যুৱক-যুৱতী সকলৰ লগতে আমাৰ যুৱসমাজখন ধ্বংসৰ পথলৈ আগবাঢ়ি গৈ আছে।

হিৰোইন, ব্ৰাউনচুগাৰ আদি বিষাক্ত মাদক দ্ৰব্যৰ প্ৰতি কিশোৰ, যুৱক-যুৱতী আসক্ত হৈছে। নতুন উত্তেজক পদাৰ্থৰ প্ৰতি যুৱ সমাজৰ আকৰ্ষণ সুতীব্ৰ। কিছুমান ব্যস্ত নগৰ চহৰৰ নিৰ্ধাৰিত স্থানৰ পৰা কলেজৰ বা হোষ্টেলৰ ছাত্ৰ-ছাত্ৰী বা আন কোনো যুৱক-যুৱতী সকলে ড্ৰাগছ সংগ্ৰহ কৰে। এই ড্ৰাগছ সেৱনকাৰী সকলে ড্ৰাগছ কিনিবৰ বাবে হাতত পইচা নাথাকিলে ঘৰৰ পৰা মূল্যৱান সামগ্ৰী চুৰ কৰি নিবলৈও কুণ্ঠাবোধ নকৰে। গতিকে বৰ্ত্তমান আমি সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ ভিতৰত ড্ৰাগছৰ সমস্যাই অতি ভয়াবহ।

মানৱ সমাজক এই নিচাসমূহে ধ্বংশৰ পথলৈ আগবঢ়াই নিছে। পশ্চিমীয়া দেশৰ উৎপাদান ক্ষম মানুহক নিচাগ্ৰস্থ কৰি সৰ্বনাশ কৰাৰ উপৰিও ইয়াৰ কবলত পৰা বহুতেই আইন শৃংখলাবো চূড়ান্ত অৱনতি ঘটাইছে। পুৰুষৰ ড্ৰাগছ সেৱনকাৰীয়ে চোৰ, ডকাইতি, হত্যা, ধৰ্ষন আদি কাৰ্য্যত লিপ্ত হৈছে মাত্ৰ এছিলিম ড্ৰাগছৰ বাবেই। ড্ৰাগছ সেৱনকাৰী বহুতো যুৱতী সংকোচ বিহীন ভাৱে দেহ বিক্ৰীৰ ব্যৱসায়তো নামি পৰিছে। সাধাৰণতে যৌৱনপ্ৰাপ্ত যুৱক সকলে কিছুমান কথা পাহৰি থাকিবৰ বাবে কিম্বা জীৱনৰ বাটত ঘাত প্ৰতিঘাতৰ সন্মুখীন হওতে এজনে আনজনক ব্ৰাউন চুগাৰ, হিৰোইন আদিৰ সন্ধান দি সহায় কৰে। সাধাৰণতে যুৱক-যুৱতী সকলে এই ড্ৰাগছ নামৰ মাদক দ্ৰব্য তথা বিষবিধ সেৱন কৰাৰ মূল কাৰণ সমূহ হৈছে:-

১) পাৰিবাৰিক সমস্যা যেনে-পিতৃ মাতৃৰ বিবাহ বিচ্ছেদ, প্ৰয়োজনীয় অভিভাৱকৰ অভাৱ, মৰম-আদৰ, প্ৰেম-প্ৰীতি ভালপোৱা আদিৰ পৰা বঞ্চিত হৈ বহুতো যুৱকে ড্ৰাগছকে আপোন কৰি লয়।

২) বহুতো যুৱকে বন্ধু-বান্ধৱৰ তাগিতাতেই হওক বা মনৰ উৎসুক্য দূৰ কৰিবলৈয়ে হওক ক্ৰমে ড্ৰাগছ খোৱা আৰম্ভ কৰে আৰু পাছত ই অভ্যাসত পৰিনত হয়।

৩) ড্ৰাগছে সৃজনী শক্তি বঢ়াই তোলা ভ্ৰান্ত ধাৰণাত ভূল গৈয়ো বহুতে এইবোৰ খাই বুদ্ধিজীৱী হ'ব বিচাৰে। কিন্তু ড্ৰাগছে অনুধাৱন আৰু চিন্তা শক্তি ভোটা কৰি পেলায় আৰু কাম কাজ বোৰ সংগতি বিহীন কৰি তোলে।

৪) বহুতে ক্লান্তি, বিৰক্তি, বিষাদ বা হতাশা আদিৰ পৰা মুক্তি বিচাৰি ড্ৰাগছ সেৱন কৰে।

৫) জীৱনৰ সমস্যা সমূহৰ পৰা আতৰি থাকিবলৈ তথা মানসিক শক্তি লভিবলৈও বহুতে ড্ৰাগছ সেৱন কৰিবলৈ ধৰে।

ড্ৰাগছৰ সমস্যা অকল আমাৰ যুৱসমাজৰে সমস্যা নহয়। ই সকলো সচেতন নাগৰিকৰ বাবেই চিন্তাৰ বিষয় হৈ পৰিছে। সমাজৰ প্ৰত্যেক সদস্যাই এই সমস্যা সামাধানৰ বাবে যত্ন কৰা উচিৎ। অন্যথাই গোটেই বিশ্বৰ মানৱ জাতিকে ধ্বংসৰ কৱলত পেলাব।

ড্ৰাগছৰ কৱাল গ্ৰাসৰ পৰা সমাজক উদ্ধাৰৰ বাবে চৰকাৰে বিভিন্ন আইন প্ৰণয়ন কৰিছে। মাদক দ্ৰব্যৰ ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা আনকি মৃত্যুদণ্ড পৰ্য্যন্ত শাস্তিৰো বিধান আছে। কিন্তু কেৱল আইনৰ সহায়তে ইয়াক নিৰ্মূল কৰা সম্ভৱ নহয়। পৰিয়াল আৰু সমাজৰ সহায় সহযোগিতাতহে ইয়াক নিৱাৰণ কৰা সম্ভৱ হ'ব।

ড্ৰাগছৰ কৱাল গ্ৰাসৰ পৰা মুক্ত হ'ব বিচৰা ৰোগীৰ প্ৰতি সমাজৰ সহানুভূতি, সহায়-সহযোগ আৰু অনুকম্পাৰ অতিকৈ প্ৰয়োজন। কাৰণ সমাজ আৰু পৰিয়ালৰ আদৰ সাদৰ আৰু যত্নই তেওঁলোকৰ মনোবল বৃদ্ধি কৰে। ড্ৰাগছ সেৱনকাৰী সকলৰ প্ৰতি কেতিয়াও কঠোৰ ব্যৱহাৰ কৰিব নালাগে। ড্ৰাগছ সেৱনকাৰীক ডাক্তৰক দেখুৱাই পৰিয়ালে লগে লগে ডাক্তৰৰ পৰামৰ্শ ল'ব লাগে। কোনো ব্যক্তিক ড্ৰাগছৰ কাৰবাৰ কৰা দেখিলে লগে লগে পুলিচক খবৰ দিব লাগে।

আমাৰ পৰিবাৰিক সম্বন্ধবোৰত যিমানেই বেছি আত্মীয়তা থাকিব ড্ৰাগছৰ বিপদো সিমান দূৰতে থাকিব। নিজৰ ল'ৰা ছোৱালীৰ লগত অভিভাৱক সকলে খোলা খুলিকৈ কথা পাতি সিহতৰ মনৰ কথা তথা সিহতৰ পথ অনুধাৱন কৰাত সক্ষম হ'ব পাৰে। সন্তানৰ আৰু তেওঁৰ বন্ধুবৰ্গৰ কাৰ্য্য কলাপৰ লগতে নিজকে পৰিচিত কৰা উচিৎ। অভিভাৱকে স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কাৰ্য্য ড্ৰাগছ নামৰ এই বিষবিধৰ বিতং তথ্য সংগ্ৰহ কৰি নিজৰ সন্তান আৰু তেওঁৰ বন্ধুবৰ্গৰ লগত খোলা-খুলিকৈ আলোচনা কৰা উচিৎ। সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ মৰম আৰু যত্নৰ লগত দূৰদৰ্শিতাৰে ড্ৰাগছৰ বিৰুদ্ধে সন্তানক বুজাওক।

বিভিন্ন নিচাযুক্ত মাদক দ্ৰব্যৰ ক্ৰমবৰ্দ্ধমান ব্যৱসায় আৰু তাৰ ফলত উঠি অহা যুৱ সমাজৰ অৱক্ষয়ৰ প্ৰতিবাদত অসমৰ নানান ঠাইৰ নগৰ চহৰসমূহত সভা সমিতি পতা হৈছে। এই সভাবোৰলৈ যুৱক-যুৱতী, কিশোৰ-কিশোৰীসকলক নিমন্ত্ৰণ কৰি ড্ৰাগছৰ অপকাৰিতা অৱগত কৰোৱাই ইয়াৰ বিৰুদ্ধে প্ৰৱল জনমত সংগ্ৰহ কৰা উচিৎ। বৰ্তমান ৰেডিঅ', টেলিভিছন, কথাছবি, বাতৰিকাকত, আলোচনী আদি প্ৰচাৰ মাধ্যম সমূহেও ড্ৰাগছ নিবাৰণত বহুখিনি অৰিহনা যোগাব পাৰে। দুখৰ বিষয় এই যে বাস্তৱ ক্ষেত্ৰত মানৱশত্ৰু ড্ৰাগছ সম্পৰ্কত বৰ্তমানো সমাজৰ বহুতো পৰিয়ালেই উদাসীন।

ড্ৰাগছৰ কৱলৰ পৰা সমাজক উদ্ধাৰ কৰাত মাতৃ সকলৰ কৰ্তব্যই অত্যাধিক। মাতৃ, বাই, ভনী সকলোৱে এই মাদক দ্ৰব্য ৰোধ কৰাত তৎপৰ হলেহে এই অৱক্ষয় ৰোধ কৰা সম্ভৱপৰ হ'ব। এই ক্ষেত্ৰত নাগালেণ্ডৰ "মাদাৰছ এছোচিয়েচন"ৰ কাৰ্য্য আদৰণীয় আৰু প্ৰশাসনীয়। এই এছোছিয়েচনে দেখুৱাই গৈছে যে মাতৃ-ভগ্নী একত্ৰিত হৈ মাদক দ্ৰব্য নিৰ্মূলত উল্লেখযোগ্য ৰবঙণি যোগাব পাৰে।

আমাৰ ভাৰতবৰ্ষই নিজৰ গৌৰৱময় ঐতিহ্য ৰক্ষা কৰি নিজৰ স্তান বিশ্বৰ শিৰ্ষত ৰাখিব পাৰিব যদিহে আমি প্ৰেম-প্ৰীতি, স্নেহ, দূৰদৰ্শিতাৰে যুৱসমাজক অধঃপতনৰ পথৰ পৰা আতৰাই আনিব পাৰো। গতিকে আহক আজিয়েই আমি ড্ৰাগছৰ কালগ্ৰাসৰ পৰা নিজকে তথা সমাজক মুক্ত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ।





# ৰহস্যময়ী মংগল গ্ৰহ

শ্ৰী চানক্য দাস
স্নাতক ১ম বৰ্ষ
বিজ্ঞান শাখা

প্ৰাগ-ঐতিহাসিক যুগত মানুহে অন্ধবিশ্বাসৰ বশবতী হৈ নিশাৰ আকাশত তিৰবিৰাই থকা মংগল গ্ৰহটোক কোনো লোকে মংগল আৰু অমংগলৰ প্ৰতিক হিচাপে বিশ্বাস কৰিছিল। উনৈশ শতিকাৰ পৰা মংগল গ্ৰহক মংগলকাৰী হব বুলি বিশ্বাস কৰিবলৈ ধৰিলে।

পদাৰ্থ বিজ্ঞানী খৃষ্টিয়ান হাইজেন্সে ১৬৫৯ চনত মংগল গ্ৰহৰ উপৰিভাগৰ চিত্ৰ স্পষ্টকৈ অংকন কৰিছিল। ইয়াৰ পিছত ১৮৭৭ চনত ইটালিয়ান জ্যোৰ্তিবিজ্ঞানী জিয়েভান্নি ভাৰ্জিনিও ছিয়া পাৰেল্লিয়ে উন্নত মানৰ দুৰবীণেৰে মংগল গ্ৰহৰ বুকুত কিছুমান কলা দাগ দেখিবলৈ পাইছিল । এই কলা দাগ সমুহক তেওঁ জলাধাৰ বুলি অনুমান কৰি সেই জলাধাৰ বোৰক 'কেনেল' বুলি নামাকৰণ কৰিছিল।

ফৰাছী ইটালিয়ান বিজ্ঞানী জিয়াজান্নি ডেমিনিকো কাছিনিয়ে প্ৰমাণ কৰে যে নিজৰ কক্ষ পথত অৱতাৰণ কৰিবৰ বাবে মংগল গ্ৰহক সময় লাগে ২৪ ঘণ্টা ৩৭ মিনিট আৰু ই সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰিবলৈ সময় লাগে ৬৮৭ দিন। মংগল গ্ৰহটো পৃথিবীতকৈ অনেক সৰু। ইয়াৰ ব্যাস প্ৰায় ৬,৭৯৪ কিলমিটাৰ কিন্তু পৃথিৱীৰ ব্যাস ১২,৭৫৬ কিলমিটাৰ। যিহেতু মংগল গ্ৰহৰ পৃথিৱীতকৈ সৰু গতিকে ইয়াৰ মাধ্যাকৰ্ষণ শক্তিও কম। পৃথিৱীৰ তুলনাত পাচ ভাগৰ দুভাগ (২/৫) মাত্ৰ ইমান কম মাধ্যাকৰ্ষণ শক্তিয়ে এই গ্ৰহৰ জলবায়ু ধৰি ৰাখিবলৈ সক্ষম নাছিল । গতিকে জলবায়ু মহাকাশলৈ উৰি গৈছিল আৰু সাগৰ নদী আদি শুকাই গৈ মৰুভুমিত পৰিণত হৈছিল ।

মংগল গ্ৰহৰ উপগ্ৰহ দুটা । সেই উপগ্ৰহ দুটা হল "ডি'মছ" আৰু "ফ'ব্ৰ'ছ"। মংগল গ্ৰহৰ পৰা ইহতৰ দুৰত্ব অতি কম। মংগল গ্ৰহৰ পৰা ফ'ৱ'ছৰ দুৰত্ব ৯২৭০ কিল'মিটাৰ । ৭.৬৬ ঘণ্টাত ফ'ব্ৰ'ছে মংগলক এবাৰ প্ৰদক্ষিণ কৰে । ই পশ্চিমত উদয় আৰু পুবত মাৰ যায়। ডি'ম'ছ ফ'ব্ৰ'ছতকৈ সৰু। ই মংগল গ্ৰহৰ পৰা ২৩,৪০০ দুৰত্বত থাকি ইয়াক প্ৰদক্ষিণ কৰি থাকে । ই পূৱত উদয় হয় আৰু পশ্চিমত মাৰ যায়।

মংগল গ্ৰহত লুকাই থকা ৰহস্য উৎঘাটনৰ কাৰণে গ্ৰহটোৰ বুকুত ইলেকট্ৰিকেল যন্ত্ৰৰ দ্বাৰা প্ৰত্যেক্ষ দৃষ্টিপাত কৰাৰ প্ৰয়োজন হৈছিল । সেয়েহে ১৯৬৫ চনত ১৪ জুলাইৰ দিনা আমেৰিকাৰ মেৰিনাৰ মহাকাশ যান মংগলৰ ওচৰ পালেগৈ আৰু তাৰ পৰা অনেক চিত্ৰ সংগ্ৰহ কৰাৰ পাছতো কোনো কেনেল বা খালৰ সন্ধান নাপালে যদিও কিছুমান শুকান নদীৰ চিত্ৰ পৰিলক্ষিত হৈছিল।

১৯৭১ চনত ৰাছিয়াই প্ৰথমতে মাৰ্ছ - টু' অভিযান খন মংগললৈ পঠাই তথ্য সংগ্ৰহত অসমৰ্থ হৈছিল। মাৰ্ছ থ্ৰি অভিযান খনে পৃথিৱীৰ লগত যোগাযোগ ৰাখিবলৈ সক্ষম হৈছিল ।

৩০০/৪০০ কোটি বছৰ পূৰ্বে মংগল গ্ৰহত প্ৰাথমিক জীৱবোৰৰ বিকাশ নোহোৱা বিষয়টোৰ অধ্যয়ন কৰিবলৈ পৃথিৱীৰ পৰা ভাইকিং - ১ আৰু ভাইকিং - ২ নামৰ দুখন মহাকাশ যান পঠিওৱা হৈছিল কিন্তু দুৰ্ভাগ্যবশত ইয়াৰ পৰা কোনো সিদ্ধান্তত উপনীত হব পৰা নাছিল ।

যোৱা ৬ জুলাই তাৰিখে ভাৰতীয় সময় মতে নিশা ৩ বাজি ৩২ মিনিটত পাথফাইণ্ডাৰ নামৰ মহাকাশ যানখন মংগল গ্ৰহৰ পৃষ্ঠভূমিত অৱতাৰনা কৰিছিল। মাৰ্কিন যুক্তৰাষ্ট্ৰীয় NASA (National

Aeoronatioc and space Administration)ৰ বিজ্ঞানী সকলে এই মহাকাশ যান খন ১৯৯৬ চনৰ ডিচেম্বৰ মাহত প্ৰেৰণ কৰিছিল । এই যানে কঢ়িয়াই নিছিল ছজাৰ্ণাৰ নামৰ স্বয়ংক্ৰিয় ৰ'বট যান এখন। এই ছয়চকীয়া যান খনৰ আকাৰ মাইক্ৰৱেভ অভেনৰ নিচিনা, দৈৰ্ঘ্য ২৪ ইঞ্চি, ওখ ১৯ ইঞ্চি আৰু ইয়াৰ ওজন ১০ কি ঃগ্ৰা মাত্ৰ। ইয়াৰ পিঠিত আছে তাৰ ছ'লাৰ পেনেল। দিশ নিৰ্ণয়ৰ বাবে লেজাৰ ৰশ্মি। পৃথিৱীৰ পৰা সংকেত পঠাই মহাকাশ যানৰ সহায়ত তাক চলাই ফুৰাব পাৰি । যানখনে প্ৰথমতে গ্ৰহটোৰ পৰা শিল, বালি আদি সংগ্ৰহ কৰিবলৈ ধৰিলে। এই যানখনে বহুতো আলোক চিত্ৰ প্ৰেৰণ কৰিছিল।

প্ৰথম অৱস্থাত চিত্ৰবোৰ আছিল ক'লা বগা তাৰ পিছত বিজ্ঞানী সকলে ৰঙীন চিত্ৰ প্ৰত্যক্ষ কৰিছিল। এই চিত্ৰবোৰৰ পৰা বিজ্ঞানী সকলে মংগল গ্ৰহৰ পৃষ্ঠভূমিৰ গঠনৰ বিষয়ে কিছু তথ্য আহৰণ কৰিছিল । মৰুময় পৃষ্ঠ কিছু তথ্য আহৰণ কৰিছিল। মৰুময় পৃষ্ঠ ভাগৰ চাৰিওফালে ওখ শিলাখণ্ডবে বিস্তৃত হৈ থকা তেওলোকে দেখিবলৈ পাইছিল। শিলাখণ্ডবোৰত পানীৰ ঢৌৱে ক্ষয় নিওৱা চিত্ৰ বিজ্ঞানী সকলে দেখিছিল। এই বোৰৰ ভিত্তিত প্ৰায় ৩০০ কোটি বছৰ পূৰ্বে মংগল গ্ৰহত প্ৰৱল মানপানীৰ সৃষ্টি হৈছিল বুলি অনুমান কৰিব পাৰি ।

এই পাথফ ইণ্ডাৰৰ আয়ুসকাল আছিল ৩০ দিন। এই ত্ৰিশ দিনতো মাজে সময়ে সংযোগ ব্যাহত হৈছিল । এনেকৈ মংগল গ্ৰহত মহাকাশ যান পঠাই তাৰ বিষয়ে যি তথ্য চিত্ৰ আদি উদ্ধাৰ কৰি যি সফলতা অৰ্জন কৰিলে ই পৃথিৱীৰ জনসাধাৰণৰ কাৰণে এক ডাঙৰ সফলতা ।

মহৎ লোকৰ বাণী ঃ

১) ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়। কিন্তু চৰিত্ৰ হেৰালে সকলোখিনিয়েই হেৰায়॥

চক্ৰেটিছ

২) তুমি আনৰ পৰা যেনে ব্যৱহাৰ আশা পৰা আনকো তেনে ব্যৱহাৰ কৰা।

-লেনিন

৩) আঘাতৰ সলনি আঘাত নকৰিবা। ক্ৰোধ প্ৰকাশ নকৰা অকল নৈতিক কৰ্তব্যই নহয়, ই ব্যৱহাৰিক ক্ষেত্ৰটো শ্ৰেষ্ঠ নীতি।

বিবেকানন্দ





# অসমীয়া সমাজত প্ৰচলিত সাজ পাৰ আৰু অলংকাৰ

শ্ৰী বিজয়া কলিতা
স্নাতক তৃতীয় বৰ্ষ (কলা)

বিভিন্ন জনসমষ্টিৰ তেজৰ সংমিশ্ৰণত গঢ় লোৱা অসমীয়া জাতিৰ সংস্কৃতিৰ ৰবভেটি বিভিন্ন জনগোষ্ঠি (অষ্ট্ৰিক, মঙ্গোলীয় আৰু আৰ্য্য)ৰ সংস্কৃতিৰ সম্মিলনত গঠিত। অসমীয়া জাতিৰ সংস্কৃতিৰ পৰা আজি এই সুকীয়া সুকীয়া সংস্কৃতি সমূহ পৃথক কৰিব নোৱাৰি। ইটোৰ লগত সিটো সংস্কৃতি মিলি গৈ আকৌ নতুনৰ জন্ম হৈছে। এটা জাতিৰ সংস্কৃতি হৈছে কোনো এটা সময়ত ইয়াৰ ধৰ্ম, স্থাপত্য, সাহিত্য, চিত্ৰকলা, সংগীত, সাজপাৰ, আ-অলংকাৰ জীৱন ধাৰণৰ প্ৰণালী যেনে ঘৰদুৱাৰ খেতি-বাতি, নগৰ প্ৰতিস্থা, শিক্ষা, ভাষা, লিপি সমাজ ব্যৱস্থা আদি। যিহেতু এটা সংস্কৃতি অইনৰ সংমিশ্ৰণত নৱৰূপ পায় সেইবাবে সময় তথা ভৌগলিক বাতাববণৰ পৰিৰ্বতনৰ লগে লগে এটা জাতিৰ সংস্কৃতিয়ে নতুনত্ব পাব পাৰে। যেনে অসমীয়া জাতিয়ে ব্যৱহাৰ কৰা সাজপোচাক আ-অলংকাৰৰ অতীত আৰু বৰ্তমানত হোৱা পৰিবৰ্তন অতিকে প্ৰাণিধানযোগ্য। অসমীয়া তিৰোতাই একালত বুকুত বিহাৰে মেথনি মাৰিছিল। মেখেলা, বিহা আৰু কাপোৰ- তিনিখন বস্ত্ৰ ব্যৱহাৰ কৰিছিল। তেওঁলোকে সাধাৰণতে চোলা ব্যৱহাৰ কৰা নাছিল। অৱশ্যে ৰজা ঘৰৰ তিৰোতাই চীনা আৰ্হিৰ হাত দীঘল চুটি চোলা পিন্ধিছিল। তাহানি ৰুদ্ৰসিংহৰ দিনৰ মোগলাই সাজপাৰ অসমলৈ আহিছিল। অথচ অসমীয়া মুছলমান তিৰোতাই বিহা মেখেলাহে পিন্ধিছিল। মোগলাই আৰ্হিৰ পাগজামা সত্ৰৰ ভিতৰলৈ গৈ সুত্ৰধাৰী নৃত্য নটুৱা নৃত্যৰ বিশিষ্ট সাজপাৰৰ অন্তৰ্ভূক্ত হৈছিল। পাইজামাৰ ব্যৱহাৰ ৰজা ঘৰতো হৈছিল। সেই সময়ত অসমীয়া ডেকাই মুগাৰ চোলা চুৰিয়া পিন্ধিছিল। বুঢ়াবোৰে লগতে মূৰত পাগ মাৰিছিল । বিহা মেখেলাত ফুল বছা কাম কৰিবলৈ ৰুদ্ৰসিংহই মুছলমান জোলাতাঁতী অনাইছিল। আনপিনে শুৱালকুছি, পলাশবাৰীৰ মিহি ধুনীয়া ফুলাম কাপোৰলৈ মোগল সম্ৰাটবো চঁপাপতীয়া কাপোৰ, মেজাংকৰী কাপোৰ আহোম সকলৰ প্ৰিয় আছিল।

" গা ধুই উঠিয়ে মাকক সুধিলে
আই কি সাজ সলাব পায়?
ছাঁতে শুকোৱা মুঠিতে লুকোৱা
সেই সাজ সলাব পায়।"

আহোম যুগত আ-অলংকাৰ সমুহত বহুমুলীয়া বত্নমান- মুকুতা আদি খটুৱাই ধুনীয়া কৰিছিল। জংফাই, থুৰীয়া অসমীয়া তিৰোতাৰ অতি প্ৰিয় আছিল। জংফাই প্ৰৱাল, বাখৰ আদি ব্ৰহ্মদেশৰ পৰা অসমলৈ আহিছিল। সোণ, ৰূপ, তাম তিনিওবিধ ধাতুৰে অলংকাৰ ব্যৱহাৰ হৈছিল যদিও সাধাৰণ শ্ৰেণীৰ মাজত পিতলৰ অলংকাৰো ব্যৱহাৰ হৈছিল। ৰূপ আৰু তামৰ ওপৰত পতাসোণ লগাই আৰু সোণৰ পানী চৰাই অলংকাৰ তৈয়াৰ কৰা হৈছিল। পুৰুষতকৈ তিৰোতাৰ শৰীৰত পিন্ধা অলংকাৰৰ পৰিমান বেছি আছিল। পুৰষে হাতত আঙুঠি, ডিঙিত শিলিখামণি, মতামণি, কাণত কঁৰিয়া আৰু লোকাপাৰ বাহুত বাজু পিন্ধিছিল। তিৰোতাই সকলো অংগতে অলংকাৰ পিন্ধিছিল। আহোম যুগৰ এগৰাকী সম্ভ্ৰান্ত তিৰোতাৰ গাত প্ৰায় কুৰি তোলা সোণ ওলমি আছিল। অলংকাৰ বোৰ উকা, বাখৰুৱা, বাখৰ পতা, মিনা কৰা, হীৰা পতোৱা আদি ভাগত ভাগ কৰিব পাৰি। যেনে জাংফাই কেৰু এযোৰ উকা, বাখৰুৱা, নেজেপতা বুলি কব পাৰি, সেইদৰে থুৰীয়া,ৰিৰি আৰু মণিবোৰো উকা বা বাখৰুৱা আছিল। তিৰোতাই মূৰৰ সেওঁতাৰে পৰা আৰম্ভ কৰি কঁকাল, কাণ, ডিঙি, হাতৰ ঠাৰি, আঙুলি, বাহু, ভৰি আদিত এপদ-দুপদ বা কেতিয়াবা কেবাপদো অলংকাৰ পিন্ধিছিল। অলংকাৰ সমূহ এনে ধৰণৰ আছিল-শিৰত শিৰপতা, কপালত

কপালী, খোপাত সোণ ৰূপৰ ফুল, ডিঙিত জোনবিৰি, ঢোলবিৰি, ঢৰীয়াবিৰি, শিলিখাবিৰি, পাৰচকুৱাবিৰি, লতাবাখৰুৱাবিৰি, মাদলি, মগৰমূৰিবিৰি, গেজেৰা, বেনা, দুগদুগী, সাতসৰী, ধোপামণি, চিপাতগলপতা, শিলিখামণি, ফুটমণি, চন্দ্ৰহাৰ, সোণেপোৱালে বনকিয়াই কৰা মণি, পুৰুষে ডিঙিত লতামণি, কাণত লোকাপাৰ, কঁৰিয়া, তিৰোতাই কেৰু, থুৰীয়া-নেজেপতা, বাখৰুৱা বৰৈলগা, উকা জাংফাই, নেজেপতা জাংফাই আৰু বাখৰুৱা জাংফাই, লংকেৰু, কাণফুল, কৰ্ণবালা, নাকত নাকফুলি, হাতৰ বাহুত বাজু, হাতৰ ঠাবিত মুঠি খাৰু, গাম খাৰু, সঁচৰুৱা খাৰু, পটীয়া খাৰু, মগৰমুৰী খাৰু, গোটা খাৰু, কংকণ, ডলীয়া খাৰু, উকা, বাখৰুৱা, মিনাকৰা, আঙুঠি চিবিপতা, শেনেপতা, জেঠীনেজীয়া, পাৰচকুৱা, ম'বানেজীয়া, পদুমকলি, বাৰবিৰছা, মাছ-বাকলীয়া, হীৰাপতা, বাখৰুৱা বা উকা আছিল। তাৰোপৰি কঁকালত চন্দ্ৰহাৰ, কৰধনি, কঁকালী, ঘাগৰ আদি অলংকাৰো প্ৰচলন আছিল। এই ধাতুৰ অলংকাৰৰ বাহিৰেও হাতীদাঁতৰ খাৰু, আঙুঠি, কেৰু, মণি আদি বিশেষ জনপ্ৰিয় আছিল। তাৰোপৰি গাহৰিৰ দাঁত, বাঘৰ নখ, হাতীৰ হাড় আদিৰেও অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল। ৰুদ্ৰাক্ষ গুটি, কাউৰী মণি আদিও পিন্ধিছিল।

অসমীয়া বস্ত্ৰত সকলো জাতি উপজাতিৰ ৰীতি-নীতিৰ সমন্বয় ঘটিছিল। আহোমৰ দিনত শাড়ীৰ প্ৰচলন নাছিল। ড.লীলা গগৈৰ লিখনিত বিভিন্ন বিহাৰ উল্লেখ পোৱা যায়। যথা আচলে-পাৰিয়ে গুণা-কটা বিহা, কেছৰছা বিহা, গাৰিয়লী বিহা, দহি-অলীয়াবিহা আদি। ভাল মানুহৰ তিৰোতাই বিহা মেখেলাহে পিন্ধিছিল। তথাপি প্ৰাক্ বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ কিছু সংখ্যক তিৰোতাই যে শাৰী পিন্ধিছিল তাৰ সাক্ষ্য লিখিত সাহিত্যই দাঙি ধৰে। মহাপুৰুষৰ ৰচনাতো শ্বেত-নেত শাৰীৰ উল্লেখ পোৱা যায়। আহোম তিৰোতা সকলে পোনতে মুৰত ওৰণি নলৈছিল, পাগুৰিৰ দৰে কাপোৰ মেৰিয়াইছিল। গাত চোলা পিন্ধিছিল। পুৰুষে চুৰিয়া আৰু গাত চুটি চোলা, মিৰ্জাই বা ফুটুৰৈ পিন্ধিছিল। মুগা পলু, মেজাংকৰী আৰু পানচঁপা গছৰ পাত খাবলৈ দি সূতা বোৰ ক্ৰমে সোণ আৰু ৰূপ বৰণীয়া কৰি তাৰে কাপোৰ বৈছিল। কোনো কোনো অঞ্চলত এৰিসূতা অতি মিহিকৈ কাটি তাৰে যাউতি-যুগীয়া কৈ বিহা মেখেলা বৈ লৈছিল।

অন্যান্য জাতিৰ সাজ পাৰৰ তুলনাত অসমীয়া মানুহৰ সাজ পাৰৰ প্ৰাচুৰ্য্য অনেক বেছি। অসমীয়া শিপিনীয়ে নানা ৰৰণৰ আঁচুসূতা আৰু গুণাৰে ফুলাম কাপোৰ বৈ নিজৰ দক্ষতা দেখুৱাইছিল। কাপোৰত নানা লতাপতীয়া ফুলৰ উপৰিও বিবিধ চানেকি ব্যৱহাৰ কৰিছিল।

কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আৰু বাণৰ হৰ্ষচৰিতৰ পৰা পুৰণি অসমৰ কিছু সাজপাৰৰ কথা জনা যায়। অসমীয়া পুৰুষ সকলে পৰিধান কৰা ধুতি, ভাস্কৰ্য্য সমূহৰ পৰা অনুমান কৰিব পাৰি। সম্ভ্ৰান্ত লোকে পৰিধান কৰা আনখন বস্ত্ৰ হ'ল উত্তৰীয় বা পিচৌৰা। এইদৰে প্ৰাক্ আহোমসকলে দুখন বস্ত্ৰ লৈছিল। তেওঁলোকে চোলা পিন্ধাৰ দৃষ্টান্ত পোৱা নাযায়। অসমৰ পুৰুষ বা জনজাতীয় লোকসকলে পাগুৰি মাৰিছিল। তাৰে পৰম্পৰা হিচাপে আজিও গাওঁৰ ডেকাই মুৰত গামোছা মাৰি বিহু মাৰিবলৈ যায়। চোলাৰ প্ৰচলন আহোম যুগতহে হৈছিল। ড. লীলা গগৈৰ লিখনিত এঙা-চোলা, গোমচেঙৰ চোলা, চাটনৰ চোলা, নৰা-চোলা, বুকুচোলা, মিৰ্জাই চোলা আৰু মোগলাই চোলাৰ নাম পোৱা যায়। চেলেং, চুৰিয়া, টঙালি, পাগজামা, হাচতিৰো বহুল প্ৰয়োগৰ বিষয়ে জনা যায়। সেই সময়ত এই সকলোবোৰ কাপোৰ অসমীয়া শিপিনীয়ে নিজৰ তাঁতত প্ৰস্তুত কৰিছিল।

অসমৰ ৰাভা, কছাৰী, ডফলা আদি জনগোষ্ঠীৰ কথা উল্লেখ নকৰিলে গোটেই আলোচনাটোৱেই যেন আধৰুৱা হৈ থাকে। বড়ো, কছাৰী পুৰুষবোৰে ধুতি চোলা পৰিধান কৰে। গোৱালপৰীয়া বড়ো-কছাৰী তিৰোতাবোৰে পাঁচহাত দীঘল পাৰীৰ দৰে দখনা পিন্ধে। দখনাবোৰ শাৰীতকৈ ডাঠকৈ বোৱা হয় আৰু নানা ৰৰণৰ ফুল বাছি। ৰঙা আৰু কমলা ৰং তেওঁলোকৰ অতি প্ৰিয়।

ডফলা তিৰোতাবোৰে বনৰীয়া গছৰ সুতাৰে এবিধ কাপোৰ বয়। অন্য এবিধ কাপোৰ বয় পদুনামৰ





এবিধ উলেৰে। তেওঁলোকে কপাহী কাপোৰো তৈয়াৰ কৰি ব্যৱহাৰ কৰে। জাৰত পিন্ধা কোটৰ কাপোৰ তেওঁলোকে থৈলাৰ নিচিনা আহঁ থকা এবিধ শকত সুতাৰে তৈয়াৰ কৰে। সিহঁতৰ পিন্ধা কাপোৰ বোৰত ক'লা আৰু ৰঙা সুতাৰে আকঁ-বাকঁ কৰা। কান্ধলৈকে থকা কাপোৰ খন বাঁহৰ পিন বা লোহাৰ পিনেৰে বান্ধি থয়। ডিঙিত বগা, ৰঙা, নীলা, সেউজীয়া, ধোৱাবৰণীয়া সকলো ৰঙৰ মণি পিন্ধে। তাৰোপৰি পিতলৰ এবিধ চেইন, গাহৰি বা হৰিণৰ হাড়, এডাল দীঘল লোহাৰ পিন, ককালত বাহঁৰ আঙঠি, ডাঙৰ দা, ছুৰী আৰি লয়। বান্দৰৰ ছালৰ সৰঞ্জামত এইবোৰ ৰাখে। সিহঁতে বেতেৰে ধুনীয়াকৈ নানাৰৰণৰ ৰঙ দি এবিধ টুপি তৈয়াৰ কৰে। টুপীটোৰ আগটোত চৰাইৰ দীঘল ৰঙীন পাখি লগোৱা থাকে। মাইকীবোৰে ককালত এবিধ ফিটা মাৰে, ইয়াৰ নাম 'জপোচ'। মাইকী সকলে পৰিধান কৰা দীঘল স্কাৰ্টৰ নিচিনা পোচাকটো সেউজীয়া পাৰি থকা আৰু মাজে মাজে আঁক থকা। চিকাৰীৰ মোনাবোৰ ৰঙা বান্দৰৰ চালেৰে তৈয়াৰী যদিও মেথন, গৰু আৰু পহুৰ চালেৰেও মোনা তৈয়াৰ কৰে। মেথনৰ দাতেৰেও সাজোৱা এবিধ মোনা আছে। এই মোনা চুস সকলে যুদ্ধৰ সময়ত যুজাৰু বোৰে আচেহং আহেৰে তৈয়াৰী বৰ ডাঠ পোচাক পিন্ধে আৰু পিঠিত মেথনৰ চালেৰে তৈয়াৰী ঠাল বান্ধি লয়।

ৰাভা সকলে ধুনীয়া ধুনীয়া চানেকীৰ ৰং বিৰঙৰ কাপোৰ আৰু শৰীৰৰ বিভিন্ন অংগত বিভিন্ন অলংকাৰ পৰিধান কৰে। সিহঁতৰ সৌন্দৰ্য্যবোধ আৰু শিল্প কলাৰ প্ৰতি অনুৰাগ আৰু পাৰদৰ্শিতা অসীম। সিহঁতে গছৰ পাত শিপা আদিৰ পৰা বিভিন্ন ৰং প্ৰস্তুত কৰি লয় আৰু কপাহৰ সূতা কাটি সুতাবোৰ সেই ৰঙেৰে বোলায়।

সময়ৰ পৰিবৰ্তনৰ কাৰণে কেতিয়াবা বিলাসিতাৰ কাৰণে বা কেতিয়াবা ভৌগলিক তথা পাৰিপাৰ্শ্বিকতা লগত নিজক খাপ খুৱাই লবলৈ অসমীয়া সমাজত সাজপাৰ আৰু আয়-অলংকাৰৰ পৰিবৰ্তন ঘটি বৰ্ত্তমানৰ অৱস্থা পাইছে। উনৈশ শতিকাৰ পৰা অসমলৈ ইংৰাজ অহাৰ সময়ৰ পৰা সাজ-পাৰ আৰু আয়-অলংকাৰৰ পৰিবৰ্তন হ'বলৈ ধৰে। যেতিয়াই কৃটীৰ শিল্পৰ ঠাইত উদ্যোগৰ প্ৰাদুৰ্ভাৱ ঘটে, তেতিয়াই সংস্কৃতিয়ে নতুন ৰূপ লয়, আৰু সাজপাৰ আয়-অলংকাৰে আধুনিকতাৰ পিনে গতি কৰিবলৈ ধৰে। বৰ্তমান অসমৰ ধৃতি, পাঞ্জাৱী পৰিধান কৰা ডেকা ল'বা পাবলৈ প্ৰায় নাইয়ে। এইদৰে অসমীয়া সমাজত বিহা মেখেলা পিন্ধা অসমীয়া গাভৰু আজি পাবলৈ নাই। সেই কাৰণে কবিয়ে আক্ষেপেৰে কৈছে -

> ঘৃণায় তোমাৰ বেশ সুমধুৰ মাত
> নিপিন্ধে বিহা মেখেলা নিপিন্ধে খাৰু
> তোমাক হেয় কৰি কৰি এই ভীৰু জাতি
> কিমান দিন জীয়াই থাকিব বাৰু?

বৰ্তমান অসমীয়া সমাজত ডেকা সকলে পেণ্ট-চাৰ্ট আৰু বুঢ়াসকলে সাধাৰণতে ধৃতি -পাঞ্জাৱী পৰিধান কৰে। সেইদৰে অসমীয়া গাভৰু বোৰে সাধাৰণতে চুৰিদাৰ, মেখেলা-চাদৰ বা শাৰী পৰিধান কৰে। সেইদৰে অসমীয়া নাৰী বা পুৰুষ সকলে অতি সামান্যতম আয়-অলংকাৰ পৰিধান কৰিবলৈ লৈছে। তাহানি কালৰ আহোম নাৰী সকলে আজিৰ অসমীয়া নাৰীয়ে কুৰি তোলা সোণ নিজৰ শৰীৰত ৰাখিলে জীয়া-যম লগত ৰখা যেনহে হ'ব। সেইবাবে অৰ্থনৈতিক কাৰণতে হ'ক বা সামাজিক কাৰণতে হ'ক আজিৰ অসমীয়া নাৰীয়ে শৰীৰত সামান্যতম সোনৰ বা ৰূপৰ বা সোনৰ পানী চৰীয়া অলংকাৰ পৰিধান কৰিবলৈ লৈছে।

প্ৰসংগ পুথি

অসমৰ সংস্কৃতি - লীলা গগৈ
অসমৰ সংস্কৃতিৰ কণিকা - সম্পাদক
ডঃ নাৰায়ণ দাস
ডঃ পৰমানন্দ ৰাজবংশী
অসমৰ জনজাতিঃ- শ্ৰী প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত.

*********

# প্ৰাচ্য সাহিত্যিক ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ জীৱনী

শ্ৰী প্ৰতিভা কলিতা
উচ্চতৰ মাধ্যমিক, প্ৰথমবৰ্ষ (কলা)

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা পণ্ডিত, সাহিত্যচাৰ্য্য ড° সত্যেন্দ্ৰ নাথ শৰ্মা দেৱৰ জন্ম হয় ১৯১৭ চনৰ ১০ ছেপ্তেম্বৰ তাৰিখে শিৱসাগৰ জিলাৰ জৰাবাৰী ব্ৰাহ্মণ গাওঁ নামে ঠাইত। সাহিত্য সমালোচনাৰ অবিনশ্বৰ বিচক্ষণ ব্যক্তি ড°শৰ্মাদেৱৰ প্ৰাচীন ভাৰতীয় সাহিত্য, অসমৰ বৈষ্ণৱ সাহিত্য আৰু আধুনিক অসমীয়া সাহিত্যত এক উল্লেখনীয় দিশ ।

১৯৩৬ চনৰ পৰা সাহিত্য চৰ্চাত মনোনিবেশ কৰা ড° শৰ্মা দেৱে যোৰহাটৰ নৰ্মাল প্ৰাথমিক স্কুলত শিক্ষা গ্ৰহণ কৰিছিল । তাৰ পাছত তেওঁ ১৯৩৪ চনত জাঁজী উচ্চ ইংৰাজী বিদ্যালয়ৰপৰা প্ৰথম স্থান লৈ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়, ১৯৩৯ চনত অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি কটন কলেজৰ পৰা তেওঁ স্নাতক ডিগ্ৰী লয় । ১৯৪১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে । ১৯৫৫ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডি ফিল উপাধি পায় । ব্যক্তি ৰূপে ড° শৰ্মা আছিল সহজ সৰল, অমায়িক, সত্যনিষ্ঠাবান গুনবাজিৰে ভৰপূৰ জীৱন যাত্ৰা । তেওঁ পৰম আদৰ্শ ব্যক্তি ৰূপে অসমীয়া সমাজত পৰিচিত।

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা, পণ্ডিত, গৱেষক স্থিতধী সমালোচক ড° শৰ্মাদেৱে চাকৰি জীৱনৰ সূচনা কৰে ১৯৪২ চনত কটন কলেজত সহকাৰী প্ৰবক্তা হিচাপে । ১৯৪৯ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে । প্ৰথমজনা আধুনিক ভাৰতীয় ভাষা বিভাগৰ প্ৰতিষ্ঠা 'ৰবীন্দ্ৰ নাথ ঠাকুৰ' অধ্যাপক হয় ১৯৬৭-৬৮ ড° শৰ্মা দেৱে ৰবীন্দ্ৰ অধ্যাপক হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ লয়। পাছত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অতিথি অধ্যাপক হিচাপে আৰু জাতীয় প্ৰবক্তা হিচাপে আছিল ১৯৮১-৮৬ চনত।

গোটেই জীৱনটো আমাৰ অসমীয়া সমাজত এক অমূল্য অৱদান হিচাপে আগবঢ়াই থৈ গৈছে । ১৯৭৫ চনত অসম সাহিত্য সভাৰ সভাপতি হৈ ড°শৰ্মা দেৱে 'সাহিত্যাচাৰ্য' উপাধিৰ লগতে 'সদস্য মহীয়ানৰ' উপাধিৰে সন্মানিত হয় । তাৰ আগতে তেওঁ মোহন চন্দ্ৰ শৰ্মা, দুৰ্গাধৰ বৰকটকী বঁটা আৰু 'ৰামায়ণৰ ইতিবৃত্ত' গ্ৰন্থ শৰ্মা প্ৰকাশন পৰিষদৰ বঁটা, ১৯৯৮ চনত আনন্দৰাম বৰুৱা বঁটা, ১৯৯১ চনত শংকৰ দেৱ বঁটা প্ৰদান কৰা হৈছিল । 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ৰ লগতে 'অসমীয়া নাট্য সাহিত্য', 'পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয়', 'অসমীয়া উপন্যাসৰ গতিধাৰা', 'অসমীয়া উপন্যাসৰ ভূমিকা', 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ আদিৰ দৰে অমূল্য গ্ৰন্থ আগবঢ়াই থৈ যায় । গৱেষণা পুথি 'দি নিউ বৈষ্ণৱাইট মুভমেণ্ট এণ্ড সত্ৰ ইনষ্টিটিউশ্বন অৱ আসাম', ইংৰাজী ভাষাৰ 'এপিক এণ্ড পুৰাণ'জ ইন আলি আছামিজ লিটাৰেছাৰ', 'গ্লিমছেছ অৱ শংকৰদেৱজ আৰ্ট এণ্ড পয়েট্ৰি'ৰ নামৰ মূল্যবান গ্ৰন্থও তেওঁ ৰচনা কৰিছিল ।

অসমীয়া আইৰ সু-সন্তান আমাৰ সাম্প্ৰতিক কালৰ বিদ্যায়তনিক জীৱনৰ এগৰাকী পিতৃপুৰুষ স্বৰূপ এই মহান ব্যক্তি গৰাকীয়ে ১৯৯৯ চনৰ আগষ্ট মাহৰ ১২ তাৰিখে ৰাতিপুৱা ৭.৫৫ বজাত শেষ নিশ্বাস ত্যাগকৰে । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ ।

*****





# বিদায়

ড. দুৰ্গেশ্বৰ শৰ্মা
অতিথি শিল্পী

অধ্যক্ষৰ মৃৰত সৰগ ভাগি পৰিল। ইংৰাজীৰ বিষয়ৰ শিক্ষক হলে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাত তেওঁৰ হৃদয় ভাগি চূৰ্ণ বিচূৰ্ণ হ'ল। তেওঁ জানে বিচক্ষন, নিষ্ঠাবান আৰু অধ্যয়ন মুখী শিক্ষকৰ ওপৰতে বিদ্যালয়ৰ সুনাম আৰু ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত নিৰ্ভৰ কৰে। বিদ্যালয়ৰ পুৰণা শিক্ষকসকলে এজন এজনকৈ অৱসৰ লবলৈ আৰম্ভ কৰিছে। এই বছৰৰ আৰম্ভনিতে পদাৰ্থ বিজ্ঞান আৰু ৰাসায়ন বিজ্ঞানৰ বিষয়ৰ শিক্ষক দুজনে অৱসৰ গ্ৰহণ কৰিছে। এতিয়ালৈ এই দুটা বিষয়ৰ শিক্ষক চৰকাৰে দিব পৰা নাই। গতিকে এই বাৰ এই বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে যে ফাইনেল পৰীক্ষাত ষ্টেণ্ড কৰিব পাৰিব তেনে আশা ক্ষীন। আঠ-দহজনে ফাইনেল পৰীক্ষাত লেটাৰ পোৱা, পৰীক্ষাত অৱতীৰ্ণ হোৱা লৰা-ছোৱালীৰ শতকৰা আশীজনে প্ৰথম বিভাগ পোৱা আৰু চাৰি-পাচজনে ষ্টেণ্ড কৰা বিদ্যালয়ৰ স্বাভাৱিক কৃতিত্ব। সেই বাবে চিটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভৰ্ত্তি হবলৈ ছাত্ৰ-ছাত্ৰীৰ হেচা বেছি পৰা দেখা যায়। শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীৰ পাঠ দানত যথেষ্ট গুৰুত্ব দিয়ে, নিৰ্দ্দিষ্ট পাঠ্যক্ৰম ফাইনেল পৰীক্ষাৰ আগেয়ে সমাপ্ত কৰে আৰু হ'মৱৰ্ক কৰিবলৈ দি সেইবোৰ শুধৰাই দিয়ে। তাৰ উপৰিও ক'ৰ্ছৰ শিক্ষাদান শেষ হোৱাৰ পিছত ফাইনেল পৰীক্ষাত আহিব পৰা প্ৰশ্ন বোৰৰ পুনৰ আলোচনা কৰি ছাত্ৰ-ছাত্ৰীক বিশেষ ভাৱে উপকৃত কৰা হয়। এই পদ্ধতিৰ বিশেষ আগৰনুৱা আছিল ইংৰাজীৰ বিষয়ৰ শিক্ষক বিষ্ণু দত্ত। সেই বাবে অধক্ষই বিষ্ণু দত্তৰ অৱসৰক বিদ্যালয়ৰ বাবে এক অপূৰণীয় ক্ষতি বুলি বাৰে বাৰে অনুভৱ কৰিছে।

ইংৰাজী শিক্ষক পোৱা টান আৰু ভাল শিক্ষক পোৱা তাতোকৈ আৰু বেছি টান। ইংৰাজীৰ বিষয়ৰ শিক্ষক বিষ্ণু দত্তই আগষ্ট মাহৰ একত্ৰিছ তাৰিখে অৱসৰ গ্ৰহণ কৰিছে আৰু আজি চেপ্তেম্বৰ মাহৰ ছয় তাৰিখে তেওঁক শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পক্ষৰ পৰা বিদায় সম্ভাষন জাৰলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিদ্যালয়ৰ অধ্যক্ষ ইব্ৰাহিম আলীয়ে ছাত্ৰ একতা সভাৰ সম্পাদক আৰু বিষয়ৰবীয়া সকলক মাতি আনি বিদ্যালয়ৰ অডিটৰিয়ামটো চকী-বেঞ্চ পাৰি সজ্জিত কৰাৰ উপৰিও বিশিষ্ট অতিথি সকল বহিবৰ বাবে মঞ্চত চকী পাৰি সন্মুখত টেবুল দি তাক টেবুল ক্লথ আৰু ফুলদানিৰে সজ্জিত কৰিবলৈ পৰামৰ্শ দিলে। মাইকৰ ব্যৱস্থা কৰিবলৈও ছাত্ৰ একতা সভাৰ সম্পাদকক দায়িত্ব দিয়া হ'ল আৰু লগতে তেও ছাত্ৰ একতা সভাৰ সম্পাদকক কলে যে সকলো কাম ঠিক-ঠাক হৈছে নে নাই তেওঁ দুই বজাত চৰজমিন তদন্ত কৰিব। গতিকে দুই বজাত আগতে পৰামৰ্শ দিয়াৰ দৰে সকলো কাম সম্পূৰ্ণ হব লগিব আৰু এই সকলো কামৰ খৰচৰ বাবে অধ্যক্ষ ইব্ৰাহিম আলীয়ে ছাত্ৰ একতা সভাৰ সম্পাদকক তিনিশ টকা অগ্ৰিম হিচাপে দিলে আৰু কলে যে সকলো খৰচৰ ৰচিদ তেওঁ অধ্যক্ষক দিব লাগিব। অধ্যক্ষ ইব্ৰাহিম আলীৰ ধাৰণা টকাৰ লেনদেন আৰু খৰচৰ পদ্ধতিয়ে এজন লোকৰ প্ৰকৃত চৰিত্ৰ ফুটাই তোলে। লেনদেনৰ মাজেৰে মানুহ চিনা যায়। লেনদেনৰ ক্ষেত্ৰত আৰু যাৱতীয় হিচাপ-নিকাচ ৰখাৰ বিষয়ত অধ্যক্ষ আলী অতি সাৱধান ব্যক্তি আৰু সেয়ে তেওঁৰ বিৰুদ্ধে এতিয়াও বিদ্যালয়ৰ টকা অপব্যৱহাৰ কৰা আৰু আত্মসাৎ কৰাৰ অভিযোগ কোনেও চৰকাৰেও হওক কিম্বা বাইজে হওক আনিব পৰা নাই। তেওঁ সকলো ক্ষেত্ৰতে ঠিক ঠাক আৰু নিকা হৈ থকাৰ কাৰনে তলতীয়া কৰ্মচাৰী আৰু শিক্ষকসকলেও ঠিকেঠাকে চলিছে আৰু নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিছে। গছৰ গুৰি ঠিক থাকিলে ডাল পাত ঠিকেই থাকে। গছ মজবুত হয়, সহজে বতাহত হালি নপৰে, ফুল দিয়ে ফল দিয়ে। মুঠতে গছডাল ফলে-ফুলে জাতিষ্কাৰ হৈ থাকে। এনে ধৰনৰ গছ দেখিলে আনন্দ লাগে, তাৰ তলত ক্ষন্তেক ঠিয়হৈ বায়ু সেৱন কৰিলে

অমৃত পান কৰা যেন লাগে। এনেকুৱা গছে প্ৰদূষনতো বাধা দিয়ে। চিটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুৰি অৰ্থাৎ অধ্যক্ষ ঠিক থকাৰ বাবে বিদ্যালয়খন ঠিকেই আছে। ই এখন আদৰ্শ বিদ্যালয় ৰূপে পৰিগনিত হৈছে আৰু বিদ্যালয় খনে উপযুক্ত নাগৰিক বছৰে বছৰে গঢ়ি তুলিব পাৰিছে।

অ' গোহাই দেউ, বহক, বহক। আপোনাক মই লগ পাব বিচাৰিছিলোঁ। আপুনি কৰ্মচাৰী ষ্টাফ, শিক্ষক ষ্টাফ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ বাবে চাহ, মিঠাই আৰু বিস্কুটৰ দিহা কৰিব পাৰিব নহয়। লওঁক এই সাতশ টকা। মোৰ ধাৰনা প্ৰায় এশজন মানুহৰ আপ্যায়নৰ বাবে এই টকা খিনিয়ে যথেষ্ট হব।

হব আৰু উপাধ্যক্ষ চন্দ্ৰ গোহাই দেৱে সপ্ৰতীত ভাৱে কলে। গোহায়ে আৰু কলে যে বিষ্ণু দত্তক তেওঁ থকা অম্বিকাগিৰি নগৰৰ পৰা এখন মাৰুতিৰে আনিব পাৰিলে দেখাত ভাল দেখা হ'ল হেঁতেন। কথাটো ভাবি চাবচোন চাৰ।

আনিব আনিব অমাৰ উদ্ভিদ বিজ্ঞানৰ বিষয় শিক্ষক পঙ্কজ বৰুৱাৰ মাৰুতি গাড়ী খনৰে তেওঁক নিয়াৰ ব্যৱস্থা কৰিব। তেলৰ খৰচ আমাৰ। বৰুৱাই নিজে ড্ৰাইভ কৰিব যেতিয়া চিন্তাৰ কাৰণ নাই আৰু বৰুৱাই দিবলৈ টান পোৱা যেন দেখিলে পান বজাৰৰ নাককটা পুখুৰীৰ পাৰত থকা টেক্সি ষ্টেণ্ডৰ পৰা মাৰুতি গাড়ী এখন ভাড়া লৈ লব। গাড়ীৰ খৰচ বিদ্যালয়ে বহন কৰিব।

বৰুৱাই আপত্তি নকৰে ছাৰ। বিশেষত: বৰুৱা আৰু দত্ত দুয়ো নলে গলে লগা বন্ধু। আমি তেওঁলোক দুয়োৰে মিলা প্ৰীতি দেখি আলু-পিয়াজ আৰু বুন্দিয়া-ভুজিয়া বুলিকৈ ৰবকৈ ৰগৰ কৰিছিলো। কিন্তু ছাৰ গাড়ীৰ তেলৰ খৰচখিনি আমি দিয়াতো উচিৎ হব। বিষ্ণু দত্তক আনিবলৈ কোন কোন যাব আপুনি এটা নিৰ্দ্দেশ দিয়া উচিৎ। উপাধ্যক্ষ গোহাইয়ে বক্তব্য দাঙি ধৰিলে।

বৰুৱা যাব, আপুনি যাব আৰু প্ৰয়েজন বোধ কৰিলে ছাত্ৰ একতা সভাৰ সম্পাদকক নিব পাৰে। সৰু গাড়ী, বেছি মানুহ নোযোৱাই ভাল। ঠাইৰ অকুলন হব। কিন্তু গোহাই দেউ ছাৰ যাতে আঢ়ৈ বজাৰ লগে লগেই আপোনালোক উপস্থিত হয়হি। আমি সভা ঠিক আঢ়ৈ বজাৰ লগে লগে আৰম্ভ কৰিম। ল'ৰা-ছোৱালীবোৰে ৰাতিপুৱা ন মান বজাত এমুঠি নাকে কানে পেটত দি আহিছে। সম্বৰ্দ্ধনা সভাৰ নামত সিহতক কষ্ট দিয়া উচিৎ নহব। চাৰে তিনি বজাৰ লগে লগে আমি সভা সামৰণী মাৰিম। এঘণ্টাৰ সভা। দীঘলীয়া সভা আমিও ভাল নেপাওঁ, লৰা-ছোৱালীয়েও ভাল নেপাব। আপুনি যাওঁক গোহাই দেউ, আপোনাক দিয়া দায়িত্ব পালন কৰক। মই দুই বজাৰ লগে লগে সভাৰ কামৰ অগ্ৰগতিৰ বুজ লম।

আহিব পাৰোনে ছাৰ?

আহা, আহা, কি হ'ল কোৱা। সম্বৰ্দ্ধনা উপলক্ষে ক্লাছ কেনছেল কৰিলে ভাল আছিল ছাৰ। ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদকে কলে।

নহব, নহব ক্লাছ ছুটী দিয়া নহব। ক্লাছ আঢ়ৈ বজালৈ চলি থাকিব। আঢ়ৈ বজাত এটি বেল দিয়া হব। তেতিয়া সকলো ল'ৰা-ছোৱালী প্ৰেক্ষাগৃহত প্ৰৱেশ কৰি আসন গ্ৰহন কৰিব। আসন গ্ৰহণ কৰিলেই সভা আৰম্ভ হব আৰু সভা চাৰে তিনি বজাৰ লগে লগে সামৰণিমৰা হ'ব। ক্লাছ ছুটী দিলেই লৰা-ছোৱালী বোৰ ঘৰলৈ লৰ মাৰিব। কাকলৈ আমি মিটিং কৰিম। এজন অৱসৰপ্ৰাপ্ত শিক্ষকক মাতি বিনা দোষত অপমান কৰা নহবনে? আৰু এটা কথা, হোৱাই-নোহোৱাই ক্লাছ কেনছেল কৰাত মই নাই। তেনে অনুবোধ কৰি মোৰ ওচৰত দৰ্খাস্ত নিদিবা কাম নহব। ভাল শিক্ষা দিবলৈ হ'লে বন্ধ সংস্কৃতি, ছুটী সংস্কৃতি হ্ৰাস কৰিব লাগিব। এনেয়ে শিক্ষকে ক্লাছ নকৰে বুলি আপত্তি কৰিলে নচলিব; সেই আপত্তি গ্ৰহণ যোগ্য নহব। যোৱা ছাত্ৰ একতা সভাত দিয়া কামৰ দায়িত্ব পালন কৰাগৈ। মই দুই বজাৰ লগে লগে কামৰ অগ্ৰগতিৰ বুজ লবলৈ যাম।

অ' উপাধ্যক্ষ গোহাই দেউ। বহক, বহক।

ছাৰ, সকলো বয় বস্তুৰ যোগাৰ কৰা হ'ল। ল'ৰাহতে প্ৰেক্ষাগৃহ সজাই আছে। পঙ্কজ বৰুৱাৰ গাড়ীখনতে বিষ্ণু দত্তক অনাৰ ব্যৱস্থা কৰা হৈছে। বৰুৱা যাব। তেওঁক তেলৰ পইচা দিয়া হৈছে। মোৰ আৰু বৰুৱাৰ উপৰিও ছাত্ৰ একতা সভাৰ সম্পাদককো দত্তক অনাৰ বাবে লগত নিব খুজিছো।





খুব ভাল কথা। নিয়ক, ছাত্ৰ একতা সভাৰ সম্পাদককো আপোনালোকৰ লগত নিয়ক। তাত আপত্তিৰ থল থাকিব নোৱাৰে। কিন্তু চাব যাতে আপোনালোকে দত্তক লগত লৈ ঠিক আঢ়ৈ বজাৰ লগে লগে পেক্ষাগৃহত উপস্থিত হয়হি। আমি আঢ়ৈ বজাৰ লগে লগে সভা আৰম্ভ কৰাৰ ব্যৱস্থা কৰিছো।

অধ্যক্ষ ইব্ৰাহিম আলীক এৰি থৈ গোহাই আৰু ছাত্ৰ একতা সভাৰ সম্পাদক পঙ্কজ বৰুৱাৰ গাড়ীত উঠিলেগৈ। পঙ্কজ বৰুৱাই নিজে গাড়ী ড্ৰাইভ কৰিলে আৰু তেওঁলোকৰ গাড়ীয়ে চিটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনৰ পৰা ওলাই উপায়ুক্তৰ কাৰ্যলয়ৰ সন্মুখৰ পথেৰে পানবজাৰ বাছ টাৰ্মিনাছ পালেগৈ আৰু তাৰ পৰা দীঘলী পুখুৰী পাৰৰ দক্ষিন দিশেৰে পোনে পোনেগৈ চান্দমাৰি ফ্লাইঅভাৰ পাৰহৈ জু-ৰোডেৰে অম্বিকাগিৰি নগৰৰ ফালে গাড়ীখনে গতি কৰিলে।

ইতিমধ্যে অধ্যক্ষ আলীয়ে তেওৰ কোঠাৰ পৰা ওলাই বিদ্যালয়ৰ মুখ্য কাৰ্য্যালয় সহকাৰীৰ লগত অপ্যায়নৰ বাবে কোঠাৰ ভিতৰত সজাই ৰখা খাদ্য সামগ্ৰী সমূহ নিৰীক্ষণ কৰিলে আৰু তাৰ পিছত তেওঁ প্ৰেক্ষাগৃহত প্ৰৱেশ কৰিলে আৰু সকলোবস্তু তমস্কাৰ কৰি ৰখাত ছাত্ৰ-ছাত্ৰীসকলৰ ভূয়সী প্ৰশংসা কৰিলে আৰু তেওঁ মনৰ ভিতৰত নিজে নিজে কবলৈ ধৰিলে - ছাত্ৰ-ছাত্ৰীসকল ঠিকেই আছে। সিহঁতক ভাল বাট দেখুৱাই দিয়া আমাৰ দায়িত্ব। আমি আহি আমাৰ কামৰ মাজেৰে সিহঁতক ভাল বাট দেখুৱাব পৰা নাই গতিকে সিহঁতে বাট এৰি অবাটে গৈছে। তাৰ বাবে সিহঁতকৈ আমি বেছি জগৰীয়া। আমাৰ দোষ সিহঁতৰ গাত জাপি দি সিহঁতক ভাল কৰিব নোৱাৰো। আমি আজি ভাল আদৰ্শ সিহঁতক দেখুৱাব পৰা নাই; সৰ্বপ্ৰকাৰ দূৰ্নীতি, ব্যভিচাৰত আমি মগ্ন হৈ পৰিছো। গতিকে এনে কলংকিত পৰিবেশত ডাঙৰ-দীঘল হবলগীয়া হোৱাত সিহঁতৰ চৰিত্ৰটো সামাজিক অৱক্ষয়ে স্পৰ্শ কৰিছে। সিহঁতক সৰ্বপ্ৰকাৰৰ ব্যভিচাৰৰ প্ৰভাৱৰ পৰা ৰক্ষণ কৰাৰ লগতে সামাজিক জীৱন মেৰামতি কৰিবলৈ হলে আমাৰ মানসিকতা প্ৰথমে নিকা কৰিব লাগিব। তেতিয়া দেখিব সমাজৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপযুক্ত দিশেৰে গতি কৰিছে। তেতিয়া সমাজখন হৈ পৰিব সৌৰভেৰে পৰিপূৰ্ণ এজোপা পৱিত্ৰ তুলসী গছৰ দৰে। সেই জোপা পৱিত্ৰ গছ দেখিলেই শ্ৰদ্ধাত আপোনা-আপুনি মূৰ দো খাই পৰিব।

এনেতে চিটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰাণ্দাত আৰি থোৱা বেলটোত আঢ়ৈ বজাৰ সংকেত ধ্বনি বাজি উঠিল। অধ্যক্ষ আলী প্ৰেক্ষাগৃহৰ পৰা ওলাই আহিল আৰু তেওঁ লক্ষ্য কৰিলে চিৰিৰ কাষত ফুলেৰে উপচি থকা নয়নতৰা ফুল জুপিত এটাও ফুল ফুলি থকা নাই। আটাই বোৰ ফুলেই মৰহি গৈছে আৰু তলত সৰি পৰিছে। আপচু ফুল জোপা দেখি তেওঁৰ মনটো ভাল নেলাগিল। লৰা-ছোৱালীবোৰে আসন গ্ৰহণ কৰিছে। ল'ৰা-ছোৱালীবোৰৰ এই শৃংখলা দেখি তেওঁ মনত বৰ তৃপ্তি লাভ কৰিলে আৰু বিষ্ণু দত্তহত অহালৈ আশা কৰি থাকিল।

এনেতে পঙ্কজ বৰুৱাৰ গাড়ীখন লাহে ধীৰে চিটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত প্ৰৱেশ কৰিলে। ল'ৰা-ছোৱালী বিলাকে তেওঁলোকৰ অতি মৰমৰ, অতি শ্ৰদ্ধাৰ ইংৰাজী বিষয়ৰ শিক্ষকজন অহা বুলি জানিব পাৰি পেক্ষাগৃহৰ আয়নাৰ ফাকেৰে জুমি জুমি চাবলৈ ধৰিলে। সতীৰ্থ শিক্ষকসকলে বিষ্ণু দত্তক আগবঢ়াই নিবলৈ পঙ্কজ বৰুৱাৰ গাড়ীৰ ওচৰত থিয় দিলেহি। কিন্তু ক'তা বিষ্ণু দত্ত দেখোন গাড়ীত নাই। উপাধ্যক্ষ গোহায়ে গাড়ীৰ পৰা নামি অধ্যক্ষ আৰু শিক্ষক সকলক কলে- দুখ আৰু দুৰ্ভাগ্যৰ বিষয় বিষ্ণু দত্ত আৰু ইহ সংসাৰত নাই। তেওঁ ৰাতিপুৱা আঠ বজাতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু মুখত পৰিছে। বনপোৰা জুইৰ দৰে গোটেই খবৰটো বিদ্যালয় কেম্পাছত বিয়পি পৰিলে। এটা প্ৰৱল ভূমিকম্পই বিদ্যালয়ৰ ঘৰ দুৱাৰ জোকাৰি পেলালে। সকলোৰে মুখৰ মাত হৰিল। অধ্যক্ষ ইব্ৰাহিম আলীৰ চকুৰ কোন কেইটা সেমেকি উঠিল আৰু জেপৰ ৰুমালখন উলিয়াই তেওঁ চকুৰ কোন কেইটা মুচিলে।

**************

---

তুমি আনৰ পৰা যেনে ব্যৱহাৰ আশা কৰা আনকো তেনে ব্যৱহাৰ কৰা।

-লেনিন

# এজনী নতুন ছোৱালী

শ্ৰী নীলাক্ষী বৰুৱা
স্নাতক ২য় বৰ্ষ (ক'লা)

তাই আছিল দেউতাকৰ অতি মৰমৰ । নাম তাইৰ 'স্পৃহা' । দেউতাকে তাইক মাতে 'স্ম' বুলি । পৃথিৱীৰ ৰূঢ়তা আৰু দুখৰ পৰা দূৰত মাক দেউতাকৰ মৰমত ডাঙৰ হোৱা এজনী ১৮ বছৰীয়া ছোৱালী। এজাক ল'ৰা-ছোৱালীৰ লগত তেতিয়াও তাই পখিলাৰ পিচে পিচে দৌৰিছিল। গছৰ পাতত বৰষুণৰ পিচত বৈ যোৱা পানী বোৰৰ ভৰত দো খাই থকা ডাল বোৰ জোকাৰি দি নিজেও তিতিছিল আৰু দেউতাক আৰু দেউতাকৰ বন্ধু বোৰক প্ৰায়ে তিতাইছিল। কেতিয়াবা বিৰক্ত হ'লেও তাইৰ সৰল স্ফুৰ্ত্তি বোৰৰ বাবে তাইক সবেই মৰম কৰিছিল। তাই জীৱনটোত যি বিচাৰিছিল তাকেই পাইছিল। তাইক তাইৰ লগৰীয়া বোৰে জোকাইছিল - "লাগিলে তোক দেউতাৰে আকাশৰ জোনটো আনি দিব" । দুখ কি বস্তু তাই নাজানিছিল । তাইৰ মাত্ৰ পৰীক্ষাত বেয়া নম্বৰ পালে বেয়া লাগিছিল। দুখৰ অনুভৱ সিমানেই তাই বুজিছিল ।

সেইদিনা ৰাতিপুৱাই তাই গৈছিল বিয়াণৰ ঘৰলৈ । দেউতাকে তাইক বিয়ানৰ ঘৰত থৈ অফিচলৈ গুচি গৈছিল । 'স্ম' আৰু 'বিয়' খুব ভাল বন্ধু । স্মই বিয়ণক বিয় বুলিয়ে মাতে । সিহঁত হয়টো জন্মৰ পিচৰ পৰাই বন্ধু কাৰণ সিহঁতৰ দেউতাক দুয়োজন বন্ধু। সিহঁত দুজনীয়ে পৰীৰ খেলৰ পৰা আকাশৰ মেঘৰ ৰঙ চাবলৈ একেলগে শিকিছিল । বিয় পঢ়ে নাগপুৰৰ বিজনেল ইঞ্জিনিয়াৰিং কলেজত। আৰু পূজাৰ বন্ধত ঘৰলৈ অহা বিয়ক লগ পাবলৈ স্ম গৈছিল সেইদিনা। দিনটো সিহঁতে লক্ষ্যবিহীন ভাবে ঘুৰি ফুৰিছিল, আৰু স্কুলৰ বন্ধুবোৰক ফোন কৰিছিল । আৰু শেষত সিহঁত গৈছিল Walls লৈ। "হট ডগ" দুয়োজনীৰ খুব প্ৰিয় আৰু egg-o-tic ৰ পেষ্টৰী কিমান দিনৰ মূৰত দুইজনী একেলগে ওলাইছিল । সিহঁতৰ কথা আৰু হাঁহিৰ যেন শেষ নাই । হাঁহি- হাঁহি ফুটপাথৰ মাজত কেতিয়া বৈ যায় নিজে গম নাপাই আৰু বাটৰ মানুহে সিহঁতক আচৰিত হৈ চায় ।

নগৰৰ ভিৰৰ পৰা দূৰত নদী খনৰ সিটো পাৰে 'স্ম'ৰ ঘৰ । বিঅ তাইক থবলৈ ফেৰী ঘাটলৈ আহিছিল আৰু তাই স্মক বিহুৰ বন্ধত আৰু বহুত স্ফুৰ্ত্তি কৰিম বুলি কৈ যাবলৈ ওলাইছিল। তাই পিচদিনাখন নাগপুৰলৈ উভতি যাব। বিয়ান যোৱালৈ স্মই চাই আছিল। সিহঁতে সদায় ইজনী সিজনীৰ পৰা আঁতৰি যাওঁতে কথা কব নোৱাৰা হয়। গাড়ীৰ ভিৰৰ মাজত 'বিয়' ৰ অট খন হেৰাই গৈছিল।

আৰু ফেৰী খন আগবাঢ়িছিল ব্ৰহ্মপুত্ৰৰ মাজলৈ। কোনোবা এজন যাত্ৰীয়ে সুধিলে 'স্ম' দেউতাৰে এতিয়া কেনে পাইছে । হঠাৎ যেন আকাশৰ পৰা তাই সৰি পৰিল। দেউতাৰ কি হৈছে ? মইঁতো নাজানো। দহ মিনিটৰ ৰাস্তা যেন নাযায় নুপুৱাই। ঘৰটো যেন বহুত দুৰত। তাই কান্দিব পৰা নাছিল। বাৰে বাৰে মনত পৰিছিল দেউতাকৰ মুখ খন। দুপৰীয়া চিনড্ৰেলা চুনচুন বেটি, জীপছী ছোৱালীৰ সাধুকোৱা তাইৰ দেউতাক তাই জানিছিল তাইক অৱলম্বন কৰিয়ে দেউতাকে সাধুবোৰ কয়। তথাপিও তাই ভাল লাগে। কি ভীষণ ধুনীয়া সাধু কয় তাইৰ দেউতাকে। আৰু তাই গৈ পাব এনেখন ঘৰ য'ত দেউতাক নাই। এবাৰ মনত ভাব হৈছিল তাই নদী খনত জাপ মাৰি দিব নেকি? তাইৰ মনত পৰিছিল তাইৰ দেউতাক কিমান প্ৰটেক্টিভ আছিল। এবাৰ মনে মনে তাই নাও চলাবলৈ গৈছিল আৰু পলসত পোট খাই গৈছিল আৰু কথমপি বাচিছিল। পিচত ঘৰত মাকৰ তৰ্জন গৰ্জনৰ পৰা তাইক সদায়ৰ দৰে দেউতাকে বচাইছিল। মাকক কৈছিল যে মানুহ মাটিয়ে বালিয়ে পৰি হৰিয়ে ডাঙৰ হয় নিৰুপায় হৈ মাকেও হাঁহিছিল। উস! দেউতাক নথকা ঘৰ এখনত তাই কল্পনাও কৰিব নোৱাৰে। এইবোৰ ভাবি ভাবি কেতিয়া যে তাই ঘৰ পাইছিলগৈ তাই উমানেই নাপালে। কাষৰ মানুহৰ পৰা গম পালে যে দেউতাকৰ মটৰ দুৰ্ঘটনাৰ কথা। কোনোবাই হেনো তেওঁক G.M.C. ত ভৰ্ত্তি কৰাই ঘৰলৈ খবৰ দিছিল। তাই তাত সময় নষ্ট নকৰি G.M.C. লৈ গৈছিল। তাই আগতে কেতিয়াও G.M.C. ত যোৱা নাই। সঁচা অৰ্থতে ডাক্টৰ আৰু হস্পিটেল বুলি কলে দূৰতে তাই বিদূৰ হয়। কিন্তু সেইদিনা তাইৰ কাৰণে সকলো ভয় শেষ হৈ গৈছিল। মৰমৰ জোৰ হয়টো তাতে। ভালপোৱা মানুহৰ কষ্ট মানুহে সহ্য কৰিব নোৱাৰে আৰু তেতিয়া মানুহে চব বাধা বিঘিনি পাৰ কৰিব পাৰে।

তাই যেতিয়া হস্পিটেল পাইছিল T.V. tower টোৰ পিচফালে বেলিটো শুই গৈছিল আৰু G.M.C.খনৰ লাইটবোৰ জ্বলি উঠিছিল। তাত তেতিয়া বজাৰৰ দৰে ভিৰ আছিল। তাইৰ কিন্তু কাৰোলৈ ভ্ৰূক্ষেপ নাই। চিৰি বগাই উঠি গৈছিল সেই নিৰ্দিষ্ট কোঠাটো লৈ। I.C.U.ত দেউতাকে জীৱন মৃত্যুৰ লগত যুজি আছিল। মাকে তাইক দেখি চকু পানী ৰখাব পৰা নাছিল আৰু তাই কাৰেণ্ট গলে দেউতাকক চিঞৰি হায়ৰাণ কৰা ছোৱালী জনীয়ে সেই আন্ধাৰত মাকক সান্ত্বনা দিছিল। সেই দহদিন তাই I.C.U. ৰ পৰা আঁতৰা নাছিল। খোৱা বস্তুৰ পৰা দৰবলৈ সকলোৰ কাৰণে দৌৰিছিল তাই। ইনজেকচন আনিবলৈ ৰাতি দহ বজাত তিনিতলা চিৰি দৌৰি পাৰ হৈছিল তাই। মৰাশৰ ট্ৰলিৰ সৈতে লিফ্‌টত উঠা নমা কৰিছিল তাই। তেজ দেখিলে এসময়ত ভয় খোৱা ছোৱালীজনী তাই পৰিস্থিতিৰ কঠিন হাতত এসপ্তাহত মানুহ সলনি হৈ যাব পাৰে। হয়তো সেইখিনিতে সময়ৰ শ্ৰেষ্ঠতা আৰু বাহাদুৰি। নহ'লে ইমান আলফুলে ডাঙৰ হোৱা ছোৱালী এজনীয়ে ইমান অচিনাকি পৰিৱেশো কেনেকে চম্ভালিব পাৰিলে। এদিন দেউতাক ভাল হৈ উলটি আহিল। তাইক কলেজত চব লগৰ বন্ধুতকৈ ভণ্টিৰ দৰে হে ব্যৱহাৰ কৰিছিল। কাৰণ তাই জটিলতা নুবুজিছিল লগৰবোৰে তাইক জোকাইছিল, ঐ 'স্ম' টি-ক-লি আইস্ক্ৰীম খাবি। তইতো আমাৰ দৰে মম খাব নোৱাৰ। তাই খুব হাঁহিব পাৰিছিল। অন্তৰৰ পৰা। আৰু সেইকাৰণে তাইক চবেই মৰমো কৰিছিল। তাই এতিয়াও আগৰ দৰেই হাঁহে। বৰষুণত তিতি এতিয়াও ভাল পায়। কিন্তু জীৱন কি? ঘৰৰ বাহিৰৰ পৃথিৱী খনৰ জটিলতা তাই বুজি পায়। সেই বগা স্থিৰ G.M.C. ৰ বেৰ কেইখনৰ পৰা তাই আৰু সহ্য কৰিবলৈ শিকিছিল, সেই দহ দিনত। ৰাতিৰ নিস্তব্ধতা সাৰটি সেই বেৰ চাৰিখন বৈ আছে বছৰৰ পিছত বছৰ আৰু তাতে তাই শুনিছিল অলপ সময়ৰ অন্তৰত দুটা কান্দোন এটা নতুন শিশুৰ জন্ম হৈ কান্দিছিল আৰু এজন মানুহৰ মৃত্যুত তেওঁৰ পত্নীয়ে কান্দিছিল। কিন্তু বিচলিত হোৱা নাছিল সেই বগা ৰং হীন বেৰ দুখন আৰু তাই সকলো পৰিস্থিতিৰ সন্মূখীন হোৱাৰ সাহস পাইছিল তাৰ পৰাই।

এটা দুৰ্ঘটনাই সেই আলসুৱা ছোৱালীজনীক জীৱনৰ কঠিনতাৰ লগত পৰিচিত কৰাই জন্ম দিলে এজনী নতুন ছোৱালী যাৰ জীৱনৰ সংঘাট বোৰ হাঁহি মূখে সন্মূখীন হোৱাৰ সাহস আছে।

(মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত গল্প)



উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

# অব্যক্ত বেদনা

শ্ৰীসমীন বেজবৰুৱা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ
(বিজ্ঞান)

বাছৰ পৰা নামি এখন বিক্সাৰ সন্ধানত অভিনাসে এবাৰ ৰাস্তাৰ দুয়োফালে চকু ফুৰালে। উৎকট গৰমত অতীষ্ঠ হৈ পৰিছে গোটেই পৃথিৱী । গছৰ পাতবোৰৰ ৰৰণো ধুলিত বগা হৈ পৰিছে। এই উত্তপ্ত পৃথিৱীখনক যেন এজাক বৰষুণৰ নিতান্ত প্ৰয়োজন। "অ' বিক্সা যাবি নেকি.......?" বিক্সাৱালাৰ গতানুগতিক সেই উত্তৰ 'কহা'। বিক্সাত উঠিয়েই কলে "নয়নপুৰ"। বিক্সাৰ বেগ বাঢ়িব ধৰিলে। এই কেকুৰীটো পাৰ হৈ বৃহৎ আহত জোপাৰ বাওঁহাতৰ ঘৰটো তাৰ বায়েক, আচলতে তাৰ জেঠীয়েকৰ জীয়েক অনামিকা দত্তৰ ঘৰ। অনামিকাৰ মিষ্টাৰ প্ৰভাত দত্ত এজন প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ। "ৰুক ৰুক .........।" তাৰ মাতত বিক্সাখনৰ বেগ মন্থৰ হল আৰু এখন প্ৰকাণ্ড গেটৰ সন্মুখত বিক্সাখন ৰ'ল। অভিনাসে বিক্সাৰ পৰা জাপ মাৰি নামি বিক্সাৱালাক প্ৰাপ্তখিনি দি গেট খুলি সোমাই গ'ল।

প্ৰকাণ্ড দুম[illegible]ীয়া ঘৰত বাস কৰে অনামিকাই। অনামিকা আৰু তাৰ বয়সৰ পাৰ্থক্য বেছি নহয়। সৰুৰে পৰা সিহঁতে একেলগে ডাঙৰ হৈছে। সেয়েহে সি তাইক নাম কাঢ়িয়েই মাতে। কলিং বেলটো টিপি দিওতে খোল খালে দুৱাৰখন। তাক দেখাৰ লগে লগে অনামিকা আৰু তাইৰ একমাত্ৰ পুত্ৰ সুমন দুয়ো লৰি আহিল। সুমন একেজাপে মামাকৰ কোলাত উঠিল। মোৰ কাৰণে কি আনিছা মামা? তাৰ উৎপাত দেখি মাকে শাসনৰ সুৰত কলে - মামাৰক অলপ উশাহ লবলৈ দেচোন। কিমান দিনৰ মুৰত আহিছে, তোৰ উৎপাতত দেখিছো মানুহ এইখন ঘৰত নহাই হব। আহ অভি ভিতৰলৈ আহ। আজি ইমান দি[illegible] মুৰত মোৰ কথা কেনেকৈ মনত পৰিল। তহত ল'ৰাবোৰৰ কথা মই অলপো বুজি নাপাও, বায়েৰ এটাক বিয়া দি কি কৰ্তব্য শেষ। খবৰ এটাটো আহি লৈ যাব পাৰ। বাৰু হাত মুখ ধুই ল। মই ভাত বাঢ়ো। সচাঁকৈয়ে বিয়াৰ পিছত অনামিকা বহু পৰিবৰ্তন হৈছে। তাইৰ আগৰ লাজুকীয়া স্বভাৱটো মুঠেও নাই। হাত মুখ ধুই তিনিও ভাতৰ টেবুলত বহিল। ভাতৰ টেবুলত সিহতৰ বহু কথা হ'ল। সিহতে আজিয়েই লব যেন সমস্ত পৃথিৱীৰ খবৰ। এটা সময়ত তিনিও খোৱাৰ টেবুলৰ পৰা উঠিল।

আবেলিৰ মহানগৰৰ হালধীয়া পোহৰৰ সন্ধানত অভিনাস ওলাই আহিল ৰাজপথলৈ। এইটো তাৰ পুৰণি অভ্যাস, সি যে কেতিয়াও তাৰ পুৰণি নিয়মবোৰ পাহৰিব পৰা নাই। বহু ভূলেৰে জীৱনৰ বসন্ত গনিছে, যৌৱনক এতিয়াও হাতৰ মুঠিত লৈ ঘুৰি ফুৰিছে। তাৰ এতিয়া নিজা বুলিবলৈ একো নাই, এটা দেহ যিটো দেহৰ মাজত হয়তো আজিও বিচাৰি পোৱা যায় স্মৃতিৰ হুমুনিয়াহ, অলেখিত, অবুজন কাবোবাৰ প্ৰেম। গুৱাহাটীলৈ আহিলে সি নিজকে নিসংগ অনুভৱ কৰে। সেয়েহে নিসংগতাৰ সৈতে অলপ সময় কথা পাতিবলৈ সি নদীৰ পাৰ পালে।

এইখিনি সময়ত নদীৰ পাৰৰ ভিৰ বেছি। পাৰ্কখনত হালধীয়া পোহৰে যেন ছা-পোহৰৰ খেল খেলি আছে আৰু তাৰ তালে তালে বাজি আছে মৃদু সুৰৰ হিন্দী গজলৰ কেচেট। অভিৰ পৰিবেশটো বৰ ভাল লাগিল। বেঞ্চখনত গাটো পেলাই অভিয়ে এবাৰ পৰিবেশৰ লগত নিজকে খাপ খুৱাবৰ চেষ্টা কৰিলে।

"অভি............।" হঠাৎ পিছফালৰ পৰা অহা এটা নাৰী কণ্ঠই তাক ঘুৰিবলৈ বাধ্য কৰিলে। বয়সৰ ফালৰ পৰা চালে বাইছ-তেইছ বছৰীয়া এগৰাকী





নাৰী। পিন্ধনত পাতল বগা ৰঙৰ এখন শাৰী। ছা-পোহৰত অস্পষ্টকৈ দেখা মুখখন মনত পেলাবৰ বহু যত্ন কৰিছে; কিন্তু তাৰ স্মৃতি বাৰে বাৰে বেয়াকৈ পৰাজিত হৈছে। হয়তো হৃদয়ৰ গোপন কোঠাৰপৰা ওলাব অস্বীকাৰ কৰিছে এই পৰিচয়। মনত তাৰ উৎকণ্ঠা ক'ত শুনা পাইছিল। এই চিনাকি কণ্ঠস্বৰ। তাৰ উৎকণ্ঠাক অন্ত পেলাই আগন্তুকে পুনৰ কলে-

:"অভি তুমি এতিয়াও মোক চিনি পোৱা নাই?"

: তুমি উপাসনা ............? তাৰ মুখেৰে বাগৰি আহিল হৃদয়ত স্বৰকম্পৰ সৃষ্টি কৰা নামটো।

: অ' অভি মই তোমাৰ উপা...........।

বহু যত্ন কৰি বন্ধ কৰি থোৱা পুৰণি কিতাপ খনৰ পৃষ্ঠাবোৰ আজি যেন মেল খাব ধৰিছে। স্মৃতিৰ বন্ধ দুৱাৰ খন হঠাৎ ধুমুহাত মেল খাইছে। লগে লগে পৃথিৱীৰ সমস্ত হালধীয়া বোৰ যেন অভিৰ মুখত থুপ খাই পৰিল। কি ৰহস্যময় এই নাৰী, যাৰ মাথো এটাই কাম ধুমুহাৰ দৰে কাৰোবাৰ হৃদয়ত প্ৰৱেশ কৰি প্ৰতিশ্ৰুতিৰ কবিতা পঢ়ি শেষত বেদনাৰ টোপোলা এটা উপহাৰ দি যায়। কি ছলনাময় এই নাৰী আজি তিনিবছৰৰ পিছতো কবলৈ পাহৰা নাই "মই তোমাৰ" বুলি।

"অভি বৰ্তমান তোমাৰ খবৰ, কত আছা ?"

"ভাল! - অতি গম্ভীৰ ভাৱে অভিয়ে কৈ দিলে কথাষাৰ। যেন উপাৰ প্ৰতি তাৰ কোনো আকৰ্ষণ নাছিলেই। থাকিলেও দেখুৱাৰ কোনো কাৰণ নাই। উপা এতিয়া তাৰবাবে এটা অতীত। জীৱনৰ এটা বিষাদময় অভিজ্ঞতা। এদিন উপা কাষত থাকিলে সি পাইছিল পূৰ্ণিমাৰ জোনাকৰ দৰে স্নিগ্ধ কোমলতা কিন্তু আজি কথাবোৰ তেনে নহয়। জীৱনৰ সকলো সুখ আনন্দ ঐশ্বৰ্য্য হেৰুৱাই, অভি আজি সম্পূৰ্ণ বিক্ত, পংগু, অসহায়। কেতিয়াবা সময়েও মানুহক বেয়াকৈ পৰাজিত কৰে। তেতিয়া সোঁৱৰণীয়েই হৈ পৰে চূৰ্ণীকৃত হৃদয়ৰ একমাত্ৰ সংগী। কেতিয়াবা অভিৰ অতীতৰ কথা ভাবিবলৈ মন যায়, ভাবিবলৈ মন যায় স্মৃতিত সজীৱ হৈ থকা উপা-ৰৰষা আদিৰ কথা। অভিয়ে লাহে লাহে পাহৰি গ'ল ওচৰত বহি থকা উপাৰ অস্তিত্ব উভতি গ'ল সাত বছৰ পাছলৈ। আজি চকুৰ সন্মুখত যেন কোনোবাই মেলি ধৰিছে এখন জীৱন উপন্যাস। অভিয়ে পঢ়ি যাব তাৰ প্ৰতিটো শাৰী, প্ৰতিটো শব্দ.............।

সৰুৰে পৰা অভি আছিল 'স্মাৰ্ট'। তাৰ সৰু অন্তৰখনে বান্ধি ৰাখিব পাৰিছিল বহুজনৰ হৃদয়। চাবলৈ গলে অভি সৰুৰে পৰা আছিল আলসুৱা। এটা বেল দুৰ্ঘটনাত মৃত্যু হৈছিল অভিৰ মাক দেউতাক কিন্তু দৈৱক্ৰমে বাচি গ'ল অভি। তিনিদিনৰ পাছত উপযুক্ত প্ৰমাণ দি লৈ আহিছিল তাক তাৰ জেঠীয়েক আৰতি কলিতাই। তেতিয়াৰ পৰাই আৰতিয়ে অভিক সজাই পৰাই তুলিছে নিজৰ ছোৱালী অনামিকাৰ দৰে। অভিয়ে শৈশৱ পাৰ কৰিলে অনামিকাৰ লগত জেঠীয়েক আৰু অনামিকাৰ উপস্থিতিত সি আজিলৈ অনুভৱ কৰা নাই মাক দেউতাকৰ অস্তিত্ব। কিন্তু যেতিয়াই কোনোবাই তাৰ পৰিচয় সোধে তেতিয়া সি যেন তাৰ পৰিচয় দিবলৈ অসমৰ্থ, যেন সি অসম্পূৰ্ণ। নিজক লুকাই ৰাখিবলৈ অপ্ৰাণ চেষ্টা কৰিলেও সি যেন হাৰ মানিছে নিজৰ ওপৰত, সি যেন বাৰে বাৰে ধৰা পৰি যায় নিজৰ চকুতে। কেতিয়াবা ভাব হয় মাক দেউতাক নিচেই সৰুতে মৰাই ভাল হ'ল। নহলে ৰৰষা উপাহতৰ দৰে সিহতৰ মুখ কেইখনো পাহৰিবলৈ তাৰ বৰ কষ্ট হ'লহেতেন.............।

চকুৰ পৰা বাগৰি অহা চকুপানীয়ে তাক ঘুৰাই আনিলে বাস্তৱলৈ। লুকাই চুৰকৈ ৰুমালেৰে মোহাৰি পেলালে চকুপানী। বেঞ্চৰ সিটো মুৰত বহি আছে উপা। লাইটৰ পোহৰত সি স্পষ্টকৈ দেখা পাইছে তাইৰ কপি থকা ওঠ দুটা তাই যেন কিবা জনাৰ বাবে অধীৰ

আগ্রহী। অভিব উপাব চকুব চঞ্চলতাব বুজ লবলৈ আজি কোনো আগ্রহ নাই। তাইব ওপবত কোনো আক্ষেপো নাই। উপাব দবে ববযায়ো এদিন তাক এবি থৈ গৈছিল জনবহুল পৃথিৱীত। অভি পুনব ভাবসাগবত বুব গ'ল।

সুখ্যাতিবে মেট্রিক পাছ কবি এদিন অভি গুব়াহাটীলৈ পঢ়িব আহিছিল। লগত লৈ আহিছিল জেঠায়েকব আশীর্বাদ আৰু অনামিকাব মবম। মহানগবীব হাই-উৰুমি, বন্ধুবর্গব মাজতো যেন অভি আছিল অকলশবীয়া। আজবি সময়ত বন্ধুবর্গক নানা অজুহাত দেখুৱাই অভিয়ে প্রায়ে ফালবি কাটি আহিছিল আৰু নিজকে বন্ধ কবি বাখিছিল হোষ্টেলব চাবিবেবব মাজত। কলেজত ক্লাছ নাথাকিলে যেতিয়া লগব বোবে আড্ডাত যোগদান কবে তেতিয়া অভিয়ে অতীতক সোঁৱবি বহি থাকে নির্জন কোঠাত নতুবা পুখুবীব পাবত। এনেদবে সময়বোব বাগবিছিল। এনেকৈ এদিন তাব নীবস জীৱনব সোৱাদ লবলৈ বন্ধুবর্গব পবা আগবাঢ়ি আহিছিল ববযা। ববযাই তাব চকুত গোট খোৱা দুখবোব পঢ়ি চাবলৈ যত্ন কবিছিল। অভিয়েও ববযাক হৃদয়ত প্রৱেশ কবিব দিছিল। লাহে লাহে এজন ভাল বন্ধু হিচাপে হৃদয়ত স্থান পাইছিল। ববযাব আগমনত অভিব বন্ধ হৃদয়ব সমস্ত খিবিকী খোল খাইছিল। লাহে লাহে অভি প্রকৃতিস্থ হৈছিল। দুয়োবে মাজত যিমান গভীব বন্ধুত্ব আছিল তাতোকৈ গভীব আছিল বিশ্বাস। বিশ্বাস কিমান দিন? ববযাব হয়তো বিষাদব গান শুনি শুনি মন টেঙাইছিল। তাব হৃদয়ব ঝংকাবত মূৰ্চ্ছা যোৱা ববযাই লাহে লাহে তাব জীৱনব পবা আতঁবি যোৱাব পথ বিছাবিছিল আৰু এদিন এটা সামান্য কথাত দোষাবোপ কবি ববযা অভিমানেবে আতঁবি গৈছিল অভিব কাষব পবা। অভিয়ে তাইক বহুত বুজালে কিন্তু তাই নামানিলে। নির্বাক বালকব দবে সেইদিনা সি চিঞবি চিঞবি কান্দিছিল। জ্বলি জ্বলি শেষ হৈ যোৱা মমডালব দবে নুমাই গৈছিল তাব মনব বন্তিব স্তিমিত শিখা ডাল।

পানীত পবা মানুহে নিজক বচাবব বাবে সাবতি লোৱা খেব কুটাব দবে সিও তাব ভঙা হৃদয়খন মেবামতিব বাবে সাবটি লৈছিল কিতাপ আৰু চিগাবেট। কিন্তু এনেদবে বেছিদিন কটাবলগীয়া নহ'ল। ববযাই মেলি থৈ যোৱা খিবিকিয়েদি এদিন প্রৱেশ ঘটিল উপাসনাব। বং, তামাচাব কেনভাচখনত ববযাই ঢালি থৈ যোৱা কলা বং খিনি বহু পবিমাণে শুহি ললে উপাসনাব সান্নিধ্যই। মুক্ত কর্পূবব দবে লাহে লাহে উবি গ'ল ববযাব স্মৃতিব ভাবব টুকুবা; তাব ঠাইত থিতাপি ললে উপাসনাব মধুব মাতব গুণ-গুণনি। হঠাৎ হৈ যোৱা ধুমুহাত থান বান হোৱা তাব হৃদয়ব অৱশিষ্টখিনিক নিয়াবিকৈ সজালে উপাই। কোনোৱে গম নোপোৱাকৈ সিহঁতে আশাব সযুঁবা ছটিয়াই বহু আগবাঢ়ি গ'ল। ঠায়ে ঠায়ে সাজি গৈছিল আকাশব কাবেংঘব। লুইতব শিলনিত বহি সিঁহতে কিমানটা সন্ধিয়া পাব কবিছিল তাব হিচাপ নাই। এনেদবে এদিন সময়েও বাগব সলালে। এদিন অভিয়ে তাব বিদ্রোহী মনটো লৈ অবণ্যলৈ যাত্রা কবিলে। যাবব সময়ত সি উপাক দুটা ঠিকনা দি গৈছিল এটা ঘবব আনটো অবণ্যব। সেইদিনা তাব বুকুত মুব গুজি তাই বহু সময় উচুপিছিল।

অবণ্যত প্রথম কেইসপ্তাহ সি অস্থিব হৈ পবিছিল। তাব চঞ্চল মনটোক বান্ধি বাখিব পবা নাছিল ওখ ওখ গছবোবব মাজত। কিন্তু তাব লগব প্রশান্ত, বিপ্লবহতব সান্নিধ্যই তাক তাব কর্তব্যব কথা সোঁৱবালে। তাব মাজে মাজে দুই এখন চিঠিও সি উপাসনাব পবা পাইছিল যত সনা আছিল মবম আৰু বিশ্বাসব বোল। এদিন দুপবীয়া প্রশান্তহতব লগত বহি থাকোতে এখন নীলা খামব চিঠি তাক ল'বাজনে দি গ'ল। কাবোবাব বিয়াব চিঠি। পঢ়ি থাকোতে প্রশান্তই লক্ষ্য কবিলে অভিব মুখব বৰণ। তজবজীয়া মুখখন লগে লগে শেতা পবি গৈছিল। সেইখন আছিল উপাব বিয়াব চিঠি। এটা প্রস্তব মূর্তিব দবে সি থিয় হৈ আছিল কিছু সময়। সেই নীলা খামব চিঠিখন যেন নিমন্ত্রণী পত্র নাছিল তাব বাবে উপাই সযতনে থৈ দিয়া এবুকু বিষাদবণ্ডী আন্ধাব। সি সেইদিনা স্বীকাব কবিছিল তাব অতীত বিষাদত, যৌৱন নিদাৰুণতাত আৰু শৈশৱ চকুপানীতে আৱৰু। উপাই মাথো তাব হৃদয়ত এখন নাটব আখবা কবিছিল আৰু সময়ত সেই নাট মঞ্চস্থ কবিলে আন কাবোবাব হৃদয়ত। কেতিয়া কেনেকৈ চপবা- চপবিকৈ দুখ বোব খহি পবিছিল অভিয়ে আজি নাজানে মাথো জানে তেতিয়াব পবা হয়তো তাব মুখত অহা নাই ৰূপালী জোনাক। তাব স্বাভাৱিক অৱস্থা ঘূবি আহোতে বহু দিন লাগিছিল। তেতিয়াব পবা সি কোনো যুক্তি বিচবা নাই মাথো বিচাবিছে বাস্তৱতা, যি বাস্তৱতাব ভেটিত গঢ়ি উঠিছিল তাব অবণ্যব সৈতে প্রেম------।

এজাক বতাহব স্পর্শত সি ছিটিকি পবিল বাস্তৱত। ইমান পবে দুডাল মবা কাঠব দবে দুয়ো দুয়োকালে বহি আছিল। এইবাব যেন অভিব পাল নিস্তব্ধতা ভংগ কবি অভিয়ে সুধিলে-"তুমি সুখীনে?"

"হয়, মই সুখী..... বহুত সুখী.......॥"

শেষব শব্দতো কওঁতে তাই আঁচলেবে চকুপানী টুকিছিল। " কিন্তু তোমাব মিষ্টাব ক'ত তেওঁক দেখা নাই যে..........?"

"দেউতাক আৰু দেখা নোপোৱা অভি! মোৰ শবীবব মাহ হাড়খিনি খোজ মাবি নৌযাওঁতেই কোনো অজ্ঞান আততায়ীব গুলিত তেওঁ.........!!! নিহত কথাখিনি উপাই আৰু কব নোৱাবিলে। তাই উচুপি উঠিল।

এইবাব অভিয়ে বুকু ডাঠ কবি সুধিলে- কি নাম আছিল তেওঁব.....। বিকাশ ফুকন। নামটো শুনাব লগে লগে এক আতংকত শিয়বি উঠিল অভিব মন। হঠাৎ এক বিদ্যুত প্রবাহ যেন তাব শবীবেবে পাব হৈ গ'ল। কি শুনিছে এইবোব নিজব কাণব ওপবত তাব বিশ্বাস হোৱা নাই। কাবণ এবছব আগতে এদিন সিয়েই হাইকমাণ্ডব নির্দেশ ক্রমে হত্যা কবিছিল বিকাশ ফুকনক। কি স্বার্থপব সি। উপাই মাথো তাক উবাই দিছিল নিসংসতাব চাদবখন। তাব বিনিময়ত সি তাইক চিবদিনব বাবে পিন্ধাই দিলে সেই বগা সাজযোব।

লাহে লাহে হালধীয়া পোহবক নেওচি আগবাঢ়ি গ'ল আন্ধাবব কণাবোব। নদীব তবংগবোবে আজি অভিব বিৰুদ্ধে বিদ্রোহ ঘোষণা কবিছে আৰু খুন দা মাবিলে কাষব বালিচবক.........।

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

- কর্মই উপাসনা, হাঁহিয়েই জীৱন। যিয়ে জীৱনত সুখ আৰু দুখ দুয়োকে হর্ষমনে গ্রহণ কবিব পাবে তেওঁহে জীৱনব সৌন্দর্য্য ভোগ কবে।

  -চর্দাব পেটেল

- মই ভাবো গান্ধীজীব দর্শনব অর্থ আৰু তাৎপর্য তেওঁব দেশব সীমাব বাহিবত, আৰু তেওঁব মৃত্যুব পিচতো, বৰ্ত্তি আছে। তেওঁব ভালেখিনি নীতিব বিশ্বজনীনতা আছে আৰু চিবস্থায়ী মূল্যওঁ আছে।

  উ খাণ্ট

- যাক প্রশংসা কবিব নোখোজা তাক নিন্দা কবিবলৈও কলম হাতত তুলি নলবা।

  -ববীন্দ্র নাথ ঠাকুব

- "ঘৃণাতকৈ প্রেম ভাল, যুদ্ধতকৈ শান্তি ভাল সংঘর্ষতকৈ সহযোগিতা ভাল আৰু শক্তি প্রয়োগতকৈ সমিল মিললৈ অহা বেছি ভাল।"

  মহাত্মা গান্ধী

# ৰাজনীতিৰ নিচা

শ্ৰীগিৰিন্দ্ৰ নাথ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

ছাৰ, ঘৰত আছেনে? বগা পাঞ্জাৰী চুৰিয়া পিন্ধা বৃদ্ধজনে গোবিন্দ ফুকনৰ ঘৰৰ বন্ধ দুৱাৰখনৰ কাষতৰে কেইবাবাৰো মাতিলে, তাৰ পিছত কলিং বেলটো টিপিবলৈ যাওঁতেই কলিং বেলটোৰ বুটামটোত লগাই থোৱা কাগজখন তেওঁৰ চকুত পৰিল। পৰীক্ষা হলত কমন নপৰিলে পৰীক্ষাৰ্থীয়ে হতাশ মনেৰে যেনেদৰে প্ৰশ্নকাকত খনকে বাৰে বাৰে পঢ়ি থাকে, বৃদ্ধজনেও তেনেদৰে কাগজ খনত লিখি থোৱা কথা কেইটা কেইবাবাৰো পঢ়িলে। যেন তাৰ অৰ্থ তেওঁ বুজি পোৱা নাই! শেষৰ বাৰ তেওঁ ক'ব নোৱাৰাকৈয়ে শব্দ কৰিয়েই পঢ়িলে - "ছাৰ ঘৰত নাই। কলিং বেল টিপি আমাক আমনি নকৰিব, আমাৰ পৰীক্ষা আছে।" তেওঁৰ ডিঙিলৈ তিতা তিতা ভাৱ এটা উঠি আহিল আৰু বিষণ্ণ মনেৰে গেটখন খুলি ওলাই গ'ল। ড্ৰয়িং ৰুমটোৰ কাষৰ ৰুমটোতে দুৱাৰ মাৰি সোমাই থকা গোবিন্দ ফুকনে সকলোখিনি গম পাই আছে। পুৰাৰ পৰা তেওঁৰ ঘৰলৈ কোন কোন আহিছে, কোনে তেওঁক লগ পোৱাৰ আশাত ড্ৰয়িং ৰুমটোৰ চুফাখনত বহিছে আৰু এইমাত্ৰ যে ওলাই গ'ল বৃদ্ধ মানুহজন বিষণ্ণ মনেৰে, গোবিন্দ ফুকনে সকলো গম পাই আছে। কলিং বেলটোৰ বুটামটোত লগাই থোৱা কাগজখনক আওকান কৰি কেতিয়াবা কোনোবাই হয়টো বুটামটো টিপি দিছে, কাম কৰা ল'ৰাটো খৰ খোজেৰে ওলাই গৈছে আৰু ৰুক্ষস্বৰত কৈছে - ছাৰ ঘৰত নাই। কেতিয়া আহিব? ক'ব নোৱাৰো। ইচ্ছা কৰিয়েই শব্দ কৰি সি দুৱাৰ খন মাৰি দিছে। গোবিন্দ ফুকনৰ তেতিয়াই চিঞৰি দিবৰ মন যায় - ন' ন' হি ইজ টেলিং লাই, আই এম ষ্টিল ইন মাই ৰুম। নাই, তেওঁ তেনেদৰে চিঞৰিব নোৱাৰে। পেৰেলাইছিছ ৰোগত ভোগা ৰোগীৰ দৰে তেওঁ মাত্ৰ বিছনাখনতে পৰি ৰ'ল। স্থানীয় কলেজখনৰ প্ৰবক্তা গোবিন্দ ফুকন বৰ্তমান শাসনৰ গাদীত থকা চৰকাৰ খনৰ কৃপাধন্য ব্যক্তি। বৰ্তমান চৰকাৰে লাখ লাখ নিবনুৱাক কৰ্ম সংস্থাপন দিয়াৰ নামত যি চল্লিশ হেজাৰ নিবনুৱাক শিক্ষকৰ পদত নিযুক্তি দিয়াৰ আচঁনি লৈছে আৰু তাৰ বাবে উপযুক্ত প্ৰাৰ্থীক নিৰ্বাচিত কৰিবৰ বাবে মহকুমা ভিত্তিত যিখন কমিটি গঠন কৰি দিছে, সেই কমিটিৰ গোবিন্দ ফুকনো এজন মেম্বাৰ। সেই সুত্ৰে তেওঁৰ ঘৰত পুৱাৰ পৰা ৰাতিলৈকে মানুহৰ ভিৰ নুগুচেই। মানুহে কোৱা মেলা কৰিছে আজিকালি হেনো স্থানীয় বিধায়ক গৰাকীৰ ঘৰতো ইমান ভিৰ নহয়। আঃ অতিষ্ঠ হৈছো, অতিষ্ঠ হৈছো গোবিন্দ ফুকনে চিঞৰি উঠে কেতিয়াবা। তেওঁৰ পৰিবাৰ আৰু ল'ৰা ছোৱালী কেইটা আজিকালি ইচ্ছা কৰিলেই ড্ৰয়িং ৰুমলৈ ওলাই আহিব নোৱাৰে। এই লৈ সদায় নিশা ভাত খোৱা টেবুলত গোবিন্দ ফুকনৰ লগত তৰ্কাতৰ্কি হয় পৰিবাৰৰ।

পুৱাৰ পৰা ৰাতিলৈকে এই যে মানুহবোৰে বেঢ়ি ধৰি থাকে তাৰ কিমানক আপুনি চাকৰি দিব পাৰিছে? আঃ চাকৰি পোৱাটো ইমান সহজ কথা বুলি ভাবিছা নেকি? তেনেহলে প্ৰতিজন মানুহক আপুনি চাকৰিটো হ'ব বুলি কয় কিয়? তুমি ৰাজনীতিৰ কথা কি বুজাহে? বুজিবলৈ আৰু কিটো আছে। মানুহবোৰে আপোনাক ছাৰ ছাৰ বুলি মাতি তেল মাৰি থাকে কাৰণে খুব ভাল পায়। ইপিনে আমাৰ কিমান অশান্তি হৈছে আপুনি কি বুজিব। আপোনাৰ ৰাজনীতিয়ে লৰা-ছোৱালী কেইটাৰ পঢ়া শুনা একেবাৰে শেষ কৰি পেলাইছে।

নুবুজে, নুবুজে; কোনেও নুবুজে পৰিবাৰেও নুবুজে, ল'ৰা-ছোৱালীকেইটাৰ লগতো তেওঁৰ সতে উখনা-উখনি লাগে সিহঁতে দেউতাক প্ৰত্যক্ষ ৰাজনীতিত নামি পৰাটো ভাল পোৱা নাই। হু! কি জান তহঁতে? ওপৰে ওপৰে কথাবোৰ কলেই নহব নহয়। ৰাজনীতিয়ে যিখিনি ক্ষমতা দিয়ে, আমেজ দিয়ে, আছেনে অন্য কৰবাত? এম এল এ, মিনিষ্টাৰ হ'ব নোৱাৰি। দলৰ কাৰণে অলপমান ত্যাগ থাকিব লাগিব, কষ্ট কৰিব লাগিব। নুবুজে, কোনেও নুবুজে। পৰিবাৰেও নুবুজে, ল'ৰা-ছোৱালীকেইটাও নুবুজে এইবোৰ কথা। অতিস্থ হৈ কেতিয়াবা তেওঁ এইবোৰৰ পৰা আঁতৰি থাকিব ইচ্ছা কৰে। কিন্তু তেওঁ পলাই ফুৰিলেও মানুহে তেওঁক খেদি ফুৰে। ড্ৰাগছ খোৱা মানুহে যেনেদৰে সহজতে এৰিব নোৱাৰে, ৰাজনীতিত এবাৰ যদি মূৰ সুমুৱাইছে সহজতে আতঁৰি আহিব নোৱাৰে। ডিঙিত ফুলাম গামোছা আঁৰি আদৰা জনকো মানুহে এদিন ৰাজপথত অপমান কৰিব পাৰে। এয়াই ৰাজনীতি। গোবিন্দ ফুকনে কেতিয়াবা পৰিবাৰক হাঁহি হাঁহি কয়। বৰ বেলেগ নিচা বুজিছা। পৰিবাৰে আকৌ ভেকাহি মাৰি উঠে। থওক, থওক। হলে মিনিষ্টাৰ হ'ব লাগে। তেতিয়াহে কিবা এটা হয়। গোবিন্দ ফুকনৰ মুখখন উজ্জল হৈ উঠে। আছে, আছে। এটা ক্ষীণ আশা আছে। মাত্ৰ লাগে ভাগ্য। জ্যোতিষত আজি কালি সেয়ে তেওঁৰ বৰ বিশ্বাস হৈছে। কেইবাজনো জ্যোতিষীক ঘৰলৈ মতাই তেওঁলোকে দিয়া বিভিন্ন ৰঙৰ পাথৰৰ আঙুঠিবোৰ তেওঁ দুয়োখন হাতৰ আটাইকেইটা আঙুলিতে পিন্ধি লৈছে।

পৰিবাৰ আৰু ছোৱালী দুজনীয়ে পুৱাৰ পৰা ৰাতিলৈকে ঘৰ খনত মানুহে গিজ্ গিজাই থকাটো ভাল নেপায়। ফুকনৰ কিন্তু ভাল লাগে। আঃ ক'ত আশা লৈ কিমান দূৰ দূৰণিৰ পৰা মানুহ আহে কেৱল তেওঁক লগ পাবলৈকে। পৰিবাৰ আৰু ছোৱালী দুজনক সন্তুষ্ট কৰিবৰ বাবে গাড়ী এখন কিনি দিছে। সৰুতেওঁ ছোৱালী দুজনীক তেওঁ এনেদৰে পুতলা গাড়ী কিনি দিছিল। গাড়ীখন পোৱাৰ পিছত অৱশে ছোৱালী দুজনীৰ লগতে পৰিবাৰো সন্তুষ্ট। কিন্তু পৰহি ঘটা এটি ঘটনাই সকলো ওলট-পালট কৰি দিলে, যেন ড্ৰয়িং ৰুমত ওলমি থকা পুৰণা ঘড়ীটো হঠাৎ বন্ধ হৈ গ'ল। গাড়ীখন লৈ পৰিবাৰ আৰু ছোৱালী দুজনী ওলাই গৈছিল বজাৰলৈ। দোকান এখনত কাপোৰ চাই থাকোতে তেওঁলোকৰ কাণত পৰিল কাষৰ দোকান খনত যেন কোনোবাই তেওঁলোকক লৈ সমালোচনা কৰিছে। আঃ কি কৈছে! কি কৈছে এইবোৰ! ছোৱালী দুজনীৰ সৈতে পৰিবাৰ দোকান খনৰ পৰা খৰ ধৰকৈ ওলাই আহি গাড়ীত উঠিল। পান দোকান খনৰ কাষত ল'ৰা কেইটাই তেতিয়াও কথা পাতি আছিল। হয়টো গোবিন্দ ফুকনৰ ছাত্ৰ। ল'ৰা কেইটাৰ কথা কেইটা পুনৰ যেন তেওঁলোকৰ কাণত বাজিল, "আগতে ছাৰক প্ৰশ্ন কৰিছিলো। ছাৰে কিন্তু তাৰ মূল্যই নুবুজিলে। আজি কালি যি বিলাক মানুহে ছাৰক বেঢ়ি ৰাখে, দেখিলেই কিবা লাগে।" ল'ৰা কেইটাই আৰু কিবা কিবি কৈছিল,

সেই বিলাক তেওঁলোকৰ বাবে অশ্ৰব্য আছিল। বচ, ঘৰত আহি ছোৱালী দুজনীয়ে হুলস্থূল লগাই দিলে। নাই, নাই, ঘৰলৈ আৰু কোনো মানুহ আহিবলৈ দিয়া নহ'ব। মাকৰ হতুৱাই দেউতাকক কোৱালে 'সিহঁতৰ পৰীক্ষালৈ বেছিদিন নাই। ড্ৰয়িং ৰুমত বহি মানুহে কথা পাতি থাকিলে সিহঁতৰ অসুবিধা হয়।' উপায় নাই, গোবিন্দ ফুকনৰ উপায় নাই। তেওঁ কাক বাধা দিব? কাক ক'ব নাহিব, নাহিব, মোৰ ওচৰলৈ নাহিব আনহাতে ছোৱালী দুজনীকো তেওঁ এই বিষয়ত শাসন কৰিব নোৱাৰে। তাৰ পৰিণাম কি হ'ব তেওঁ ভালদৰে জানে। হয়তো এমাহ মানলৈ ঘৰখনত অশান্তিৰ সূত্ৰপাত হব, হয়তো তাৰো উৰ্দ্ধত কিবা হব। কালি সেয়েহে তেওঁ পুৱাই ঘৰৰ পৰা ওলাই গৈ ৰাতি বহু পলমকৈ ঘৰ সোমাল। গোটেই দিনটো তেওঁক বিচাৰি অহা মানুহ খিনিক ৰুক্ষস্বৰত কলে - নাই, নাই দেউতা ঘৰত নাই। আৰু আজি?

আজি পুৱাই সিহঁতে গোবিন্দ ফুকনক ড্ৰয়িং ৰুমৰ কাষৰ ৰুমটোত তলামাৰি সুমুৱাই থলে আৰু কলিং বেলৰ বুটামটোত কাগজ এখন আঁৰি থলে - "ছাৰ ঘৰত নাই, কলিং বেল বজাই আমনি নকৰিব। আমাৰ পৰীক্ষা আছে।" গোবিন্দ ফুকনে প্ৰতিবাদ নকৰিলে, আলোচনী এসোপা লৈ তেওঁ ৰুমটোতে সোমাই থাকিল। হঠাৎ গোবিন্দ ফুকনৰ ভাৱ হ'ল এখন গাড়ী আহি যেন তেওঁৰ পদুলি মুখত ৰৈছেহি। বিছনাখনৰ পৰাই তেওঁ জাপ মাৰি উঠাদি উঠিল আৰু দৰজাখনৰ ওচৰলৈ আহি কাণ থিয় কৰি ৰ'ল। হয়, তেওঁ স্পষ্ট শুনিছে গেট খোলাৰ শব্দ আৰু এক চিনাকি কণ্ঠস্বৰ। তেওঁ উত্তেজিত হৈ পৰিল। কি কৰিব এতিয়া? চটপ্-চটপ্-চটপ্ ..........

হয়, হয়, চেণ্ডেল চোঁচৰাই চোঁচৰাই তেওঁৰ ছোৱালীজনী ওলাই গৈছে। ড্ৰয়িং ৰুমৰ দৰ্জাখন খোলাৰ শব্দ আঃ গোবিন্দ ফুকনৰ মূৰটো কিবা এটাই কামুৰিবলৈ আৰম্ভ কৰিলে। এনেকুৱা লাগিছে যেন বন্ধ দৰ্জাখন এটা গোৰ মাৰি ভাঙি মুহূৰ্ত্তৰ ভিতৰতে ওলাই যাব। ছোৱালীজনীয়ে মাতিছে কাৰোবাক আহক, আহক ছাৰ..........। দেউতাৰা নাই? আঃ এয়া দেখোন বিধায়ক গৰাকীৰ কণ্ঠস্বৰ। ছোৱালীজনীয়ে একো কোৱা নাই বোধ হয় থেৰো গেৰো কৰিছে। নাই...... মানে..........

কলৈ গ'ল? আজিতো মোৰ লগত এঠাইলৈ যোৱাৰ কথা আছিল। গোবিন্দ ফুকনে অনুভৱ কৰিলে পিঠিয়েদি ঘাম বৈ গৈ ককাল পাইছেগৈ। কপালৰ ঘাম গালেদি বৈ আহি ডিঙি পাইছে। তেওঁ গাটোত এটা পোৰণি অনুভৱ কৰিলে। বিধায়ক গৰাকী যেন ড্ৰয়িং ৰুমৰ পৰা ওলাই যাবলৈ উদ্যত হৈছে। তেওঁৰ মূৰটো ঘুৰোৱা যেন লাগিল। গোটেই শৰীৰটো যেন ক্ৰমশঃ অৱশ হৈ পৰাৰ উপক্ৰম কৰিছে। এই যে ড্ৰয়িং ৰুমত তেওঁক লগ পাবলৈ বহি থকা মানুহ খিনিক মাক আৰু ছোৱালীজনীয়ে অলপ আগতে দেউতা ঘৰত নাই বুলি কৈছিল, তেওঁলোকৰ উপস্থিতিকো অগ্ৰাহ্য কৰি গোবিন্দ ফুকনে বন্ধ দৰ্জা খনত ভুকুৱাই ভুকুৱাই চিঞৰিবলৈ ধৰিলে-

ছাৰ, ছাৰ, আপুনি নেযাব ছাৰ। মই ইয়াতে আছো। মোক এই ৰুমটোত আবদ্ধ কৰি ৰখা হৈছে।

ছাৰ........... ছাৰ..................।





# বিৱৰ্তন

শ্ৰীমলয়া বড়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

ওৱাল ঘড়ীটোত তেতিয়া নিশাৰ বাৰ বজাৰ সঙ্কেত শুনা গৈছিল। মনিমালাই তেতিয়ালৈকে টোপনি যাব পৰা নাছিল। টোপনি যাবলৈ বাৰে বাৰে চেষ্টা কৰাটো তাই বিফল হৈছিল। নানা ভাবে তাইৰ মনটো খেলি মেলি লগাই দিছিল।

দেশখন বাৰু কি হ'ল? মানুহ বোৰৰ নৈতিক অধঃপতন বাৰু কিয় হ'ল? মানুহে মানুহৰ বাবে কিয় নভবা হ'ল? মানুহ বোৰে কি বিচাৰে বাৰু? হিংস্ৰ জন্তুৰ প্ৰবৃত্তি ললে কিয়? এফালে মানুহে সভ্যতাৰ জখলাৰ শীৰ্ষ বিন্দুত অৱতৰণ কৰিছে আনহাতে বৰ্ব্বৰতাৰ অটল গহ্বৰত নামি পৰিছে।

আজি মানুহক টকা লাগে। আৰু বহুটো কিবা কিবি লাগে।

বহুত বছৰৰ মূৰত এয়া মনিমালা, তাইৰ জন্ম গাঁও খনৰ পৰা উলটি আহিছে। ত্ৰিশ বছৰৰ আগতে তাই সেইখন গাৱৰ পৰা বিয়া হৈ আহিছিল প্ৰনৱ হাজৰীকাৰ লগত। তেতিয়াৰে পৰা তাই স্বামীৰ লগতে আছে। চাকৰীৰ নানা দায়িত্বৰ মাজত আৰু ঘৰুৱা নানা লেঠাত পৰি ইমান দিনে তাই তাইৰ ওপজা গাঁওখনলৈ যাব পৰা নাছিল। আনহাতে তাই মাক-দেউতাক ঢুকুৱাৰ পাছত সেইখন ঘৰৰ পৰিয়াল হিচাপে তাইৰ একমাত্ৰ ভায়েকটো গুৱাহাটীত নিগাজীকৈ থাকি যোৱাৰ পাছত তালৈ যোৱাটো প্ৰয়োজন বোধ কৰা নাছিল। কিন্তু নিজৰ ওপজা গাঁওখনৰ প্ৰতি মোহ এটা থকাৰ বাবেই তাই খুৱাকৰ ঘৰলৈ আহিছিল।

অহাৰ আগতে তাই যি ৰঙীন কল্পনা কৰি আহিছিল সেই কল্পনাৰ বিপৰীত ধৰ্মী ৰূপ দেখি তাই নিজকেই বিশ্বাস কৰিবলৈ টান পাইছিল। তাই ভাবিছিল সকলোৱে আয়ে দেহী মাতেৰে তাইৰ অন্তৰখন ওপচাই পেলাব। কিন্তু ক'তা আজি তাই কি দেখিলে? খুৰাক হতঁৰ ঘৰখনৰ আগৰ সেই পৰিবেশ নাই। ঘৰখনৰ লাং লাং ঠাং ঠাং অৱস্থা। খেতি বাতি নাই। খাবলৈ নাপাই ল'ৰা ছোৱালী মখাৰ বুকুৰ হাড় চাল ওলাইছে। তাই গম পালে খেতিৰ মাটি প্ৰায়খিনি বন্ধকত সোমাল। যি কেইডৰা আছে খৰাং বতৰৰ বাবে আৰু হালৰ হালোৱা গৰু নোহোৱাৰ বাবে একো নাপালে।

গাঁওখনৰ সকলোবোৰৰ অৱস্থাই তেনেকুৱা। মনিমালাই জানে আগতে সিহঁতে ভাতে ভড়ালে খাইছিল। কোনো অভাৱ নাছিল। গাঁৱৰ প্ৰতিঘৰ মানুহৰে খাবলৈ আছিল। নোহোৱা ঘৰে থকা ঘৰৰ বস্তুৰে চলিব পাৰিছিল। বিলৰ মাছ, বাৰীৰ শাক-পাঁচলি খাইছিল। মৰম চেনেহ আছিল। মানুহবোৰ মৰমীয়াল, সৰল আৰু ধাৰ্মিক আছিল।

আজি তাৰ বিপৰীত ৰূপ দেখি মনিমালাৰ অন্তৰখন কান্দি উঠিছিল। মনিমালাই আজি দেখিলে মানুহ বোৰে শঙ্কাত দিন কটাইছে। এটা ভয়ে মানুহ বোৰক বোবা কৰি ৰাখিছিল। ইজনে সিজনক সন্দেহ কৰে।

গাঁও খনৰ মাজে মাজে ধুনীয়া ধুনীয়া ঘৰ বোৰ তৈয়াৰ হৈ উঠা দেখিছিল। যি বোৰ ধনী মানুহ সেই বোৰ অতি ধনী আৰু যি বোৰ দুখীয়া সেই সকলৰ অৱস্থা পানীত হাঁহ নচৰা।

গাঁওৰ মানুহ বোৰ চহৰ মুখী হৈছে। দুখীয়া শ্ৰেণীটো খাদ্যৰ অন্বেষনত চহৰলৈ ঢাপলি মেলিছে। গাঁৱত কাম কৰা মানুহ আজি পাবলৈ নাই। ধনী সকলে দুখীয়াৰ তেজ বোৰ শুহি শুহি খাইছে।

মনিমালা ৰাষ্ট্ৰীয় পথেৰে আজি গুৱাহাটীলৈ ঘূৰি আহিছে। শৰাইঘাট দলং পোৱাৰ আগতে তাই চিলা

মাহেমাইটী গাঁও খনৰ মাজেৰে আহিব লাগে। এদিন দেউতাকৰ লগতে আহোতে দেউতাকে সেই গাঁওখনৰ কথা তাইক কোৱা মনত পৰে। এইখন গাঁও ৰাষ্ট্ৰীয় পথটো যোৱাৰ আগতে বিশঘৰ মান কছাৰী জনজাতিৰ মানুহৰ বসতিৰ গাওঁ আছিল। উদ্যোগপতি সকলে উদ্যোগ স্থাপন কৰাৰ কাৰণে ৰাষ্ট্ৰীয় পথৰ দুয়ো কাষৰ মাটিবোৰ কম টকাতে কিনি লয়। ফলত উদ্যোগ বোৰ গঢ়ি উঠে। এতিয়া সেই গাঁৱৰ চিন চাব নাই। মানুহখিনি অ'ত ত'ত ভাগি যায়। যি কেইঘৰ মানুহ আছে সেই কেইঘৰে সেই উদ্যোগপতি সকলৰ ঘৰত হাজিৰা কাম কৰি চলিছে।

মাটি বিক্ৰী কৰি পোৱা ধনবোৰ চলাব নাজানি খাই উৰুৱালে। সিহঁতৰ মাটিত আট্টালিকা উঠিছে। সিহঁতে অট্টালিকাৰ ওপৰলৈ মূৰ দাঙি চাইছে। চাওঁতে সিহঁতৰ ডিঙি বিষাইছে। চহৰত ইমান মানুহ!

মনিমালাই মানুহৰ জীৱনটোৰ কথা ভাবি ভাবি ভাবিব নোৱাৰা হৈছে।

ভাবি ভাবি মনিমালা চিলমিলকৈ টোপনি গ'ল। টোপনিতো তাই দেখিলে গাঁৱৰ ছবিবোৰ, চহৰৰ ছবিবোৰ। চহৰত ইমান মানুহ!

# প্ৰতিশ্ৰুতি

শ্ৰী জিন্তী বৰুৱা
স্নাতক ২য় বৰ্ষ (কলা)

সন্ধিয়া নামো নামো। অস্তাচলত অৱনমিত সূৰুযৰ হেঙুলী কিৰণে পশ্চিমাকাশত উদ্ভাসিত কৰি তুলিছে। গছপাত বোৰে সাৱটি ধৰিছে সূৰুযৰ কোমল বিদায়ী বৰণ। দিনটোৰ সকলো ক্লান্তিৰ অন্তত এক স্বস্তিৰ নিশ্বাস এৰি পশু-পক্ষী সকলোটি ঘৰমুৱা হৈছে। লাহে লাহে জোনবাই-তৰাই আকাশৰ বুকুলৈ নীল আকাশে পৰ্বতৰ শিখৰলৈ নামি আহিছে। এচাটি মিঠা মলয়াই সকলোকে এই নিৰিবিলি পৰত সকলোৰে হৃদয়ত বিলাই ফুৰিছে যেন এক প্ৰেমাসক্ত তৃষ্ণা। নিজৰ মনে বিচৰাজনক কাষতলৈ সকলো ব্যস্ত মধুৰ আলাপত।

নিশা আজি অকলশৰীয়া। তাইৰ ওচৰত বহি সুখ দুখৰ কথা পাতিবলৈও তাইৰ চাৰিবছৰীয়া ছোৱালী জনীৰ বাহিৰে কোনো নাই। একমাত্ৰ সংগী ছোৱালীজনীৰ বাহিৰেও তাইৰ আৰু এটা সংগী আছে। সেয়াই হ'ল তাইৰ লিখনি প্ৰকাশ পোৱা তাইৰ আলোচনীখনি।

কলেজত পঢ়াৰ পৰাই নিশাই নিজৰ কবিতা, গল্পবোৰ বিভিন্ন আলোচনী, কাকত আদিত প্ৰকাশ কৰিছিল। তাই এই ক্ষেত্ৰত বিশেষ সুনাম লভিছিল। শিৱসাগৰৰ পৰা প্ৰকাশিত সেইসময়ত বিশেষ নাম কৰা "পুৱা" নামৰ আলোচনীৰ জৰিয়তে। এইখন আলোচনীতেই প্ৰথম প্ৰকাশ পাইছিল তাই তাইৰ বিৰহৰ বেদনাত লিখা প্ৰথম কবিতা "নিস্তব্ধতা"। তেতিয়াৰ পৰাই এই আলোচনীৰ লগত তাইৰ গভীৰ সম্পৰ্ক। কেতিয়াবা তাই লিখা প্ৰেৰণ নকৰিলে তাইলৈ এটি চিঠি আহে সম্পাদকৰ পৰা, আৰু অতি শীঘ্ৰেই এটি লিখা বিচাৰে। সেই সময়ত "পুৱা"ৰ সম্পাদক আছিল নিবেন বৰুৱা। চলি থাকিল দুয়োৰে চিঠি আৰু লিখনিৰ আদান প্ৰদান। এনেদৰে কেইবা বছৰো চলিল "পুৱা"। তাৰ মাজেৰেই দুয়োৰে মাজত গঢ় ললে এক মধুৰ সম্পৰ্ক। যাৰ কোনো নাম নাই। নেদেখাকৈ গাঢ় হৈ পৰিল নিশা আৰু নিবেনৰ প্ৰেম।

গুৱাহাটীত কোনোবা এজন কলেজীয়া বন্ধুৰ বিবাহৰ নিমন্ত্ৰণ পাই নিশাই নিজৰ একমাত্ৰ ছোৱালীজনীক লৈ বিয়ালৈ গৈছিল। সেই বিয়াতে তাই লগ পালে তাইৰ ঋষভক। ঋষভৰ বাবেই আজি অবিবাহিত হোৱা স্বত্বেও তাই বিধবাৰ সাজ পৰিধান কৰি আছে। এটি অবৈধ শিশুৰ মাতৃ হৈ দিন কটাইছে। এই ঋষভেই এদিন প্ৰেমৰ পূজাৰী হৈ আহিছিল তাইৰ জীৱনলৈ। তাইৰ সৰ্বস্ব যৌৱনৰ ৰস কাঢ়ি নিছিল ফুলপাহিৰ ৰস শুহি লোৱা মৌপিয়াৰ দৰে। এৰি গৈছিল মাথো এটা নিঠৰুৱা দেহা। নানা চিন্তাই তাইক আৱৰিব ধৰিছে। তেনেতে তাইক নিমন্ত্ৰন জনোৱা নিৰোদে দৰাৰ সাজেৰে তাইৰ ওচৰলৈ আহি ঋষভক মাতি তাইৰ সতে পৰিচয় কৰাই দিলে। এইয়া নিবেন বৰুৱা।

ঋষভৰ হাতত তাইৰ প্ৰিয় আলোচনী "পুৱা"। তেনেহ'লে কি ঋষভেই.........? তাই আৰু ভাবিব নোৱাৰিলে। ক্ষন্তেকতে যেন সকলো ওলট পালট হৈ গ'ল। এসময়ৰ যিজন ঋষভে দিয়া বেদনাৰে তাই কবিতা ৰচিছিল, সেই ঋষভেই ইমানদিনে তাইৰ কবিতা চপাই আহিছে। জীৱনৰ কোনো এটা ক্ষণত এৰি অহা আপোনজনেই আকৌ এবাৰ নতুন নামেৰে তাইৰ সন্মুখত থিয় দিছেহি যাৰ লগত চিনাকি মাথো কলম আৰু কাগজেৰে। এফালে যিজন ঋষভে নিশাৰ প্ৰতিটো নিশাকেই অমাৱশ্যাত পৰিণত কৰিছিল আজি আনফালে তেৱেঁই এটা নতুন নাম লৈ নিশাৰ প্ৰতিভাক উজ্বলাই তাইৰ নিশা পোহৰাইছিলেহি। তাইলৈ পুনৰ এবাৰ হাত আগুৱাই তাইক আপোন কৰিব বিচাৰিছে। এইয়া যেন তাইৰ কল্পনাৰো অতীত। কিন্তু ইমান দিনৰ আশা তাইৰ ক্ষন্তেকতে শেষ হ'ব নে? বহুত ভাবি চিন্তি তাই বিবাহস্থলীৰ পৰা অতি শীঘ্ৰেই বিদায় ল'লে।

তাই পলাই আহিব বিচাৰিছিল ঋষভৰ পৰা। তাই পলাই আহিব বিচাৰিছিল নিবেনৰ পৰা। তাই যে অসমৰ্থ। তাইৰ চিন্তাই তাইক দুয়োৰে পৰাই আঁতৰাব নোৱাৰিলে। নাই তাই আকৌ এবাৰ অতীতলৈ ঘূৰি যাব নোৱাৰে। কিন্তু তাইৰ সেই কণমানি ছোৱালীজনী? তাইকতো সমাজে স্বীকাৰ নকৰিব! কিন্তু ঋষভে জানো তাইৰ ছোৱালীক সাৱটি ল'ব? সি জানো বিশ্বাস কৰিব এইয়া যে তাৰেই তেজ। নিশ্চয় কৰিব। তাই লগ ধৰিব নিবেনক। সকলো কথা খুলি ক'ব তাই। বিচাৰি চাব নিবেনৰ মাজত তাইৰ ঋষভক।

গোটেই নিশাটো কেনেকৈ পাৰ হ'ল তাই গমেই নাপালে। পুৱতি নিশা কুকুৰাৰ ডাক শুনিহে যেন তাই সম্বিত ঘূৰাই পালে। বুকুত জোৰেৰে সাৱটি ধৰিলে তাইৰ "পুৱা" আলোচনীখন।

জোৰেৰে কলিং বেলটো বাজি উঠিল। তাই উচপ খাই উঠিল; কোন হ'ব পাৰে ইমান পুৱাতে। দুচকুত অলপ পানী মাৰি তাই দুৱাৰখন খুলিলে। আচৰিত, এইয়া সপোন নে দিঠক! সন্মুখত তাইৰ অতীত আৰু বৰ্তমানৰ প্ৰেমিকজন। অজানিতে মুখৰ পৰা ওলাই গ'ল-

"আহা ঋষভ, মই তোমাৰ ওচৰলৈ যাম বুলি ভাবিছিলো।" তাই আৰু একো ক'বই নাপালে। ঋষভে মাত দিলে-"মই তোমাক বুজাত পলম কৰিছিলো নিশা। মোক ক্ষমা কৰা। ক'ত মোৰ ছোৱালী। এবাৰ তাইক আকোৱালি ল'ব দিয়া। মই তোমাক হাত যোৰ কৰিছো। উভতি আহা মোৰ কাষলৈ। নিৰোদে মোক সকলোবোৰ বিতং ভাৱে কৈছে।"

নিশাই উচুপিবলৈ ধৰিলে। ঋষভেও। বহুসময় উচুপনিৰ পিছত গোটেই ৰুমটোত এটা বিৰাট নিস্তব্ধতা। নিৰ্বাক দৃষ্টিৰে দুয়ো দুয়োৰে চকুলৈ চাই থাকিল। সাউৎকৰে বিচনাৰ পৰা "মামা" বুলি নামি আহিল ছোৱালিজনী। ঋষভে হুক হুকাই কান্দি তাইক বুকুৰ মাজত জোৰকৈ সাৱটি ধৰি কৈ উঠিল-"মাজনী তুমি ইমান দিনে ব্যাকুল হৈ বিচাৰি ফুৰা তোমাৰ দুৰ্ভগীয়া দেউতা মই। তুমি আৰু মাক দেউতাৰ কথা সুধি আজিৰ পৰা মনত দুখ দিব নালাগে"।

আকৌ সেই নিস্তব্ধতা। আছে কেৱল দুজন প্ৰেয়সীৰ প্ৰেমৰ আকুলতা। য'ত দুখনি হিয়াই কথা পাতিছে। সঁচাইতো, সঁচা মৰম হেনো কেৱল এজনকহে দিব পাৰি। হৃদয়েহে হেনো হৃদয় দেখে। দুয়ো আৰু আঁতৰি থাকিব নোৱাৰিলে। দুয়োৱে উষ্ণ দুহাত আগবঢ়াই দিলে। এক নতুন প্ৰতিশ্ৰুতিৰে। আকৌ এবাৰ সেই অতীত প্ৰেমৰ প্ৰতিশ্ৰুতিৰে।

# অসীমৰ সীমা বিচাৰি (গল্প)

শ্ৰী বিৰাজ কুমাৰ বৰা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

সৰু চহৰখনৰ এটা মূৰত প্ৰতাপ ভূঞাঁৰ ঘৰ। প্ৰতাপ ভূঞা এজন অৱসৰ প্ৰাপ্ত শিক্ষক। পৰিয়ালটি সৰু। প্ৰতাপ ভূঞাঁৰ পৰিয়ালত ঘৈনীয়েক, ডাঙৰ ল'ৰা অনুপ আৰু অনুপৰ ভাই চিত্ৰৰঞ্জন। অনুপে বিয়া কৰোৱা দুবছৰ হৈছে। ঘৈনীয়েক বৰ্ণালী আৰু তাইৰ একমাত্ৰ কনমাণি পুত্ৰ কিশোৰ। অনুপৰ একমাত্ৰ ভনী ৰূপশিখা কলেজত পঢ়ে। দ্বাদশ শ্ৰেণীৰ ছাত্ৰী।

অনুপ বি.এ. পাছ কৰাৰ পাছত বাপেকে অৱসৰ পালে। ঘৰখনক সকাহ দিবৰ বাবে কৰ্মসংস্থানৰ সন্ধানত অনুপে নানা চেষ্টা কৰিলে। বহুতো সাক্ষাতকাৰ দিলে। চাকৰীৰ বাবে শকত পৰিমানৰ উৎকোচ লাগে। সি বিফল মনোৰথ হ'ল। অৱশেষত চৰকাৰৰ পৰা ঋণ এটা লৈ এখন গেলা মালৰ দোকান দিলে। প্ৰথম অৱস্থাত ভালেই চলিছিল। পিচলৈ গ্ৰাহকে বাকীত মাল খোৱাত নতুনকৈ টকা খটুৱাব নোৱাৰাত আনহাতে দোকানৰ ষ্টক কমি যোৱাত গ্ৰাহকো কমি যাবলৈ ধৰিলে। ইফালে দোকানৰ মূলধনেৰে ঘৰখন চলাওতে ক্ৰমান্বয়ে খৰচ হোৱাত আৰু বেঙ্কৰ ঋণ সুত সহ পৰিশোধ কৰিব লগাহোৱাত লাহে লাহে দোকানৰ অৱস্থা বেয়া হৈ আহিল। ইয়াৰ মাজতে সি বিয়াও কৰালে। কিছুদিনৰ পাছত এটি ল'ৰা অৰ্থাৎ কিশোৰৰ জন্ম হ'ল। সংসাৰত আৰু এটা বোজা বাঢ়িল। এদিন দোকানত চিৰদিনৰ বাবে তলা লগাবলৈ বাধ্য হ'ল।

প্ৰতাপ ভূঞাঁৰ ২য় পুত্ৰ চিত্তৰঞ্জন। বি.এ. পাছ কৰাৰ পাছত কৰ্মসংস্থানৰ বাবে সিও বহুত ইণ্টাৰভিউ দিলে। তাৰ জীৱনৰ সংস্থাপন নহ'ল। অনুপৰ দৰে একেই দশা তাৰ ক্ষেত্ৰতো। পঢ়াশুনাত সি ভালেই আছিল। বি.এ. টো পাছ কৰাৰ পাছত অৰ্থৰ অভাৱত ওপৰ মহলাত ভৰ্তি হ'ব নোৱাৰিলে। বহুচেষ্টা কৰিও চাকৰি এটা সংগ্ৰহ কৰিব নোৱাৰি সি হতাশগ্ৰস্থ হৈ পৰিল। তাৰ মনত এটা কথাই ঠাই ললে যে সি যেন সিহঁতৰ ঘৰখনৰ এটা বোজাহে মাত্ৰ। গোটেই দিনটো টলৌ টলৌ কৰি ঘূৰি আহি যেতিয়া গধুলী ঘৰ সোমায় সি ক্লান্ত হৈ পৰে। তাৰ যেন ভাৱ হয় সি অপদাৰ্থ, নিষ্কৰ্মা। ঘৰখনত সোমোৱাৰ লগে লগে একুৰা জুয়ে যেন তাক গ্ৰাস কৰিব ওলাইছে। তাৰ ভোক পিয়াহ নাইকীয়াহৈ যায়। মাক দেউতাক, ভনীয়েক হতঁৰ মুখলৈ যেন চাব নোৱাৰে। লাহে লাহে তাৰ মনত বিদ্ৰোহে বাহ ললে। হয়তো সিহঁতৰ ঘৰখনত দুটাকৈ কৰ্মক্ষম গজ-গজীয়া ডেকা ল'ৰা থাকোতে ঘৰখনৰ এনেকুৱা অৱস্থা এটা হলে তাতকৈ দুখৰ কথা কি আছে বাৰু ?

দিনক দিনে চিত্তৰঞ্জনৰ মনৰ অৱস্থা বেয়াহৈ আহিল। মনটো কিবা এক গধূৰ ভাৱৰ ভাবাক্ৰান্ত হৈ পৰিল তাৰ মনে ভাৱসাম্য ৰক্ষা কৰিব নোৱাৰি বিদ্ৰোহী হৈ পৰিল। ঘৰখনৰ আটায়ে তাৰ আচৰণ বোৰ লক্ষ্য কৰিলে যদিও নানা বুজনি দিও শান্ত কৰিব নোৱাৰিলে। মাক-দেউতাকক অগোচৰে সি মাজে মাজে কলৈ যায় কি কৰে একো ধৰিব নোৱাৰা হ'ল। কেতিয়াবা ৰাতি দুভাগ হোৱাত ঘৰ সোমাইহি। কেইদিনমান হয়তো একেলেঠেৰিয়ে ঘৰলৈ একেবাৰে নাহে। মাকে ৰাতি দুপৰলৈ ভাত সজাই ৰাখি থাকি শেষত বিচনাত শুই পৰে।

হঠাৎ এদিন চিত্তৰঞ্জন যি ঘৰৰ পৰা ওলাই গ'ল তাৰ পাছত আৰু কোনো খা-খবৰ নাই। মাত্ৰ বিচনাৰ কাষত চিঠি এখন পেলাই থৈ গ'ল। 'দেউতা মই আহিলো। মোৰ বাবে কোনো চিন্তা নকৰিব। মই এটা উগ্ৰপন্থী সংগঠনত যোগ দিছো। ভৱিষ্যতৰ কথা নাজানোঁ। ভগৱানে জীয়াই ৰাখিলে সময়ত দেখা কৰিম। মোক এই সিদ্ধান্তৰ বাবে ক্ষমা কৰিব। মাক সেৱা জনাব। পুনৰ শ্ৰদ্ধাৰে 'চিত্ত'।

সেইদিনা প্ৰতাপ ভূঞাঁৰ ঘৰখন নিজম পৰি আছিল। কোনেও এটোপা পানীকে মুখত দিব পৰা নাছিল।

চিত্তৰঞ্জন ঘৰৰ পৰা ওলাই যোৱা কেইবা বছৰো হ'ল। ইয়াৰ মাজতে ঘৰখনলৈ বহুতো ধুমুহা আহিল। মাজে সময়ে আৰক্ষী, অৰ্দ্ধ সামৰিক বাহিনী, নাইবা সামৰিক বাহিনীৰ লোক আহি ঘৰখনক অতিশৰ্য্য চলায়। ঘৰখনৰ ওপৰত অত্যাতাৰ, উৎপীড়ন আদি অনেক চলি গ'ল। লাগে মাত্ৰ প্ৰতাপ ভূঞাঁৰ সৰু পুত্ৰ চিত্তৰঞ্জনৰ শুংসুত্ৰ।

এদিন ৰাতি কোনোবাই ডাঙৰ লৰা অনুপক মাক-দেউতাকৰ সন্মুখৰ পৰাই অপহৰণ কৰি লৈ গ'ল। ঘৰখনে কাকো বাধা দিব নোৱাৰিলে। মৰণাস্ত্ৰৰে ভীতি বিহ্বল কৰি চোৰচোৰাই এখন মাৰুতি ভানত উঠাই লৈ গ'ল। ঘৰখনৰ আটায়ে হিয়াঢাকুৰি কান্দিলে। ঘৰৰ পৰা কিছুদূৰত তাক নৃশংগ ভাবে হত্যাকৰি হাবিয়নী দৰাত তাৰ ৰক্তাক্ত ক্ষত বিক্ষত মৃতদেহটো পেলাই থৈ গ'ল। গুপ্ত ঘাটক আজিও ধৰা নপৰিল।

অনুপ নিৰপৰাধী, নিৰ্দোষি, ৰাজনীতি বা অন্য কোনো সমাজনীতিৰ বা কোনো অপকৰ্মৰ লগতে জড়িত নহয়। সুদৰ্শন চেহেৰাৰ, অমায়িক ব্যৱহাৰৰ আৰু সকলোৰে লগত ভদ্ৰোচিত ব্যৱহাৰে প্ৰত্যেককেই মুহিত কৰিছিল। তাৰ এই নৃশংশ হত্যাকাণ্ডই ঘৰখনৰ লগতে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলালে। ঘৰখন আৰু ওচৰ চুবুৰীয়া শোকত ম্ৰিয়মান হ'ল।

ঘৰখনৰ নানা দুৰ্য্যোগ, ঘাট-প্ৰতিঘাট, নানা দুঃচিন্তা আৰু আৰ্থিক অনাটন আদিয়ে জুৰুলা কৰিলে। প্ৰতাপ ভূঞাঁৰ শৰীৰ এনে বোৰ দুঃ চিন্তাত পৰি আহিল। অৱসৰৰ টকা কেইটাৰে চলিব নোৱাৰা অৱস্থা এটাত উপনীত হ'ল। ভূতৰ ওপৰত দানহ পৰাৰ দৰে প্ৰতাপ ভূঞাঁৰ শৰীৰত এক অচীন ৰোগে বাহ ললে। স্থানীয় কেইবাজনো চিকিৎসকক দেখুৱাই চিকিৎসা কৰাটো ভাল নাপালে। ডাক্তৰৰ পৰামৰ্শমতে উন্নত চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈ যাবলৈ ওলাল।

সেই সময়তে চিকিৎসাৰ বাবে আৱশ্যকীয় ধনৰো যোগাৰ হ'ল। পেঞ্চনৰ চল্লিশ হাজাৰ টকা ইতিমধ্যে প্ৰতাপ ভূঞাঁৰ হস্তগত হৈছিল। সেইখিনিকে সৰোগত কৰি ভাটিমুৱা ৰেলগাড়ীত যোৱাৰ বাবে যো-যা কৰিলে। ৰেল গাড়ীৰ আগতীয়া টিকট আদিও কৰা হ'ল।

যথা সময়ত তেওঁলোকৰ পৰিয়ালৰ আটাই কেইজনে গাড়ীত নিজৰ আসন গ্ৰহন কৰিলে। নতুন নতুন ঠাই চোৱাৰ হেপাহ, অসমৰ বাহিৰৰ জগত খন চোৱা হেপাহ আৰু মনৰ কল্পনাবোৰ মনৰ ভিতৰতে ই সজীৱ হৈ উঠিল। প্ৰতাপ ভূঞাঁৰো বেমাৰৰ যাতনা যেন বহুখিনি উপশম হ'ল এনে লাগিল। মনৰ আনন্দত তেওঁলোক অগুৱাই গ'ল। সহযাত্ৰী কিছুসংখ্যকৰ লগত চা-চিনাকীও হ'ল। ইয়াৰ পিছত ৰাতিৰ আহাৰ পৰিয়ালটোৱে গ্ৰহণ কৰিলে। আৰু নিজ নিজ আসনত শুই পৰিল। প্ৰতাপ ভূঞা অসুস্থ কাৰণে ওপৰৰ বাঙ্কাৰতেই ঠাই ললে।

তেতিয়া মাজ নিশা এৰিছে বোধ হয়। হঠাৎ এটা কান তাল মৰা প্ৰদণ্ড শব্দ শুনা গ'ল। লগে লগে যাত্ৰীৰ মাজত হুৱাদুৱা লাগিল। কেইবাটাও দবাৰ ভিতৰত যকা কোনো এজনেই বাচিব নোৱাৰিলে। কিমান যাত্ৰীৰ মৃত্যু হ'ল কোনেও সঠিক হিচাব উলিয়াব নোৱাৰিলে।

দূৰদৰ্শন আৰু বাতৰিকাকতৰ ট্ৰেইন দূৰ্ঘটনাৰ এই শোকাবহ বাতৰিটোৱে গোটেই বিশ্বতে খলক লগাই দিলে। বিশ্বৰ এটা শোকাবহ দূৰ্ঘটনা বুলি চিহ্নিত হ'ল। প্ৰতাপ ভূঞা থকা সৰু চহৰখনত হুলস্থূল লাগিল। বিশেষকৈ প্ৰতাপ ভূঞাঁৰ ঘৰখনলৈ মানুহৰ সোত বৈছে। ঘৰখন খালী আটাইকেইজনেই এই

দূৰ্দশাগ্ৰস্থ ট্ৰেইনখনৰ যাত্ৰী। সকলোৱেই নিশ্চিত যে তেওঁলোক কোনোজনেই বাচি থকা নাই।

মৃতদেহ চিনাক্ত কৰিবলৈ কোন যাব তাত গোট খোৱা মানুহবোৰৰ মাজত আলোচনা চলিল। চিত্তৰঞ্জনৰ আৰু অনুপৰ কথা মনলৈ আহিল। সিহঁত দুয়ো যদি আজি থাকিলে হেতেঁন। যিয়েই নহওক স্থানীয় ক্লাব এটাৰ সদস্য কেইজনমান ঘটনাস্থলীলৈ যাবলৈ ওলাল। তেওঁলোকে মৃতদেহ বোৰ তন্নতন্নকৈ পৰীক্ষা কৰিলে। যদিও জুয়ে এনেভাবে বিকৃত কৰিছিল যে সেই মৃতদেহবোৰ চিনাক্ত কৰাত সফল নহ'ল। মৃতদেহৰ অঙ্গ প্ৰত্যঙ্গ বোৰ মাংসৰ টুকুৰাবোৰ অ'ত- ত'ত সিচৰিত হৈ পৰি আছে। ক্লাবৰ সদস্য সকল বিফল হৈ উলটি আহিল।

এই দূৰ্ঘটনাটো হৈ যোৱা দুদিনৰ পিচত চিত্তৰঞ্জন কিয় জানো মাজনিশা সন্তৰ্পণে ঘৰখনলৈ আহিল। সংগঠনত যোগ দিয়া দিনৰে পৰা এসাজ শান্তিৰে খাবলৈ বা এটা নিশা শান্তিৰে শুবলৈ সি পোৱা নাই।আজি কিয় জানো তাক কিহৰ আৰ্কষণে টানি আনিলে কব নোৱাৰো।

সি সচকিত অৱস্থাৰে ইফালে সিফালে চাই চোতালৰ পিনে আগবাঢ়িল। সন্মুখৰ বাৰান্দাত ঠিয় হৈ দেখিলে সিহঁতৰ ঘৰৰ দুৱাৰত তলা লগোৱা আছে। ভিতৰত কোনো সাবসুৰ নাই। কি কৰিব এতিয়া? মা-দেউতা, বৌ-কিশোৰ, ভন্টিহঁত ক'ত গ'ল বাৰু? নে মিলিটেৰীৰ জোৰ জুলুম সহ্য কৰিব নোৱাৰি কোনো নিৰাপদ ঠাইলৈ গুচি গৈছে? নানা চিন্তাই তাৰ মনত খেলি মেলি লগালে। সি ভাবিলে হয়তো তাৰ বাবেই আজি ঘৰখনৰ এনে অৱস্থা হ'ল। ইতিমধ্যে সি অনুপৰ মৃত্যুৰ খবৰটো বাতৰি কাকতৰ জৰিয়তে জানিবলৈ পাইছিল।

তৎক্ষণাত তাৰ সম্বিত ঘূৰি আহিল। সি বেচিসময় তাত থকাটো উচিত বুলি বিবেচনা নকৰিলে। সি তৎক্ষণাত ঘৰৰ পিচফালেদি সন্তৰ্পণে ওলাই গ'ল। মূহুৰ্ত্ততে সি কিবা এটা চিন্তা কৰি আগুৱাই গ'ল। হঠাৎ তাৰ মনত পৰিল পল্লৱলৈ। সি তাৰ বাল্যবন্ধু। একেলগে সকৰে পৰা খেলা-ধূলা কৰি ডাঙৰ হৈছে। সৰুৰে পৰা একেবোৰ শ্ৰেণীতে পঢ়ি আহিছে। সিহঁতৰ ঘৰৰ ওচৰৰ প্ৰতিবেশী বুলি কলেও ভুল কোৱা নহয়। তাৰ পৰাই সকলো সন্দেহ নৰ পাৰিব বুলি তাৰ বিশ্বাস আছে। সি পল্লৱৰ ঘৰলৈ আন্ধাৰৰ আঁৰে আঁৰে আগুৱাই গ'ল। পল্লৱ থকা কোঠাটোৰ দুৱাৰৰ কাষত থিয় হৈ সৰু সৰু কৈ দুৱাৰত টুকুৰিয়াই পল্লৱক মাতিলে। বহুত বাৰ মতাৰ পাছত পল্লৱ সাৰ পাই উঠিল যদিও কোনে তাক মাতিছে ধৰিব নোৱাৰিলে। এনেকৈয়ে অনুপক অপহৰণ কৰি নি হত্যা কৰা কথাটো মনত পৰি তাৰ গাটো সিয়ঁৰি উঠিল । সি কোনো সহাঁৰিও নিদিলে। আৰু দুৱাবো খুলি নিদিলে।

কিছুসময় চিত্তৰঞ্জনে এনেয়ে ইফাল সিফাল কৰি থাকি কোঠাটোৰ চুক এটাত কুচি-মুচি বহি থাকিল। ক্লান্ত দেহাটোত হেচি ধৰা টোপনিক জোৰ কৰি আতৰাবলৈ চেষ্টা কৰিলে।

গোটেই ৰাতিটো পল্লৱে ভীত-বিহ্বল হৈ সচকিত অৱস্থাত কটাই দিলে। ৰাতিপুৱাৰ সময়ত পল্লৱ বিচনাৰ পৰা উঠিল। খিৰিকীৰ পৰ্দাখন আতঁৰাই খিৰিকীৰ আইনা খনেৰে বাহিৰলৈ চাই পঠিয়ালে। বাহিৰত অলপ অলপ পোহৰ পৰিছে। ৰাৰান্দাৰ চুকত কিবা এটা কোচ-মোচ খাই বহি থকা যেন দেখি তাৰ বুকুখন কঁপি উঠিল । ভয়ে ভয়ে কোন কোন বুলি অস্পষ্ট মাতেৰে সুধিলে। বাহিৰত কোন সেয়া? চক-মক কৈ উঠি চিত্তৰঞ্জন লাহে লাহে খিৰিকীৰ সন্মুখলৈ আহিল। 'মই-মই চিত্তৰঞ্জন'। পল্লৱে চিত্তৰঞ্জনৰ মাতটো বুজি পাই খিৰিকীখন খুলি দি চিত্তৰঞ্জন তহঁ। চেপা মাতেৰে সুধিলে। অ মই মৰেই চিত্তৰঞ্জন। তোৰ ওচৰলৈ আহিছিলো। বহুসময় হ'ল এতিয়া মোৰ যাবৰেই হ'ল। অলপ আন্ধাৰৰ আৱৰলৈয়েই আত্মগোপন কৰি ইয়াৰ পৰা যাব লাগিব। তোক মাত্ৰ এটা কথাই সুধিবলৈ আহিছো।

দুৱাৰখন সন্তৰ্পণে খুলি দি পল্লৱে তাক





ভিতৰলৈ মাতিলে। লৰা লৰি কৰি ভিতৰ সোমায়েই দুৱাৰখন বন্ধ কৰি দিলে। পল্লৱে কুচফুচাই শুধিলে তই কেনেকৈ খবৰ পালি চিত্ত? তহঁতৰ পৰিয়ালটো-----
--বাকীখিনি কথা পল্লৱৰ মুখৰ পৰা ওলাবই নাপালে। কি পৰিয়ালৰ কথা কৈছ পল্লৱ। আমাৰ পৰিয়ালটো কি হ'ল? কলৈ গ'ল? মিলিটেৰীয়ে কিবা অত্যাচাৰ কৰি---------।

নহয়। তই বোধ হয় শুনা নাই। বৰ মৰ্মান্তিক বেদনাৰ কথা প্ৰকাশ কৰা অতি টান। কি কম। চিত্তৰঞ্জনৰ মুখৰ ৰং মূহুৰ্ত্তে মূহুৰ্ত্তে বদলি যাব ধৰিলে সি মানিবৰ বাবে উদ্বিগ্ন হৈ পৰিল। ' শুন চিত্ত অলপ ধৈৰ্য্য ধৰ। অলপ ধৈৰ্য্য ধৰ। যি হ'লটো হলেই তাক আৰু ঘূৰাই আনিবলৈ উপাই নাই। সিদিনাৰ দুৰ্ঘটনাটোত, যিটো ৰেল দুৰ্ঘটনাত শ শ মানুহ মৃত্যুৰ মুখত পৰিছিল দিল্লী অভিমুখী অভিশপ্ত বেলখনত তহঁতৰ পৰিয়ালটো আছিল। দেউতাৰক চিকিৎসাৰ বাবে দিল্লীলৈ লৈ যোৱা হৈছিল। চিত্তৰঞ্জনৰ আৰু শুনিবলৈ ধৈৰ্য নাথাকিল। তাৰ হুৰাও বাৰে কান্দি দিবলৈ মন গ'ল। কিন্তু সি চিঞঁৰি কান্দিবও নোৱাৰে। গোটেই ৰাতি সি উজাগৰে আৰু লঘোনে থাকি সি অৱস হৈ পৰিছিল। সি কি কৰিব এতিয়া? তাৰ পৰিয়ালটিৰ প্ৰতিজনৰ মুখৰ ছবিবোৰ তাৰ মানস পটত ভাহি উঠিল।

কেইমুহূৰ্ত্তমান স্থিৰ হৈ থাকি হঠাৎ কৈ উঠিল মোৰ আৰু কোনো ভয় নাই পল্লৱ। মই আৰু পুলিচৰ পৰা আতৰি নুফুৰো। মোৰ সকলো কল্পনা, সকলো প্ৰেৰণা, সকলো আশা শেষ হৈ গৈছে। মই আজি কালৈকো ভয় নকৰো। জীৱনটোৰ প্ৰতি মোৰ আৰু অকনো মমতা নাই। মই মহাপাপী। যিটো পথ মই বাচি লৈছিলো সেই পথ কাইটীয়া, সেই পথ ভুল পথ। আনৰ প্ৰৰোচনাত ভোল গৈ এই পথ মই শুদ্ধ বুলি ভাবিছিলো। আমাৰ অধিকাৰ নাৰ্য্য অধিব বুলি সাব্যস্ত কৰিবলৈ। কিন্তু যি ভাবিছিলো সেইটো ভুল। মোৰ এই পাপৰ প্ৰায়শ্চিত্ত কেতিয়াও নহব। জনমে জনমে পাপৰ এই পঙ্কিলতাত বুৰ গৈ থাকিলেও কোনো জীৱনতেই মই মুক্তি নাপাম।

'মোক এগিলাচ পানী দেচোন পল্লৱ'। টেবুলত ৰাখিথোৱা পানীৰ বটলটো তাৰ পিনে আগবঢ়াই দিলে। গোটেই বটল পানী ঢোক ঢোককৈ খাই শেষ কৰি অলপ শান্ত হ'ল। পুনৰ চিত্তৰঞ্জনে কবলৈ আৰম্ভ কৰিলে। শুন পল্লৱ যিটো ট্ৰেইন দূৰ্ঘটনা ঘটি গ'ল, যিটো কুটাঘাট কাৰ্য্যৰ দ্বাৰা শ শ নিৰীহ যাত্ৰীৰ প্ৰাণ বায়ু উৰিগ'ল, শ শ যাত্ৰী চিৰদিনৰ বাবে ঘৃণীয়া হ'ল, বহু শিশু অনাথ হ'ল, অনেক নাৰীৰ অকালত স্বামী পুত্ৰ হেৰুৱাই দিশাহাৰা হ'ল, সেই সকলৰ এনে অৱস্থা কৰাৰ গুৰিতেই কোন জানানে? মই। মৱেই সেইজন মহাপাপী, দেশদ্ৰোহী। মোৰ সমান নাৰকী বোধ হয় আৰু কোনো নাই মই তিলতিলকৈ মৰাই শ্ৰেয়।

শুন পল্লৱ মই আজি তোৰ আগত আৰবেৰ নোহোৱাকৈ সকলো কথাই স্বীকাৰ কৰি যাম। ইতিমধ্যে আমি বহুতো কুটাঘাট মূলক কাৰ্য সম্পাদন কৰিছো নিৰ্বিঘ্নে। তাৰ দ্বাৰা আমি মুঠেই কৃতকাৰ্য হ'ব পাৰা নাই। এইটো শেহতীয়া আক্ৰমণ। যি খন ট্ৰেইন বোমা বিস্ফোৰণত ধ্বংস প্ৰাপ্ত হ'ল সেইখন ট্ৰেইন ধ্বংস কৰাৰ কাৰণে মৱেই এখন দলগুৰ তলত শক্তিশালী বোমা এটা স্থাপন কৰিছিলো। গোটেই কামতো সম্পাদন কৰাৰ বাবে মৱেই দায়িত্ব লৈছিলো। দূৰ নিয়ন্ত্ৰক তাঁৰৰ দ্বাৰা বিস্ফোৰণটো ঘটোৱা হৈছিল। সি আৰু কব নোৱাৰিলে।

পল্লৱে তাক শান্তনা দিলে। অস্থিৰ মনটোক স্থিৰতালৈ আনিবলৈ পল্লৱে তাক বহুতো শান্তনাৰ বাণী শুনালে। কিছু সময়ৰ পাছত পুনৰ পল্লৱে কৈ গ'ল - শুন চিত্ৰ, তহতবোৰ যি সকলে উগ্ৰবাদক বিশ্বাস কৰি উগ্ৰপন্থী কাৰ্য্যকলাপত নামি পৰিছ, তাৰ পৰা কোনো লাভ নাই। অস্ত্ৰ শস্ত্ৰৰে সুসজ্জত হৈ বাছিলোৱা হিংসাৰ পথেৰে কোনো কাম সফল কৰি তুলিব নোৱাৰে। এই মনোবৃত্তি অবান্তৰ। তহঁতে মানুহ মাৰিছ, তহঁতৰ বহুত ডেকা ল'ৰা অকালতে মৰিছে। যি সকলে এনেকৈ

লগা হ'ল। থোকা থুকি মাতেৰে মাত্ৰ ক'লে-"তোৰ মনোকামনা পূৰ্ণ হওঁক আই।" কথাষাৰ কৈয়েই ৰামদেৱে আৰু বৈ থাকিব নোৱাৰিলে, গৃহৰ পৰা সিক্ত নয়নে আঁতৰি আহিল।

আলেকজেণ্ডাৰৰ শিবিৰৰ অধিক সংখ্যক সৈন্যই আনন্দত মতলীয়া, কাৰণ বিনা ৰক্তপাতে তক্ষশীলাই বশ্যতা স্বীকাৰ কৰি ললে। সৈন্য সকলে নিজকে আনন্দত উটুৱাই দিছে যদিও বীৰ আলেকজেণ্ডাৰৰ মনত অকণো আনন্দ নাই। নিজকে বৰ অকলশৰীয়া যেন অনুভৱ কৰিছে। নানা চিন্তাত ব্যস্ত থকা আলেকজেণ্ডাৰলৈ হঠাৎ প্ৰহৰী এজনে এটি বাতৰি আনিলে যে তক্ষশিলাৰ ৰজা অম্ভিয়ে নানা উপঢৌকন সহ এগৰাকী সুন্দৰী যুৱতী সম্ৰাটলৈ উপহাৰ পঠিয়াইছে। সুন্দৰী যুৱতীক দৰ্শন কৰি নয়ন মন সাৰ্থক কৰিবৰ কাৰণে ব্যাকুল হৈ পৰা আলেকজেণ্ডাৰে প্ৰহৰীক আদেশ দিলে সুন্দৰীক তৎকালেই সন্মুখত হাজিৰ কৰিবৰ কাৰণে।

এখন সুসজ্জিত ৰথৰ পৰা এক লয়লাস ভংগিকাৰে নামি আহিল বিষকন্যা মঞ্জৰী। অল্প বস্ত্ৰ পৰিহিতা সুন্দৰীৰ প্ৰতিটো খোজৰ লগে লগে দেহৰ অৰ্ধ উন্মোক্ত অংগ-প্ৰত্যংগ বোৰে যেন লুকা-ভাকু খেলিবলৈ ধৰিলে। একুৰা জ্বলন্ত অগ্নিৰ দৰে মঞ্জৰী প্ৰৱেশ কৰিলেগৈ আলেকজেণ্ডাৰৰ কক্ষত।

মঞ্জৰীক দেখাৰ লগে লগে ডেকা বীৰজন আচৰিত হ'ল। এজন পুৰুষক আকৰ্ষণ কৰিব পৰা সকলো উপাদানৰে পৰিপূৰ্ণ প্ৰয়োজনতকৈ অধিক ৰূপৱতী বিষকন্যা মঞ্জৰীৰ ৰূপৰ অগ্নিৰ তাপত মৰ্মাক্ত হ'ল আলেকজেণ্ডাৰৰ শৰীৰ। এটি চগাৰ দৰে মাথো কাষ চাপি গ'ল শীতল মৃত্যুৰ সমীপলৈ।

বিষকন্যা মঞ্জৰীৰ কাষলৈ অগ্ৰসৰ হোৱা আলেকজেণ্ডাৰৰ কক্ষলৈ হুৰমূৰকৈ সোমাই আহি সেনাপতি চেলুকচে ক'লে-"ক্ষান্ত হওঁক মহামান্য সম্ৰাট, আপুনি যি গৰাকীক সুন্দৰী বুলি ভাৱিছে তেওঁ আছলতে এগৰাকী বিষকন্যাহে। যি জনে এই সুন্দৰীক আলিংগন কৰিব সেই জনেই আকোঁৱালি ল'ব এক ভয়াবহ মৃত্যুক। ভাৰতৰ ৰজা সকলে বলেৰে পৰাজয় কৰিব নোৱাৰা শত্ৰুক মিত্ৰতাৰ কৃত্ৰিম বান্ধোনেৰে বান্ধি বিষকন্যাৰ দ্বাৰা হত্যা কৰে।" চেলুকচৰ কথা শুনি সিংহাসনত বহি পৰিল আলেকজেণ্ডাৰ আৰু ক'বলৈ ধৰিলে- বিচিত্ৰ দেশৰ বিচিত্ৰ কৌশল, এজন দুৰ্বল শাসনকৰ্ত্তাৰ কাপুৰুষালি ঢাকিবৰ এক নিৰ্মম প্ৰচেষ্টা। মানসিক ভাৱে তীব্ৰ যন্ত্ৰনা দিয়া হৈছে এক দূৰ্বলা নাৰীক।

জীৱনত বহুত ধৰণৰ মৃত্যুৰ লগত সাক্ষাৎ হৈছে, আলেকজেণ্ডাৰৰ কিন্তু এনে ধৰণৰ সুন্দৰ মৃত্যুৰ লগত এয়ে প্ৰথম সাক্ষাৎ। দুখেৰে চেলুকচক ক'লে- "সেনাপতি সুন্দৰ মৃত্যুক তুলি দিয়া হওঁক মৃত্যুৰ কোলাত।" সেনাপতি চেলুকচে আদেশ পায় এজন প্ৰহৰীক মাতি বিষকন্যাৰ শিৰচ্ছেদ কৰিবৰ আদেশ দিলে।

মঞ্জৰীয়ে বুজি পালে ইমান দিনে কামনা কৰি অহা চিৰ মুক্তিৰ ক্ষণ সমাগত বুলি। চকুমুদি মাত্ৰ শেষ বাৰৰ কাৰণে গুৰুদেৱক স্মৰণ কৰিলে।

প্ৰহৰীৰ পিছে পিছে বধ্য ভূমিলৈ গৈ থকা মঞ্জৰীৰ পিনে কৰুণ দৃষ্টি নিক্ষেপ কৰি আলেকজেণ্ডাৰে স্বগতোক্তি কৰিলে-"মোক ক্ষমা কৰিবা সুন্দৰী, মৃত্যুৰ বাহিৰে তোমাক দিবলৈ আলেকজেণ্ডাৰৰ ওচৰত আজি একোৱেই নাই।"





## শীতৰ বতৰ

শ্ৰীসমীন বেজবৰুৱা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)

এটা নিয়ৰ সনা সন্ধিয়া
ৰাজপথত পেলাই দিয়ে
হালধীয়া পোহৰ............
শীতক নেওচি পাৰ হৈ গৈছে
বহু যাত্ৰী..............
কুৱলী ভেদ কৰি পাৰ হয়
বহুতো ভাগ্যৱান..........
মাথো বৈ গৈছে পথৰ দাতিত
এক অজান জাতি।
প্ৰকৃতিয়ে দিছে তেওঁলোকক
শীতৰ আগমনৰ বতৰা।
টানি নিবলৈ বাধ্য কৰাইছে
দেহত থকা লেতেৰা
কাপোৰৰ টুকুৰা॥
এক জাতিৰ বাবে
শীত মাথো
এক অভিশাপ
দুখীয়া নিচলাৰ কাঢ়ি নিয়ে
মাথো মুখৰ মাত॥
এজাতিৰ বাবে শীত মাথো
আমোদৰ দিন..........
মদিৰা সংগীৰ লগত
সংগীতৰে কৰে নিজকে লীন॥
(মহাবিদ্যালয় সপ্তাহৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত কবিতা)



## মৰমৰ "মা" লৈ

শ্ৰীৰাজশ্ৰী কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

নিঃস্বাৰ্থ মৰমেৰে
আগুৱাই গৈ
কিয় জানো বন্দী হ'লো
তোমাৰ মৰমতে "মা"
নীলা এই আকাশখনি
সুন্দৰ সেউজী ধৰা,
তোমাৰ অবিহনে মৰম
বিচৰা নাই কাৰো পৰা॥
আছিলা তুমি, আমাৰ
সকলোৰে মৰমৰ "মা" জনী হৈ,
পৰম পিতা পৰমেশ্বৰে লৈ গ'ল তোমাক
আমাৰ মাজৰ পৰা চিৰদিনলৈ॥

## জীৱন পাপৰিঃ

শ্ৰী ৰনিতা বড়ো
স্নাতক ২য় বৰ্ষ (কলা)

জন্ম লৈয়েই মেলিলো প্ৰথম পাহি
জগত বনত
খেলিলো অলেখ খেলা
কোমল বনত
ক'ত যে হাঁহিলো ক'ত যে কান্দিলো
আই মাতৃৰ কোলাত
প্ৰাণ ভৰা হাঁহি ভৰা কিমান যে
আই মাতৃৰ স্নেহৰে ভৰা
যৌৱনৰ দুৱাৰদুলিত ভৰি দি
পালো ক'ত যে যাতনা
নানা ৰং ৰইছৰে পৰিপূৰ্ণ
মোৰ এই ক্ষন্তেকীয়া জীৱন
প্ৰেমৰে ভৰা দুৰ্ঘোৰ সাগৰত
মেলি দিলো এখনি নাওঁ
কোনোৱে অকণমান সহযোগী দিয়া
যেন স্নেহমণি পাওঁ।

## ঃ নিবনুৱা ঃ

নিতু শইকীয়া
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

সূৰ্যোদয়ৰ লগে লগে পথলৈ ওলাই আহিছে
নিবনুৱাৰ এটি দ'ল,
হতাশাগ্ৰস্ত সেই ডেকা সমদল
সিহঁতক কি লাগে? কৰ্মসংস্থান লাগে।
কিহঁৰ বাবে কৰ্মসংস্থান? জীয়াই থকাৰ বাবে,
এমুঠি সুষম আহাৰ, এটি পজা আৰু
লজ্জা ঢাকিবলৈ বস্ত্ৰ................
লাহে লাহে বেলি লহিয়ালে,
হতাশাৰ ভাগৰত জুকলা সিহঁতৰ অৰ্ধকংকাল দেহাবোৰে খোজ ললে
চিৰ চেনেহী মাকৰ বুকুলৈ।
স্পষ্টত: অসমৰ যুৱ সমাজক আজি লাগে
জীয়াই থকাৰ পণ কৰ্মসংস্থাপন।





## কাৰ বাবে কবিতা

শ্ৰী অৰ্চনা বৰা
স্নাতক ২য় বৰ্ষ (কলা)

এতিয়া আৰু মোৰ হৃদয়খন
আগৰ দৰে হৈ থকা নাই
কাইঁটৰ আচোৰ খাই খাই
পাথৰ হৈ গ'ল
শিল চোবাই চোবাই
দাতবোৰো যেন শিল হৈ গ'ল।
ব্ৰহ্মপুত্ৰৰ মাজুলীত তেজৰ
গোলাপ ফুলে!
যোৱা বেলি পথাৰত গুটি সিচা নহ'ল
বানৰ বালি চৰে বলুকা পেলালে
বিদেশী পাৰ-ফিউফৰ কৰাল গ্ৰাসত
জেতুকা পুলিবোৰো উভালি পৰিল
বিহু আহিল যেনেকৈ
গ'লগৈ তেনেকৈ।
নাঙলৰ সীৰলুত জীৱনৰ প্ৰত্যাশা
কলমৰ মুৰত প্ৰাণৰ সঞ্চাৰ
কবিতাৰ প্ৰেমত শান্তিৰ প্ৰণয়
গানৰ কলিত স্বাধীনতাৰ প্ৰত্যাহ্বান
কবিতাৰ হাত মেলি ঢুকি পালো
সুমেৰু কুমেৰু
আৰু...........
এখন চিৰস্তব্ধতাৰ মন্দাকিনী।

## শীতৰ বতৰ

শ্ৰী চন্দামিতা শৰ্মা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

শীতৰ বাতিপুৱা ধুৱলী কুৱলী
লেপৰ তলত উমলি,
উঠিবলৈ লাগে ইমান এলাহ
উঠো কষ্ট কৰি।
পঢ়া শুনাত নাই মতি গতি,
পঢ়া শুনালৈ দি পিঠি
সময় কটাও জুইৰ কাষত
নিতৌ গধূলি গধূলি।
জানুৱাৰী মাহত বৰ ঠাণ্ডা
গৰম কাপোৰৰ মেলা,
গধূলি জুইৰ কাষত বহি
সেই দিনা মই আছিলো ভাবি,
অসমবাসীৰ কোনো দিনে
নহ'ব নেকি উন্নতি?
শীতৰ সেমেকা বাতিপুৱা উঠি
বাতৰি পঢ়ো নিয়াৰী,
নিতৌ হত্যা, অপহৰণৰ বাতৰি
বৰ দুখ লাগে পঢ়ি।
শীতৰ সেমেকা গধূলি
লওঁ আহা ভাগ আমি।

(মহাবিদ্যালয় সপ্তাহৰ ২য় পুৰস্কাৰ প্ৰাপ্ত কবিতা)

## দুঃ সময়

শ্রী মনজুন বড়ো
স্নাতক ২য় বৰ্ষ

আশা, আবেগ, অনুৰাগ
এই কোমল কোমল শব্দবোৰ
যি এদিন সৰ্য্য কিৰণত উদ্ভাসিত হৈ
মন-অৰ্টবী কৰিছিল পনেবিত
আজি জই পৰি গল

বনুৰা গোৰৰ দৰে লৰি ফুৰিছো আজি
তীখাৰ দৰে কঠিন কৰিছো বুকু মন
কিয়নো আশা, আবেগ, অনুৰাগৰ
কোমল পৰশত কুমলি উঠা বক্ষ
নিৰ্দয় শানিত অশ্ৰুৰ আঘাতত আজি
ক্ষত বিক্ষত।

তুমি মোক ভূল নুবুজিবা
যদি ফালি দেখুৱাব পাৰো বুকুখন
অন্তৰত জ্বলি আছে
ক ক কৈ জ্বলি থকা সেই জুইকুৰা
মোৰ প্ৰাণৰ গভীৰতাটো

অন্তৰত জ্বলি আছে
নীৰৱে, পবিত্ৰ ভাবে
আমি যে জ্বলাইছিলো
সেই বন্তি গছি
তোমাৰ আৰু মোৰ

## ৰঙালী লুইত

শ্রী ৰঞ্জিত দাস
স্নাতক ১ম বাৰ্ষিক (কলা)

সুৰুজ উঠিবলৈ এতিয়াও বাকী
লুইতৰ দুয়ো কাষে শুনো
বাৰুদৰ গুম গুমনি
মাথো শুনো মানৱৰ উচুপনি
সন্তান হাৰা মাতৃৰ কৰুণ বিননি।
কেউদিশে মাথো কেচা তেজ
কেচা মঙহৰ গোন্ধ
নিচিহ্ন হ'ল দিন ৰাতি
চৌদিশে শুনো মাথো
বাৰুদৰ গুম গুমনি॥
নিচিহ্ন হ'ল কুৰলি,
চৌদিশে আৱৰি আছে
মাথো বাৰুদৰ ধোৱা
লুইতৰ দুয়ো কাষে
নুপুৰাই ৰাতি
ৰাতি পুৱাব কেৱল বাৰুদৰ
গুম গুমনিত॥







## শীতৰ বতৰ

শ্ৰীলিপিকা শৰ্মা
স্নাতক ১ম বাৰ্ষিক (কলা)

সিদিনা আছিল
শীতৰ কুঁৱলী সনা এটা কোমল পুঁৱা
পুৱা শুই উঠিয়েই এটা
মিঠা অনুভৱবে
চাবিও দিশে চাই দেখিলো-
পদুলিত দুটা কপৌ।
হঠাৎ মনটোত যেন কাৰোবাব শিহৰণ জাগি উঠিল
শীতৰ খোচ খোচানিবে এটা মিঠা সোৱাদলৈ
কল্পনাত ভাবি পৰিলো
সেই দিন বোবৰ কথা
কাবোৱাব হাতৰ স্পৰ্শত
নিজকে সুৰক্ষিত বুলি ভবা, আৰু
যৌৱনৰ সেই মিঠা মিঠা আশা বোবে
বাস্তৱৰ জুপুৰি গঢ়িম বুলি ভবা পৰিকল্পনা
আৰু................
........কাবোবাক চিৰ্ দিনৰ বাবে
আপোন কৰি লোৱাৰ কাল্পনিক ধাৰণাবোৰ
সিদিনা হঠাৎ কিয় জানো
সেই শীতৰ কোমল পুৱাটোৱে
মোক জুকলা কৰি পেলাইছিল
মই ভাবি পোৱা নাছিলো।
হয়তো, সি হ'ব পাবে
যৌৱনৰ অন্তহীন জল্পনা কল্পনা বোৰৰ
এক অন্তহীন ক্ষণ কণি।
এনেদৰেই ভাবি থাকোতে
হঠাৎ কাবোবাব স্পৰ্শই
মোৰ পিঠিত
এক কোমল হেঁচা দি দিলে
আৰু চক্ খাই দেখা পাও
মোৰ জীৱনত শীতৰ মিঠা
সোৱাদ কঢ়িয়াই দিয়া
সেই শীতৰ মৃদু এজাক বতাহক।

## জাগ্ৰত জনতা

শ্ৰীকমলানন্দ বৰুৱা
অতিথি শিল্পী

অসম আমাৰ অসম
সোনালী ৰঙৰ অসম,
সেই আগৰ মোহনীয়া অসম
আজি নাই, কিয় নাই?
কালৰ কুটিল গৰাহত নিমজ্জিত
আজি সেই সেউজীয়া অসম
কোনো হৈ থকা নাই আজি ভাই ভাই।
চাবিওপিনে হিংসা বিদ্বেষ
নহ'ব জানো ইয়াব শেষ?
সন্ত্ৰাস আজি চাবিওপিনে
সকলোপিনে ভয়,
আজি মানুহৰ লুভীয়া চকুত
বিবেকৰ হৈছে প...
...ৰাজয়।
মানুহৰ অন্তৰৰ পৰা মৰম প্ৰীতি
হৈছে আজি লয়
এদিন নিশ্চয় আহিব প্ৰলয়
অতীতে তাকে কয়।
নাইনে অন্ধকাৰৰ পৰা
মুক্ত হোৱাৰ বাট
কোনোৱে দিব নোৱাবিব নেকি
শান্তিময় পোহৰৰ আঁত,
নে অন্ধকাৰ সন্ত্ৰাসৰ মাজতে
থাকিব লাগিব চিৰদিন,
পোহৰৰ আগমন নহ'ব নেকি
নহ'ব নেকি অন্ধকাৰ লীন।
ভয়-আতংকৰ মাজতে থাকিব
লাগিব নেকি চিৰদিন?
কৰিব নোৱাৰিব নেকি পোহৰে আহি
অন্ধকাৰক জীণ।
যদি সেয়ে নহয় তেন্তে

ধ্বংস হ'ব জীৱ শ্ৰেষ্ঠ মানৱ।
অনন্ত কালৰ অটল গহ্বৰত হেৰাই যাব
নাথাকিব একো দিন
সকলো হ'ব লীন
এদিন নিশ্চয় আহিব প্ৰলয়
সময়ে দেখোন তাকে কয়।
পাব লাগে যদি মুক্তি তেন্তে
জাগ্ৰত হ'ব লাগিব জনতা,
ধ্বংস কৰিব লাগিব এই অন্যায়
হিংসা বিদ্বেষ পৰিহাৰ কৰি
প্ৰতিষ্ঠা কৰিব লাগিব ন্যায়,
গঢ়িব লাগিব সোণালী অসম
সকলো লগ হৈ আমি ভাই ভাই।

## প্ৰেম পূজাৰী

শ্ৰী গীতুমণি দাস
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

বিব্ বিব্ কৈ যেতিয়া
বতাহ বলে
আমাৰ তোমালৈ মনত পৰে
আনৰ মুখত শুনিছো
তুমি হেনো প্ৰেমৰ পূজাৰী।
সঁচাকৈ জানো তুমি প্ৰেমৰ পূজাৰী হোৱানে?
তোমাৰ চাদৰৰ আঁচলত
আমাক জানো
সামৰি লব নোৱাৰিবানে??
যদি সঁচাকৈ পাৰিবা তেতিয়া হলে
হে প্ৰেমৰ পূজাৰী
তুমি ওলাই আহা আৰু
প্ৰেম বিলাই দিয়া
আমি পদুলিৰ মুখত
বন্তিলৈ তোমালৈ
বাট চাই থাকিম।

## "কল্পনাৰ আশ্ৰিত দুটি নয়ন"

শ্ৰী অঞ্জন দাস
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)

কোনোবাটি মূহুৰ্তৰ কল্পনা
প্ৰতিটো, প্ৰতিটো কল্পনাৰে
উৎস যেন,
এক অপূৰ্ব সৌন্দৰ্য্য
সীমাহীন সৌন্দৰ্য্যতা
মাথো কল্পনাতহে
দেখা পাওঁ।
বাস্তৱ যেন মাথো প্ৰতিবিম্ব
মাথো অনুৰূপ প্ৰতিবিম্ব
সেই ছবিটি মাথো নিজীৱ, অস্থিৰ
মাথো হাঁহিব উজ্জ্বলতা।
পদুম পাহিৰ দৰে দুটি নয়ন
যেন সমুদ্ৰৰ গৰ্ভৰ পৰা
উঠি অহা দুটি মুকুতা,
যেন পৃথিৱীৰ সৌন্দৰ্য্যকো
চেৰ পেলাই যায়,
সূৰ্য্যৰ উদয় যেন পুৱতি নিশাৰ
খুলি উঠা সেই দুটি নয়ন
সূৰ্য্যৰ অস্ত যোৱা সেই দুটি নয়নৰ
টোপনিৰ ক্লান্ত আভাস
কৃত্ৰিম সুৰগা হৈ কাজলৰ ৰূপ লৈ
জ্বলাম নিজৰ বেশ।
শান্তিৰ শেষ উশাহটি ল'ম
হ'ব পাৰিলে তাইৰ
কিঞ্চিত শান্তিৰ সমাৱেশ।





## -বসন্তৰ আগমনে-

শ্ৰী নিভা দাস
উঃমাঃ প্ৰথম বৰ্ষ (কলা)

বসন্তৰ আগমনে-
গছৰ ডালত পৰি কুলি চৰায়ে
কু - কু - কৰি বিনালে॥
শিপিনী বিলাকে তাঁতৰ শালত।
গামোচা ববলৈ ললে॥
বসন্তৰ আগমনে প্ৰকৃতিয়ে নিজকে
সজালে নতুন সাজে॥
গছ-গছনি লতা বন বোৰে সজাই নিজকে
মনোমোহা কৰি ললে॥
বসন্তৰ আগমনে ডেকা গাভৰুৰ মন
উৰুঙা কৰি তোলে।
নাচনী বিলাকে ঢেঁতুকাৰ বুলনিৰে
হাত বঙালি কৰে॥
ডুলীয়াই ঢোলত নতুনন গামোচা
মেৰিয়াই ললে।
বসন্তৰ আগমনে সকলোৰে মন
ৰঙচুৰা কৰি তোলে।



## সোঁৱৰণ

নৱ কিশোৰ নাথ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

হে মোৰ চিনাকি মাটিৰ বীৰ সন্তান
তোমালৈ শত-সহস্ৰ প্ৰণাম....।
তুমি তোমাৰ মাটিৰ উদ্ধাৰৰ বাবে
ভক্তি তথা কৰ্ত্তব্য
দুহাতত তুলি
নিবেদন কৰিলা
পুষ্পাৰ্ঘ্য।
তোমাৰ বুকুত বন্ধা আকাশৰ দৰে স্বপ্ন
হওঁক জীৱিত জনৰ
প্ৰেৰণাৰ উৎস।
হে বীৰ,
উৰুথা মই
তোমাকনো কি দিম?
কৰিলো মাথো হাতেৰে তোমাক
সোঁৱৰণ।

## হে কার্গিলৰ বীৰ যোৱান সকল

শ্ৰী দিপ্তী দাস
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

হে সেনা যোৱান সকল
মাতৃ ভূমিৰ কাৰণে কৰিলা যুদ্ধ,
এই মহান কামৰ কাৰণে
পিছলৈ নাচায় আগুৱাই গ'লা।
নিজৰ জীৱন বিপদত থাকিও
নকৰিলা অকনো হেলা,
নিজৰ জীৱন উৎসৰ্গা কৰিলা
কৰিলা নিজৰ মাতৃভূমিক ৰক্ষা।
সকলো ভাৰতবৰ্ষৰ লোক
আছে তোমাৰ লগত,
নকৰিবা ভয় শংকা
আগুৱাই যোৱা যোৱানসকল।
আছো আমি পিছতে
তোমালোকৰ সাহস বঢ়াবলৈ,
তোমালোকৰ এই মহান কাম
থাকিব ইতিহাসত ৰৈ।
তাক লৈ কৰিবা গৌৰৱ
তোমালোকৰ মহান আদৰ্শকলৈ,
কত কত যোৱানে দিলে বিসৰ্জন
কৰো আমি শত শত প্ৰণাম।
আৰু যুদ্ধ কৰি থকা সকলক
আশীৰ্বাদ কৰিছে তোমালোকৰ মংগল হওক,
জয় হওঁক আমাৰ দেশ
যোৱা আগুৱাই, আছো পিছতে সাহস বঢ়াই।
মাতৃভূমিৰ কাৰণে ক'ত,
ভাই-ভনী মাক-দেউতাক সহ সম্বন্ধসকলে দিছে
বলিদান,
কত মাতৃৰ উদং হ'ল কোলা
কত অভাগিনী হ'ল বিধবা।
কত জীয়ৰীয়ে শিৰৰ সেন্দুৰ নোলোৱাকৈ
হ'ল অকালতে বিধবা,
আজি ভাৰতবৰ্ষত চাৰিওফালে
কান্দোনৰ কোলাহলত ভাঙি পৰিছে।
গোটেই ভাৰতবৰ্ষত যেন
চকুলোৰ নদী বৈছে,
যাক কোনোদিনে মৃতকায়
এই চকুলোৰ ইমান মূল্য।
তাক কৰলৈ নোৱাৰি
এই বলিদানৰ চকুলোৰ মূল্য।
হে মহান শ্বহীদসকলক
তোমালোকক সাদৰে সোঁৱৰি থাকিম।
তোমালোকৰ এই বলিদান
অমৰ হৈ জিলিকি থাকক সোনালী আখৰেৰে।

## জীৱন মানে সংগ্ৰাম

শ্ৰী দীপিকা বায়মেধি
স্নাতক প্ৰথমবৰ্ষ (কলা)

সপোন দেখি দেখি ছৱি অকা
শিল্পীৰ দ্বাৰা আজি
কোনো কৰ্ম নাই
তোমালোক বৈ গলা কিয়?
তোমালোক জীৱন যুঁজত
সঙ্গী হোৱা।
তেতিয়াহে তোমাৰ
সপোন বাস্তৱ হ'ব।
সংগ্ৰামেই হ'ল
আমাৰ জীৱন।
সংগ্ৰাম আমি কৰিম
আৰু কৰিবই লাগিব
নহলে যে আমাৰ
জীৱন বিফল
কিন্তু এই সংগ্ৰাম
সশস্ত্ৰ সংগ্ৰাম নহয়।
এই সংগ্ৰাম নিৰস্ত্ৰ।
এই সংগ্ৰাম জীৱন সংগ্ৰাম
সপোন আমি বাস্তৱ কৰিম
জগতত আমি জীয়াই থাকিম।





## ঃকবিতাঃ

শ্ৰী নিপন চাংকাকতী
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

কবিতা এটা লিখিম বুলি ওলালো
হাতত এটা মিটুচুবিচি পেন আৰু
টেবুলত এখিলা উকা কাগজ
